দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ৩ জুলাই, ২০২২ দেওবাৰ পৃষ্ঠা তিনি

## ঘৰৰ চাঙৰ পৰা পৰি বৃদ্ধৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ২ জুলাই ঃ** অৰুণাচল প্ৰদেশত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত দিহিং আৰু ব্ৰহ্মপুত্ৰ নদী ফেনেফোটোকাৰে বাঢ়ি অহি শিৱসাগৰ জিলাৰ ডিমৌ ৰাজহ চক্ৰৰ বৃহত্তৰ আঠ পৃষ্ঠাত চাওক

## আঠিয়াবাৰীৰ বোৱাৰীৰ আত্মহত্যাৰ ৰহস্য ঃ স্বামী আটক

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২ জুলাই ঃ** বাগ্‌সা জিলাৰ মুছলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত আঠিয়াবাৰীৰ সুমিতা বৰ্মন নামৰ গৰ্ভৱতী বোৱাৰী এগৰাকীৰ আত্মহত্যা সন্দৰ্ভত আজি মুছলপুৰ আৰক্ষীয়ে স্বামী সঞ্জয় বৰ্মনক আটক কৰিছে। যৌতুকৰ ভয়ংকৰ পৰিণতিত সংঘটিত হয় এই ঘটনা। মাতৃগৃহৰ পৰিয়ালে যৌতুক নাপাই স্বামীৰ পৰিয়ালে আঠমহীয়া আঠ পৃষ্ঠাত চাওক

## খাৰুপেটীয়াৰ নেমুটেঙা লণ্ডনলৈ ৰপ্তানি

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ২ জুলাই ঃ** দৰঙৰ খাৰুপেটীয়া অঞ্চলৰ একাংশ যুৱ কৃষকে স্থানীয়ভাৱে উৎপাদিত নেমুটেঙা সুদুৰ লণ্ডনলৈ ৰপ্তানি কৰা ঘটনাই কৃষকসকলৰ মাজত আশাৰ বতৰা কঢ়িয়াই আনিছে। যি সময়ত দৰঙৰ কৃষকে মূৰৰ ঘাম মাটিত পেলাই উৎপাদন কৰা আঠ পৃষ্ঠাত চাওক

মনত পুহি ৰাখিছিল সাহিত্যিক পেঞ্চনৰ আশা

## বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক, সাংবাদিক উপেন দত্তৰ আকস্মিক মৃত্যু



বিশেষ সংবাদদাতা

**গোলাঘাট, ২ জুলাই ঃ** গোলাঘাটৰ সকলোৰে পৰিচিত বিশিষ্ট শিক্ষাবিদ, সাংবাদিক, সাহিত্যিক, কবি, সুলেখক উপেন দত্ত আৰু নাই। সাহিত্যিক পেঞ্চনৰ মনত গভীৰ আশা আছিল যদিও তেনে আশা বুকুত লৈয়েই চিৰ বিদায় ল'লে দত্তই। আজি দিনৰ প্ৰায় ১১ বজাত গোলাঘাট নগৰৰ শান্তিপুৰস্থিত নিজ বাসভৱনত আকস্মিকভাৱে দেহাৱসান ঘটে। মৃত্যুৰ আগমুহূৰ্তলৈকে ওচৰ-চুবুৰীয়া, ঘৰৰ মানুহৰ লগত স্বাভাৱিকভাৱে কথা-বাৰ্তা পাতি থকা বিশিষ্ট লোকজন ঘৰত ভাতৰ টেবুলত বহি দুগৰাহ ভাত খোৱাৰ পাছতে আকস্মিকভাৱে অসুস্থ হৈ পৰে। আঠ পৃষ্ঠাত চাওক

ইখনৰ পাছত সিখনকৈ নৈপৰীয়া চৰকাৰী বিদ্যালয় খহনীয়াৰ কবলত

# ধিঙত ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ ভয়ংকৰ ৰূপ

বিশেষ সংবাদদাতা

**নগাঁও, ২ জুলাই ঃ** নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত মোৱামাৰী, গতিকৰা, সুতাৰগাঁও আদি বিভিন্ন অঞ্চলত ব্ৰহ্মপুত্ৰৰ প্ৰতিৰোধবিহীন খহনীয়াই বিধ্বংসী ৰূপ ধাৰণ কৰিছে। বিধ্বংসী খহনীয়াত ইতিমধ্যে এই গাঁওকেইখনৰ শতাধিক পৰিয়ালৰ বাসগৃহ জাহ গৈছে। জাহ গৈছে বহু হেক্টৰ কৃষি ভূমি। খহনীয়াই কালৰূপ ধাৰণ কৰিছে যদিও ইয়াৰ প্ৰতিৰোধৰ কোনো ধৰণৰ পদক্ষেপেই গ্ৰহণ নকৰাত শেহতীয়াকৈ মোৱামাৰী গাঁৱৰ বহু লোকে নিজা পকী ঘৰ ভাঙি চকুলো টুকি নিৰাপদ স্থানলৈ গুচি গৈছে। বিধ্বংসী খহনীয়াত এমাহতে অৰ্ধশতাধিক পৰিয়াল গৃহহীন হৈছে। খহনীয়াৰ কবলত পৰিছে কে'বাখনো চৰকাৰী বিদ্যালয়। ব্ৰহ্মপুত্ৰৰ বিধ্বংসী খহনীয়াই এখন অতি প্ৰাচীন আৰু ঐতিহ্যমণ্ডিত চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ পিৰালিৰ কাষতে তাণ্ডৱ অব্যাহত ৰাখিছে। ১৯৬১তে স্থাপিত অতি প্ৰাচীন আৰু ঐতিহ্যমণ্ডিত প্ৰাথমিক বিদ্যালয়খন যিকোনো মহূৰ্তত ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱাৰ উপক্ৰম হৈছে। এই প্ৰাচীন প্ৰাথমিক বিদ্যালয়খন হ'ল বটদ্ৰৱা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত মোৱামাৰী মোক্তাৰ বিদ্যালয়। বিদ্যালয় গৃহৰ পিৰালিৰ কাষ পাইছেহি মহাবাহু ব্ৰহ্মপুত্ৰ। আঠ পৃষ্ঠাত চাওক



## ভাওৰাগুৰীৰ সাতবিলত ৰাইজে নিৰ্মাণ কৰিলে দলং



অগ্ৰদূত বাৰ্তা

**দোতমা, ২ জুলাই ঃ** গোসাঁইগাঁও মহকুমাৰ ভাওৰাগুৰীৰ এক নম্বৰ সাতবিলত ৰাইজে নিৰ্মাণ কৰিলে বাঁহৰ দলং। গুৰুফেলা নদীৰ সংলগ্ন নলাৰ ওপৰত গাঁওখন আৰু গাঁওখনতে খেলপথাৰ, শ্মশান আঠ পৃষ্ঠাত চাওক

## নিৰ্বাচিত পাৰিষদ মণ্টু বড়োৰ শপতগ্ৰহণ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২ জুলাই ঃ** বিটিআৰৰ বাগ্‌সা জিলাৰ কোকলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনত বিজয়ী হোৱা ইউপিপিএলৰ প্ৰাৰ্থী মণ্টু বড়োৱে আজি শপতবাক্য পাঠ কৰে। বিটিচিৰ বিধান পৰিষদৰ প্ৰেক্ষাগৃহত শপতবাক্য অনুষ্ঠানত বিটিচি বিধান পৰিষদৰ অধ্যক্ষ কাতিৰাম বড়োৱে শপতবাক্য পাঠ কৰায়। আঠ পৃষ্ঠাত চাওক

## মুকলিৰ পূৰ্বেই ধ্বংসৰ গৰাহত কলিয়াবৰ মহকুমা অসামৰিক চিকিৎসালয়, খহি পৰিছে চিলিং

### কে কে এন্টাৰপ্ৰাইজৰ মইমতালিত ক্ষুব্ধ জনতা

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২ জুলাই ঃ** মুকলিৰ পূৰ্বে ধ্বংসৰ গৰাহত পৰিছে জখলাবন্ধাস্থিত কলিয়াবৰ মহকুমা অসামৰিক চিকিৎসালয়খন। এফালৰ পৰা পকী বেৰ, চিলিঙত ফাট মেলাৰ লগতে ভাগি গৈছে পকী মজিয়া। স্বয়ং স্বাস্থ্যমন্ত্ৰীৰ গৃহ সমষ্টিতে জনৈক কলিতা মালিকানাধীন কে কে এন্টাৰপ্ৰাইজ নামৰ ঠিকাদাৰ গোষ্ঠীটোৰ এনে মইমতালিত ক্ষুব্ধ হৈ পৰিছে সচেতন জনতা। বৰ্তমানৰ ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে আঠ পৃষ্ঠাত চাওক

## লেঙেৰী মৌজাত মন্ত্ৰী বিমল বড়াৰ বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন



অগ্ৰদূত বাৰ্তা

**ৰাজগড়, ২ জুলাই ঃ** দীৰ্ঘদিন ধৰি নেৰানেপেৰা বৰষুণৰ ফলত ক্ৰমে ওফন্দি উঠা বুঢ়িদিহিং নদীৰ বাঢ়নী পানীৰে প্লাৱিত কৰা লেঙেৰী মৌজাৰ দুই নম্বৰ ভড়ালী গাঁৱৰ কলিতা গাঁৱত স্থানীয় বিধায়ক তথা কেবিনেট মন্ত্ৰী বিমল বড়াই পৰিভ্ৰমণ কৰি ৰাইজৰ দুৰ্দশাৰ বুজ লয়। আজি ডিব্ৰুগড় জিলা উপায়ুক্ত আঠ পৃষ্ঠাত চাওক

কাৰ্বি আংলঙত স্বায়ত্তশাসিত পৰিষদৰ উচ্ছেদ অভিযান

## ডিফু-লামডিং পথৰ চাৰি কিলো ৰংপাংথিৰত গৃহহীন ৩৫ টা জনজাতীয় পৰিয়াল



বিশেষ সংবাদদাতা

**বকলীয়াহাট, ২ জুলাই ঃ** চৰকাৰী ভূমি বেদখলমুক্ত কৰিবলৈ কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে আজি পুৱাৰে পৰা চলাইছে উচ্ছেদ অভিযান। কাৰ্বি আংলঙৰ ডিফু-লামডিং ৰোডৰ চাৰি কিলোৰ ৰংপাংথিৰ গাঁৱত পৰিষদৰ এই উচ্ছেদ অভিযান। এমাহ পূৰ্বে ভূমি খালী কৰি দিবলৈ জাননী জাৰি কৰিছিল। অৱশ্যে কোনো বিকল্প পথ নেদেখি বিগত ২০১২ৰ পৰা একে স্থানত থকা গাঁওবাসীয়ে সেই স্থানতে থাকিবলৈ লয়। তথ্য মতে, আজি পুৱা প্ৰায় সাত বজাত ৰংপাংথিৰ গাঁৱত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ বিষয়া, কাৰ্বি আংলং জিলা বন বিভাগ, কাৰ্বি আংলং জিলা আৰক্ষী আৰু চিআৰপিএফ বাহিনীৰ স'তে ৰাজহ চক্ৰ বিষয়া আৰু দণ্ডাধীশ উপস্থিত হৈ প্ৰথমে মাইক যোগে সতৰ্ক কৰি দিয়ে। সমান্তৰালভাৱে উক্ত অঞ্চলটোত আঠ পৃষ্ঠাত চাওক

এজেন্ট জাহিদুল ইছলামৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী

## বৰপেটাৰ ম'হচৰাত সুলভ মূল্যৰ ৪৫০ বস্তা চাউল উদ্ধাৰ

**আলোপতি, ২ জুলাই ঃ** মুখ্যমন্ত্ৰীৰ কঠোৰ সকীয়নিৰ পাছতো ৰাজ্যত অব্যাহত আছে বগা চাউলৰ ক'লা বেহা। শেহতীয়াকৈ এনে এক ঘটনা পোহৰলৈ আহিছে বৰপেটা জিলাৰ চেঙা সমষ্টিৰ ম'হচৰাত। প্ৰাপ্ত তথ্য অনুসৰি, চেঙা সমষ্টিৰ দক্ষিণ বগুৰীবাৰী সমবায় সমিতিৰ এজেন্ট জাহিদুল ইছলামৰ ঘৰত বৃহৎ পৰিমাণৰ অতিৰিক্ত বগা চাউল থকাৰ সম্ভেদ লাভ কৰি একাংশ লোকে খবৰ আঠ পৃষ্ঠাত চাওক



দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ১৮ আহাৰ ১৪২৯ ভাস্কৰাব্দ ৩ জুলাই ২০২২



## নিজৰ ভাষা



যি সময়ত কেন্দ্ৰীয় চৰকাৰে মাতৃভাষা নাইবা আঞ্চলিক ভাষাক শিক্ষাৰ মাধ্যম কৰাত বিশেষ গুৰুত্ব দিছে, সেই একে সময়তে ৰাজ্যৰ একাংশ নেতা-মন্ত্ৰীয়ে চৰকাৰী বিদ্যালয়তো ইংৰাজী মাধ্যমত শিক্ষাদানৰ কথা বিবেচনা কৰে শিক্ষাৰ গুণগত মান উন্নত কৰাৰ নামত। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মায়ো চৰকাৰী ইংৰাজী মাধ্যমৰ বিদ্যালয় হ'ব পাৰে বুলি যুক্তি দৰ্শাইছে। বিশেষকৈ দৰিদ্ৰ শ্ৰেণীৰ ল'ৰা-ছোৱালীয়েও উন্নত শিক্ষা লাভ কৰা উচিত আৰু ইংৰাজী মাধ্যমত অধ্যয়ন কৰিব বিচৰা দৰিদ্ৰ ল'ৰা-ছোৱালীক চৰকাৰে সহায় কৰিব বিচাৰে। চৰকাৰে উন্নত মানৰ শিক্ষাৰ ওপৰত গুৰুত্ব দিছে ঠিকেই; কিন্তু গুণগত উন্নত মানৰ শিক্ষাৰ বাবে ইংৰাজী মাধ্যমকে একমাত্ৰ উপযুক্ত বুলি সিদ্ধান্ত লোৱা উচিত নহ'ব। অসমৰ বৃহৎ একাংশৰ মাজত ইংৰাজী মাধ্যমৰ বিদ্যালয়তহে ছাত্ৰ-ছাত্ৰীয়ে উন্নত মানৰ শিক্ষা লাভ কৰিব পাৰে বুলি বদ্ধমূল ধাৰণাৰ সৃষ্টি হৈছে। এনে ধৰণৰ বিশ্বাস বিতৰ্কিত আৰু শিক্ষাবিদসকলেও ইয়াক নাকচ কৰিছে। চৰকাৰে ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপন কৰিলে সকলোৱে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত নামভৰ্তি কৰা আৰু অধ্যয়ন কৰাহে উচিত বুলি ভাবিব। যিসকলৰ আৰ্থিক অৱস্থা বেয়া, তেওঁলোকে অসমীয়া মাধ্যম বা আঞ্চলিক ভাষা মাধ্যমৰ চৰকাৰী বিদ্যালয়ত অধ্যয়ন কৰাৰ বাহিৰে বিকল্প নাথাকিব। দেশৰ দুই-এক ৰাজ্যত চৰকাৰী বিদ্যালয়ত আঞ্চলিক বা ৰাজ্য ভাষা মাধ্যমৰ লগতে ইংৰাজী মাধ্যমত পঢ়াৰ সুবিধাও আগবঢ়োৱা হৈছে। এনেদৰে দুটা বা একাধিক ভাষা মাধ্যমৰ বিদ্যালয় গঢ়ি উঠিছে। পৰীক্ষামূলকভাৱে অসম চৰকাৰেও এনে ধৰণৰ আৰ্হিত একাধিক মাধ্যমৰ চৰকাৰী বিদ্যালয় স্থাপন কৰিব পাৰে। বহুতে প্ৰশ্ন কৰিছে যে যিহেতু ব্যক্তিগত খণ্ডত ইংৰাজী মাধ্যমৰ বিদ্যালয় আছেই, সেয়ে চৰকাৰে ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপন কৰাৰ যুক্তি ক'ত? আন এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন হ'ল, ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ মেট্ৰিক বা উচ্চ মাধ্যমিক পৰীক্ষাৰ ফলাফল ভাল হোৱাৰ কাৰণ শিক্ষাৰ মাধ্যম নে বিদ্যালয়সমূহৰ উন্নত আন্তঃগাঁথনি, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ কৰ্তব্যনিষ্ঠা, নিয়ম-শৃংখলা, বিদ্যালয় কৰ্তৃপক্ষৰ নিৰন্তৰ পৰ্যবেক্ষণ? শিক্ষাবিদসকলৰ মতে মাধ্যম ইয়াৰ কাৰণ নহয়। উচ্চ শিক্ষাৰ বাবে ইংৰাজী ভাষা বা মাধ্যমৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিব নোৱাৰি; কিন্তু প্ৰাথমিক, উচ্চ প্ৰাথমিক তথা মাধ্যমিক পৰ্যায়ত মাতৃভাষা বা আঞ্চলিক ভাষা মাধ্যমত শিক্ষাৰ সুবিধা ছাত্ৰ-ছাত্ৰীসকলে লাভ কৰাৰ অধিকাৰ আছে আৰু এই অধিকাৰৰ পৰা তেওঁলোকক বঞ্চিত কৰা উচিত হ'ব নোৱাৰে। সেয়ে কেন্দ্ৰীয় চৰকাৰে প্ৰাথমিক তথা মাধ্যমিক পৰ্যায়লৈকে মাতৃভাষা বা আঞ্চলিক ভাষা শিক্ষাৰ মাধ্যম হ'ব লাগে বুলি নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি (২০২০)ত উল্লেখ কৰিছে।

ইংৰাজীৰ পৰিৱৰ্তে মাতৃভাষা নাইবা আঞ্চলিক ভাষা শিক্ষাৰ মাধ্যম হ'ব লাগে বুলি শেহতীয়াকৈ দেশৰ উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৱে হৰিদ্বাৰ দেৱ সংস্কৃতি বিশ্ববিদ্যালয়ত দিয়া এক গুৰুত্বপূৰ্ণ ভাষণত উল্লেখ কৰিছে। ভাৰতত ইংৰাজী ভাষাৰ ব্যাপক প্ৰসাৰ লাভত তেওঁ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। উপ-ৰাষ্ট্ৰপতি নাইডুৱে আনকি ইংৰাজী ভাষাক বিদেশী ভাষা বুলিও কয়। উপ-ৰাষ্ট্ৰপতিয়ে কয় যে ইংৰাজী মাধ্যমে শিক্ষাক দেশৰ আঢ্যৱন্ত শ্ৰেণীৰ মাজত সীমিত কৰি ৰাখিব বিচাৰে। নাইডুৱে আনকি ইংৰাজী ভাষা মাধ্যমক মেক'লেৰ শিক্ষা ব্যৱস্থা বুলি কৈছে আৰু সেয়ে ইংৰাজী মাধ্যম প্ৰত্যাখ্যান কৰিব লাগে বুলি পৰামৰ্শ আগবঢ়াইছে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ইংৰাজী মাধ্যমে আমাৰ নিজৰ ভাষা-সংস্কৃতি ঐতিহ্য পৰিহাৰ কৰাত উৎসাহ যোগাইছে আৰু ই আমাৰ ওপৰত এটা বিদেশী ভাষা জাপি দিছে। তেওঁ অতি তাৎপৰ্যপূৰ্ণভাৱে কয় যে আমি সেই দিনটোলৈ অপেক্ষা কৰি আছো যিদিনা নিজ নিজ মাতৃভাষাত চৰকাৰৰ অধিসূচনাসমূহ লিখা হ'ব। উপ-ৰাষ্ট্ৰপতি নাইডুৰ ভাষা সংক্ৰান্তীয় এনে মন্তব্যই নিশ্চয় দেশৰ নতুন ৰাষ্ট্ৰীয় শিক্ষা-নীতিকেই প্ৰতিফলন ঘটাইছে বুলি ক'ব পাৰি। ৰাষ্ট্ৰীয় শিক্ষানীতিয়েও মাতৃভাষা, স্থানীয় ভাষা বা আঞ্চলিক ভাষাত প্ৰাথমিকৰ পৰা মাধ্যমিক আৰু সম্ভৱ হ'লে উচ্চ শিক্ষা আহৰণৰ সুবিধা প্ৰদান কৰিব বিচাৰে। সেই অনুসৰি অতি সোনকালেই ইউপিএছচি তথা অন্যান্য সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাসমূহ মাতৃভাষা বা আঞ্চলিক ভাষাত অনুষ্ঠিত হোৱাৰ সম্ভাৱনা দেখা গৈছে। ইতিমধ্যে হিন্দী ভাষাত এই ধৰণৰ পৰীক্ষাবোৰত হিন্দী ভাষী ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকল অৱতীৰ্ণ হৈছে আৰু সুফল লাভ কৰিছে। এদিন অন্যান্য আঞ্চলিক ভাষা-ভাষী প্ৰাৰ্থীসকলৰ বাবেও নিশ্চয় এনে সুবিধা উপলব্ধ হ'ব। যদিহে সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাসমূহ মাতৃভাষা বা আঞ্চলিক ভাষাত দিয়াৰ সুবিধা উপলব্ধ হয়, তেন্তে আমাৰ নাইবা দেশৰ আনবোৰ ৰাজ্যৰ ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলৰ নিজ নিজ মাতৃভাষা বা আঞ্চলিক ভাষা মাধ্যমত অধ্যয়নৰ প্ৰতি আগ্ৰহ বাঢ়িব। হিন্দী ভাষী ৰাজ্যবিলাকত বিশেষকৈ বিহাৰ, উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ, উত্তৰাখণ্ড আদিত ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলৰ মাজত ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অধ্যয়ন বা নামভৰ্তি কৰাৰ ক্ষেত্ৰত অন্ধ অনুকৰণ দেখা নাযায়। ইয়াৰ কাৰণ হ'ল হিন্দী ভাষাৰ বহুল ব্যৱহাৰ আৰু সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাসমূহ হিন্দী ভাষাতে দিয়াৰ সুবিধা। একে ধৰণৰ সুবিধা যেতিয়া অসমীয়া বা বাংলাভাষী ছাত্ৰ-ছাত্ৰীয়েও লাভ কৰিব, তেতিয়া তেওঁলোকেও নিশ্চয় ইংৰাজী মাধ্যমৰ পৰিৱৰ্তে নিজৰ মাতৃভাষা অসমীয়া বা বাংলা মাধ্যমৰ বিদ্যালয়ত অধ্যয়নত অৰ্থাৎ চৰকাৰী বিদ্যালয়বিলাকত অধ্যয়নৰ বাবে অধিক আগ্ৰহ প্ৰকাশ কৰিব।

উপ-ৰাষ্ট্ৰপতি নাইডুৱে ইংৰাজী মাধ্যমে ভাৰতীয় বা আঞ্চলিক জাতি-জনগোষ্ঠীয় ভাষা-সংস্কৃতি-পৰম্পৰাসমূহৰ ক্ষতি কৰিছে বুলি উদ্বেগ প্ৰকাশ কৰি ইংৰাজী মাধ্যম পৰিহাৰ কৰিবলৈ আহ্বান জনোৱাটোও নিশ্চয় অৰ্থপূৰ্ণ। ইংৰাজী মাধ্যমক মেক'লেৰ শিক্ষা ব্যৱস্থা বুলি কোৱাটোও তাৎপৰ্যপূৰ্ণ। মেক'লেৰ শিক্ষানীতিৰ মূল উদ্দেশ্য আছিল ইংৰাজ উপনিৱেশবাদী শাসন ব্যৱস্থাক সহায়-সমৰ্থন কৰা। দেশৰ প্ৰাদেশিক ভাষা-সংস্কৃতিৰ সংৰক্ষণ তথা সুৰক্ষা আৰু বিকাশ ইয়াৰ উদ্দেশ্য নাছিল। এই ক্ষেত্ৰত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ স'তে জড়িত শিক্ষাবিদ, বুদ্ধিজীৱী, নেতা-নেত্ৰীসকলে জাতীয়তাবাদী আদৰ্শ আৰু জাতীয়তাবাদী কলা-সংস্কৃতি-ঐতিহ্যৰ বাবে সচেতন-সক্ৰিয় হোৱাটো আছিল গুৰুত্বপূৰ্ণ। তেওঁলোকে মাতৃভাষাসমূহৰ সুৰক্ষা তথা বিকাশৰ বাবে কাম কৰিছিল। তেওঁলোকে উপনিৱেশবাদী শাসনৰ বিৰুদ্ধে যুঁজ দিয়াৰ উপৰি জাতীয়তাবাদী আদৰ্শ, আঞ্চলিক ভাষা-সাহিত্য-সংস্কৃতিৰ সুৰক্ষা তথা বিকাশৰ বাবেও সৃষ্টিশীল কৰ্মত নিজকে নিয়োজিত কৰিছিল। এই ক্ষেত্ৰত অম্বিকাগিৰী ৰায়চৌধুৰীৰ পৰা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালালৈকে অসমৰ জাতীয়তাবাদী জাগৰণৰ নেতৃত্বকাৰী ভাষা-সাহিত্য-সংস্কৃতিৰ কাণ্ডাৰীসকলৰ নাম চিৰস্মৰণীয়; কিন্তু আজি এই জাতীয়তাবাদী ধাৰাটো যেন শুকাই গৈছে। ইয়াৰ ঠাইত বিদেশী ভাষা-সংস্কৃতি, বিদেশী উপভোক্তাবাদী সংস্কৃতি অধিক শক্তিশালী আৰু প্ৰভাৱশালী হৈ পৰিছে। উপ-ৰাষ্ট্ৰপতিয়ে সেয়ে ইংৰাজী মাধ্যমক মেক'লেৰ শিক্ষা ব্যৱস্থা বুলি তীব্ৰ কটাক্ষ কৰিছে। কেন্দ্ৰৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি (২০২০)য়ে মেক'লেৰ শিক্ষানীতিক চিৰদিনৰ বাবে বিদায় দিয়াৰ বাবেই প্ৰস্তুতি চলাইছে বুলি আশা কৰা হৈছে। মাতৃভাষা তথা আঞ্চলিক ভাষাসমূহ, সংস্কৃতি-ঐতিহ্যসমূহ সুৰক্ষা আৰু বিকাশ নতুন শিক্ষানীতিৰ অন্যতম প্ৰধান উদ্দেশ্য। এই শিক্ষানীতিয়ে এখন বৈচিত্ৰ্যপূৰ্ণ ঐক্যবদ্ধ ভাৰত গঢ়ি তুলিব বুলি আশা কৰা হৈছে।

# দুঃসময়ত তিষ্ঠি থকাটোৱেই বিজয়

## ধৰ্ম হৈছে মানুহৰ সৎ গুণাৱলীৰ সমাহাৰ



### আত্মজিজ্ঞাসা

কানাডাৰ পৰা মুস্তাফিজুৰ ৰহমান

**উচ্চতৰ** মাধ্যমিক পৰীক্ষাৰ ৰিজাল্ট দিলে। স্থান লাভ কৰা প্ৰাৰ্থীসকলক লৈ কিমান হৈ-চৈ। সম্বৰ্ধনা, শোভাযাত্ৰা, অভিনন্দন। বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত ছবি। টেলিভিছনৰ পৰ্দাত লাইভ টেলিকাষ্ট। ভাল ফল লাভ কৰিব নোৱৰাসকল পৰি ৰ'ল একাষত অৱহেলিত হৈ। দুঃসময়ত তিষ্ঠি থকাটোৱেই বিজয়। তিষ্ঠি থাকিবলৈ হ'লে মনত বল থকাৰ প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীবোৰক কথা এটা ক'ব বিচাৰিছো। তোমালোকে পৰীক্ষা দিছা। সেই পৰীক্ষাত তুমি তোমাৰ সহপাঠীৰ স'তে প্ৰতিযোগিতাত নামিছা। সেই প্ৰতিযোগিতাত তোমালোকে কোনোৰে তোমালোকৰ সহপাঠীবোৰক পাছ পেলাই আগুৱাই গৈছা। সঁচা জীৱন কিন্তু প্ৰতিযোগিতাৰ জীৱন নহয়। তাত কাকো পাছ পেলাই আগুৱাই যোৱাৰ প্ৰয়োজন নাই। সঁচা জীৱন হৈছে সহযোগিতাৰ। তাত কোনো প্ৰতিযোগিতা নাই। প্ৰতিযোগিতা কেৱল এঠাইত। সেয়া হৈছে নিজৰ স'তে প্ৰতিযোগিতা। এতিয়া য'ত, এবছৰ পাছত তাৰ পৰা কিমানদূৰ আগুৱাই যাব পাৰা তাৰেই প্ৰতিযোগিতা।

Life is an opportunity,
Benifit from it.
Life is a beauty,
Admire it.
Life is a dream,
Realize it.
Life is a  challenge,
Meet it.
Life is a game,
Play it.
Life is a promise,
Fulfil it.
Life is a song,
Sing it.
Life is a struggle,
Accept it.
Life is a tragedy,
Confront it.
Life is an adventure,
Dare it.
Life is luck, make it.
Life is life, fight for it.

– Mother Teresa

**দুই**

চাৰ্লি চেপলিন আছিল এগৰাকী বিখ্যাত অভিনেতা। অভিনয়ৰে সমগ্ৰ পৃথিৱীৰ মানুহক হঁহুৱাইছে; কিন্তু নিজে ভিতৰি ভিতৰি কান্দিছিল সমগ্ৰ জীৱন। যি ক্ৰন্দন স্বাৰ্থপৰ মানুহে কেতিয়াও দেখা নাই। দেখাৰ চেষ্টাও কৰা নাই। বাণিজ্যিক পৃথিৱীৰ মানুহ চাৰ্লি চেপলিনৰ দৰে অভিনেতাক বজাৰৰ পণ্য বনাই হাঁহিছে বহুত। অথচ নিজকে অভিনয়ত বিলাই দি যিগৰাকী মানুহ দিনৰ পাছত দিন ত্যাগৰ মন্ত্ৰৰ দ্বাৰা তাড়িত হৈছে, তেওঁৰ সেই ত্যাগক মানুহে টকাৰ অংকত পৰিমাপ কৰিলেও জীৱনবোধৰ গভীৰতাৰে পৰিমাপ কৰা নাই। তেওঁৰ অভিনয় মানুহে দেখিছে। মানুহ হিচাপে তেওঁৰ আত্মত্যাগক দেখা নাই। তেওঁৰ জীৱনৰ অন্তৰালৰ গল্পবোৰ কোনেও কাণপাতি শুনা নাই। নিজে দুখৰ বহ্নিত জ্বলিছিল বাবেই মানুহক সুখৰ আনন্দত ভহাইছিল। নিজৰ ভিতৰৰ অপূৰ্ণতাক অন্ধকাৰত ৰাখি মানুহৰ পৃথিৱীত জোকাৰ সাজিছিল। নিজৰ ভিতৰৰ মানুহটোক সমগ্ৰ জীৱন অদৃশ্য ৰাখি মানুহৰ বিনোদনৰ উপাদানত পৰিণত হৈছিল। হয়তো মানুহৰ ওচৰত মানুহ হিচাপে তাৰ কোনো মূল্য নাছিল। মূল্য আছিল তেওঁৰ নিৰ্বাক অভিনয়ৰ। সেই অভিনয় আৰু অভিনেতাৰ বাহিৰৰ মানুহটোক কেতিয়াও স্বাৰ্থপৰ মানুহ অন্তৰেৰে অনুভৱ কৰা নাই। নিজৰ হাঁহিক কান্দোনত ডুবাই চাৰ্লি চেপলিনে কৈছিল ঃ 'মই বৰষুণত খোজ কাঢ়িবলৈ ভালপাওঁ; কিয়নো তেতিয়া মোৰ চকুপানী কোনেও দেখা নাপায়।' এনেকৈয়ে অৱলীলাক্ৰমে নিজৰ ভিতৰৰ মানুহটোক নিজে বাৰে বাৰে দেখিছে। খুব সহজ জীৱনবোধেৰে কঠিন সত্যৰ ভিতৰৰ সত্যক দেখি চকু ক্ৰন্দনত ভিজিলেও বুৰ্বকৰ দৰে হাঁহিছে। কেতিয়াবা কৈছিল ঃ মোৰ দুখ-কষ্টবোৰ কাৰো কাৰো হাঁহিৰ কাৰণ হৈ থাকিব পাৰে; কিন্তু মোৰ হাঁহিবোৰ যেন কেতিয়াও কাৰো দুখৰ কাৰণ হৈ নপৰে। কেতিয়াবা কৈছিল ঃ মোৰ সবাতোকৈ ভাল বন্ধু হৈছে দাপোণ। কাৰণ মই যেতিয়া কান্দো দাপোণে নাহাঁহে।

জীৱনৰ মাজত জীৱনক বিচাৰি ফুৰিছে। ক্ৰমাগত, কূল কিনাৰ পোৱা নাই। কেতিয়াবা কৈছে ঃ মোৰ কষ্ট ওঁঠেও নাজানে, সেয়ে সকলো সময়ত হাঁহে। মঞ্চ আৰু চিনেমা কঁপোৱা জীৱন্ত অভিনেতাৰ শিল্পক দেখিছে মানুহে অথচ টোপনিত মৃত্যুক আলিংগন কৰা চাৰ্লি চেপলিন নামৰ ত্যাগী আৰু সাধাৰণ মানুহটোক কেতিয়াও বিচৰা নাই কোনোৱে। হয়তো এয়াই পৃথিৱীৰ নিয়ম।

**তিনি**

বিজ্ঞান ইহজাগতিক, ধৰ্ম আধ্যাত্মিক। বিজ্ঞান বস্তুবাদী, ধৰ্ম ভাববাদী। য'ত যিমান জীৱনবাদিতা ইহজাগতিকত বস্তুবাদিতা তাত বিজ্ঞানৰ সিমানেই প্ৰসাৰ। মোৰ অন্তৰংগ বৈজ্ঞানিক বন্ধু জনছন কেনেডী নাস্তিক। তাৰ মতে ঈশ্বৰ মানুহৰ সৃষ্টি। যিকোনো নিৰ্বোধৰ পক্ষে ধাৰ্মিক হোৱা সহজ; কিন্তু কেৱল জ্ঞানী আৰু মানৱীয় ব্যক্তিয়েই হ'ব পাৰে নাস্তিক। মই তাক কওঁ তুমি আচলতে পাগল। পাগল বাবেই জীৱনৰ চব কিছু বিসৰ্জন দি দিনে-ৰাতি লেব'ৰেটৰীত যন্ত্ৰপাতি লৈ ব্যস্ত। বন্ধুৱে উত্তৰ দিয়ে— আমাৰ দৰে পাগলবোৰৰ বাবেই তোমাৰ জীৱন আজি অজস্ৰ ইলেক্ট্ৰনিক গেজেটৰ মহাপ্লাৱনত ভাহি গৈছে।

কিন্তু কথা হ'ল, সেয়া আশীৰ্বাদ নে অভিশাপ? মানুহ এজনৰ গাড়ী এক্সিডেন্ট হ'ল। চেলফোনেৰে নাইন ৱান ৱান কল কৰিলে। লগে লগে এম্বুলেন্স আহি মানুহজনৰ প্ৰাণ ৰক্ষা কৰিলে। চেলফোনৰ প্ৰশংসা কৰা হ'ল। এক্সিডেন্টটো কিন্তু চেলফোনত কথা পাতি পাতি গাড়ী চলোৱাৰ বাবেই হৈছিল।

লেব'ৰেটৰী এদিন সম্পূৰ্ণ বাদ দি বন্ধুক মান্তি কৰালো প্ৰকৃতিৰ অফুৰন্ত সৌন্দৰ্য উপভোগ কৰিবৰ বাবে। জহকালিৰ এক পূৰ্ণিমাৰ ৰাতি। খোৱাবস্তু চাহ, কফি লৈ ওলালো চহৰৰ বাহিৰৰ পাহাৰৰ টিলা এটাৰ ওপৰত বহি সমগ্ৰ ৰাতি কটাবৰ বাবে। বন্ধুৱে হুইস্কীৰ বটল এটাও ল'লে। মই ক'লো— সেয়া নহ'ব। মদ, হুইস্কী একো নচলিব। মস্তিষ্কত সুৰাৰ প্ৰভাৱ পৰিলে প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য উপভোগ কৰিব নোৱাৰিবা। ইতস্ততঃ কৰি বন্ধু মান্তি হ'ল। পাহাৰৰ টিলাত বহি জোনাকৰ ৰূপ চাই উজাগৰে কটালো সমগ্ৰ ৰাতি। প্ৰাণময়ী প্ৰকৃতি হেৰাই গৈছে জোনাকৰ সাগৰত। একাকাৰ হৈ গৈছে নিসৰ্গৰ অন্তহীনতাৰ স'তে। দৃশ্যটো পাহৰিব নোৱাৰা। ইংৰাজীত ইয়াকেই ছাগে কয় চুৰিয়েল। মই বন্ধুক ক'লো— জীৱনটো একঘেয়ামি হৈ গ'লে সেয়া মানি ল'ব লাগিব বুলি কোনে কৈছে? জীৱনটো চকুৰ পলকতে ৰঙীন কৰা যায়।

মোক আচৰিত কৰি বন্ধুৱে ক'লে ঃ পৃথিৱীত ইমান মানুহ। প্ৰতিটো মানুহৰ সমৰ্পণ আৰু সম্পৰ্ক তাৰ নিজ প্ৰভুৰ স'তে বেলেগ। প্ৰতিটো মানুহৰ স'তে বিধাতা তাত একাকী।

'The art of life lies in a consatnt readjustment of our surroundings'.

– Okakura Kukuzo

**চাৰি**

কেইটামান দিনৰ ব্যৱধানত দেশত কে'বাটাও আত্মহত্যাৰ ঘটনা ঘটিছে। আত্মহত্যাৰ ঘটনা কম-বেছি পৃথিৱীৰ সকলো দেশতে ঘটে। পৃথিৱীৰ ধনী এখন দেশ ছুইজাৰলেণ্ডত আত্মহত্যাৰ ঘটনা বহুত বেছি। কানাডাতো ঘটে। টৰেন্টো আৰু মন্ট্ৰিয়েল চহৰৰ দুখন ব্ৰীজৰ নামেই হৈ পৰিছে ছুইছাইড ব্ৰীজ। কাৰণ এই ব্ৰীজৰ পৰা জঁপিয়াই আত্মহত্যা কৰাৰ ঘটনা প্ৰতি বছৰেই ঘটে; কিন্তু কানাডাৰ সংবাদপত্ৰত এই ধৰণৰ খবৰ প্ৰকাশিত নহয়। প্ৰকাশিত নোহোৱাৰ কাৰণ এনে ধৰণৰ— সংবাদে হতাশাগ্ৰস্ত যিকোনো লোকক মুক্তিৰ সহজ পথৰ নিৰ্দেশনা দিব পাৰে। আত্মহত্যাৰ বাবে উৎসাহী হৈ উঠিব পাৰে।

নিজৰ জীৱনটোক যিয়ে নিজেই শেষ কৰি দিয়ে, সি কাপুৰুষ। কেৱল কাপুৰুষেই নহয়, খুব স্বাৰ্থপৰ। কেৱল নিজৰ কথাই চিন্তা কৰে। আত্মীয়-স্বজন কাৰো কথাই নাভাবে এবাৰ। বহুতকে দুখ দি বিচাৰে মুক্তিৰ পথ। আত্মহত্যা এক ক্ষমাহীন অপৰাধ।

**নিজৰ জীৱনটোক যিয়ে নিজেই শেষ কৰি দিয়ে, সি কাপুৰুষ। কেৱল কাপুৰুষেই নহয়, খুব স্বাৰ্থপৰ। কেৱল নিজৰ কথাই চিন্তা কৰে। আত্মীয়-স্বজন কাৰো কথাই নাভাবে এবাৰ। বহুতকে দুখ দি বিচাৰে মুক্তিৰ পথ। আত্মহত্যা এক ক্ষমাহীন অপৰাধ।**

আচলতে মানুহৰ সবাতোকৈ ডাঙৰ লোভ জীয়াই থকাৰ লোভ। জীৱনত বহু মানুহক লগ পাইছো জীৱনৰ দুখ-যন্ত্ৰণাক চকুৰ পানীৰে নহয়, স্বপ্নৰে কৰিছে জয়। আশাৰে কৰিছে দূৰ হতাশা। ধৈৰ্যৰে পাৰ হৈছে অসীম অন্ধকাৰ ৰাতি।

'A handfull of patience
Is worth more than a
Bushel of brains.

– Dutch Proverb

**পাঁচ**

কানহাইয়া লালক ডিঙি কাটি হত্যা কৰিলে দুই মৌলবাদী মুছলমানে। এই ক্লেদাক্ত নৃশংসতাতো মানুহৰ প্ৰকৃত ৰূপ হ'ব নোৱাৰে। তাতে আকৌ ধৰ্মৰ নামত। যি ধৰ্মৰ অৰ্থ শান্তি।

প্ৰতিটো খুনৰ ৰং লাল
প্ৰতিটো হত্যাই মানৱতাৰ অপমান
আত্মঘাতী মুছলমান
যেন বৰ্বৰ তালিবান
বৰ্বৰে বৰ্বৰতাৰ বাহিৰে
আন কিনো দিব দান?

**ছয়**

মহাৰাষ্ট্ৰৰ শিৱসেনাৰ বিদ্ৰোহী বিধায়ক আহি শিবিৰ পাতিলে সুদূৰ গুৱাহাটীৰ ৰেডিছন ব্লুত। মুখ্যমন্ত্ৰীয়ে ভাল পালে। ক'লে ৰাজ্যৰ জিএছটি বাঢ়িব; কিন্তু সেয়া সঁচা জানো? ৰেডিছন ব্লুত ১৯৬টা কোঠা। বিদ্ৰোহী বিধায়কবোৰ থাকিল ৭০টা কোঠাত। চৰকাৰে তেওঁলোকৰ নিৰাপত্তাৰ বাবে খৰচ কৰিলে হেজাৰ হেজাৰ টকা। নিৰাপত্তাৰ খাতিৰত হোটেলখনতো বাকী কোঠাৰ বুকিং বাতিল কৰিলে। লোকচান হ'ল হোটেলখনৰ। দেশৰ জানো হ'ল ভাল? মিছা ক'লে হ'ব কি ডাল?

বিদ্ৰোহী বিধায়কবোৰে গুৱাহাটী এৰাৰ আগতে গ'ল কামাখ্যা ধামলৈ। বিধায়কবোৰৰ স'তে গাড়ীৰ একেবাৰে শেষ ছিটত দেখা গ'ল তিনি পি'ক। পীয়ুষ, পল্লৱলোচন আৰু পাৰ্থ সাৰথিক।

ৰাইজ আছে বানৰ মাজত ককবকাই। চৌদিশে পানীয়ে পানী, খাবলৈ কিন্তু এটুপি নাই। বিচাৰি ফুৰিছে ক্ষুধাৰ অন্ন ৰাতিৰ আন্ধাৰ দুহাতেৰে গুচাই।

**সাত**

এজন হোমিঅ'পেথিক ডাক্তৰ আছিল। তেওঁৰ এযোৰ নহয়, দুযোৰ নহয়, তিনিযোৰ চশ্মা। কৌতুহল ঢাকি ৰাখিব নোৱাৰি সুধিলো ঃ দাদা, আপোনাৰ তিনিযোৰ চশ্মা কিয়? হোমিঅ'পেথিক ডাক্তৰজনে উত্তৰ দিলে— এযোৰ দূৰৰ বস্তু দেখিবৰ বাবে। এযোৰ ওচৰৰ বস্তু দেখিবৰ বাবে আৰু আনযোৰ এই দুযোৰ চশ্মা বিচাৰি উলিয়াবৰ বাবে।

সমুজ্জ্বল ভট্টাচাৰ্যক মোৰ হোমিঅ'পেথিক ডাক্তৰজনৰ এই তিনি নম্বৰ চশ্মাযোৰ যেন ধাৰণা হয়।

**আঠ**

ধৰ্ম হৈছে মানুহৰ সৎ গুণাৱলীৰ সমাহাৰ। — ছক্ৰেটিছ

ফোন ঃ ০০১৪০৩২৭০১৮১৭

## বেৰাৰ বল কামি নাৰীৰ বল স্বামী

মনোজ কুমাৰ ভট্টাচাৰ্য



— হেৰি, আপুনি যে দিনে দিনে বহুত সলনি হৈ গৈ আছে গম পায়নে নাপায়? কথাটো কিন্তু ভাল হোৱা নাই।

— যুগেই সলনি হৈছে যেতিয়া মইনো কোন কুটা। দেখা নাই চৰকাৰৰ পৰিৱৰ্তনৰ কোবাল ধুমুহা বলিব লাগিছে। আমি কেনেকৈ থিৰেৰে থাকিমহে?

— আপোনাৰ বয়স যে হৈছে সেইটো পাহৰি গৈছে নেকি?

— কি কোৱাহে তুমি? বয়স অকল মোৰেই হৈছেনে? তোমাৰ জানো হোৱা নাই? প্ৰতিটো পলত পৃথিৱীৰ প্ৰত্যেকজন মানুহৰ সমহাৰত বয়স বাঢ়ি গৈ আছে। লগতে সমহাৰত কমি গৈ আছে আয়ুস। সেইটোও ক'বলগীয়া কথানে?

— আপুনি এজন গণ্য-মান্য সাহিত্যিক হিচাপে আমাৰ সমাজত পৰিচিত। গতিকে ভাবি-চিন্তি কিছুমান কাম কৰা উচিত। যিকোনো কাম আপুনি কৰিলে শোভা নাপায়।

— তোমাৰ মুখত আজি মোৰ এনে প্ৰশংসা? মোক গণ্য-মান্য ব্যক্তি বুলি তুমি আজি স্বীকৃতি দিছা? ধন্য হ'লো মই। আজি ভাৰত ৰত্ন পোৱা হ'লেও মই ইমান উৎফুল্লিত নহ'লোহেঁতেন, যিমান হৈছো তোমাৰ মুখত মোৰ জয়গান শুনি। সঁচাকৈয়ে তুমি মোৰ লখিমী পৰিবাৰ।

— আপুনি ৰোগাক্ৰান্ত ব্যক্তি বুলি কেতিয়াবা অনুভৱ কৰেনে কওকচোন?

— কি কথা কোৱাহে তুমি? এইখন জগতত এজনো নৰমনিচ এদিনো ৰোগৰ পৰা মুক্ত হৈ থাকিব পাৰিছে জানো? কম-বেছি পৰিমাণে কিবা নহয় কিবা এটা বেমাৰত আক্ৰান্ত হৈয়েই আছে। মইনো কেনেকৈ হাত সাৰি থাকিব পাৰিম?

— আপুনি মেলে-মিটিঙে শোষণৰ বিৰুদ্ধে যিবোৰ সাৰুৱা ভাষণ দিয়ে, কাকতে-পত্ৰে যিবোৰ ত্যাগ আদৰ্শৰ কথা লিখে, গল্প-উপন্যাসত যিবোৰ মহান চৰিত্ৰ অংকন কৰে তাৰে কেই শতাংশ নিজে পালন কৰে কওকচোন?

— সঁচা কথা ক'বলৈ গ'লে মই এক শতাংশও পালন নকৰো। যিয়ে পাৰে কৰক। মই পাৰিলেহে কৰিম, নোৱাৰিলে মোৰ উপাই নাই।

— সেইটো মই জানোৱেই। ইমান বছৰে দেখি থকা নাই জানো। উপদেশ দিয়াটো সহজ, আৰ্হি দেখুওৱাটোহে টান।

— শুনা, মোৰ উপদেশে যদি সমাজত এক লাখ লোকক উপকৃত কৰে, সৎ আদৰ্শবান কৰে, সেইটো ভাল নে মই নিজে আৰ্হি দেখুৱাই সমাজত এজন মাত্ৰ মহান ব্যক্তি হৈ থকা ভাল কোৱাচোন? মই যি কৰো আনৰ ভালৰ বাবেই কৰো বুজিছা?

— ভালৰ বাবেই যদি কৰে, আপোনাক সকলোৱে সমালোচনা কৰে কিয়।

— কাম এটা কৰিলে হয় ভুল হ'ব, নহয় শুদ্ধ হ'ব। কিবা এটা হ'বই। কাম কৰিলে সমালোচনা থাকিবই। একো নকৰিলে মোক কোনে কিহৰ বাবে সমালোচনা কৰিব কোৱাচোন?

— হ'লেও আপোনাৰ বদনাম যে তুংগত উঠিছে সেইটো মন কৰিছেনে?

— এহ, মোৰ সদনামে যে শৃংগ বগাইছে, সেইটো হ'লে তুমি নেদেখা। তুমি কেৱল মোৰ বদনামটোহে শুনা। তোমাৰ চকুৰ আগতে পেঞ্চন পালো, কিমান বঁটা পালো, কিমান সন্মান, স্বীকৃতি পালো তুমি জানো দেখা নাই?

— আপুনি দানৰ বিষয়ে যে সিদিনা লিখিছিল— অসমীয়া মানুহে দান দিবলৈ আগ্ৰহী নহয়, আপুনি কোনোবাদিনা ক'ৰবাত কিবা দান দি পাইছেনে?

— নাই দিয়া, ময়ো যে অসমীয়া, সেই বাবেই দিয়া নাই আৰু দিব পৰা নাই বাবেই লিখিব পাৰিছো। কোনোবাই দান দিলেও মোৰ দৰে লিখিব পাৰিছে জানো?

— আপুনি কথাই প্ৰতি নীতিৰ কথা কয়। কিন্তু আপুনি কি নীতিত চলে মই আজিলৈকে হ'লে নুবুজিলো।

— হেৰা, তুমি মোৰ পৰিবাৰ হয়নে নহয়? আজিলৈকে তুমিয়েই যদি মোৰ নীতি নুবুজিলা, তেনেহ'লে আনে কি বুজিব কোৱাচোন?

— আনে বুজিব নালাগে দিয়ক, নিজে বুজি পায় যদি কওকচোন আপোনাৰ নীতি কি?

— মোৰ নীতি কি জানা? বহিব পালে মই থিয় হৈ নাথাকো আৰু শুব পালে মই বহি নাথাকো।

— আপুনি বৰ আত্মকেন্দ্ৰিক, স্বাৰ্থপৰ লোকহে।

— সেইবাবেইতো মই সমাজত উচ্চ আসন লাভ কৰিব পাৰিছো। আজিৰ যুগত এইবোৰ একো-একোটা ডাঙৰ ডিগ্ৰী বুজিছা?

— আপোনাৰ অভাৱ কি কওকচোন মোক?

— অভাৱ মোৰ একো নাই। চাৰিওফালে নদন-বদন, জয় জয় ময় ময়। পিছে এই প্ৰশ্নটো তুমি কৰিলা কিয়? এটা কথা মনত ৰাখিবা বেৰাৰ বল কামি, নাৰীৰ বল স্বামী। মই গুণী-জ্ঞানী, ধন-মানী হ'লেহে তোমাক ৰাণী কৰি ৰাখিব পাৰিম। সেইটোৱেই মোৰ প্ৰধান লক্ষ্য আৰু একমাত্ৰ উদ্দেশ্য।

— কি?

— উ। তুমি বহু কথা এতিয়াও নজনা হৈয়ে আছা। শুনা, তুমি যদি টকা থকা বুলি কোৱা তেতিয়া আনে বিচাৰিব আৰু যদি নথকা বুলি কোৱা তেনেহ'লে বিপদতো কোনেও তোমাক সহায় নকৰিব। গতিকে কেতিয়া কি কথা কাক ক'ব লাগে সেইটো নাজানিলে মৰি যাবা।

— কথাই কাল, বেছি কথা নোকোৱাই ভাল। আপোনাক কৈ জানো কিবা লাভ হ'ব?

— মই কায়দা কৰি ফইদা লোৱাত পাকৈত বুজিছা। মোক এলাপেচা সাহিত্যিক বুলি ভাবিছা নেকি? মই যেনে লেখক তেনে শোষকো। মোক ভয়ো কৰে যিমান, ভক্তিও কৰে সিমান।

— যি ভাল দেখে আপুনি তাকেই কৰক। পিছে এটা কথা মনত ৰাখিব আপোনাৰ যিমানে বাঢ়িছে ধনৰ লোভ, মোৰো কিন্তু সিমানে বাঢ়িছে মনৰ ক্ষোভ। বুজিলেনে?

— কি ?

ফোন ঃ ৯১০১৭৭৪৮৬৮

## মই তোমাক বিয়াই কৰালোহেঁতেন

ৰিজু হাজৰিকা

**এদিন** এজন ৰাজকুমাৰে তেওঁৰ ফল-মূলৰ সুন্দৰ বাগিচাখনত সোমাই ঘূৰি ফুৰিছিল। এনেকৈ ঘূৰি ফুৰোতে তেওঁৰ হঠাৎ মনত খেলালে— এই বাগিচাৰ গছবোৰে মোক কি দিব পাৰিছে? এই লাগনি গছবোৰৰ ময়েই মালিক নে? ইত্যাদি কথাবোৰে তেওঁৰ মনটোত খেলি-মেলি লগাই দিলে।

তেওঁ তেতিয়া এজোপা আমগছৰ ওচৰলৈ গৈ সুধিলে— তুমি মোৰ কাৰণে কি কাম কৰি দিবা? তেতিয়া আম গছজোপাই ক'লে— যেতিয়া আপুনি গৰমত ছাটি-ফুটি থাকিব তেতিয়া মোৰ গছৰ আমবোৰ পকিব আৰু সুস্বাদু হৈ পৰিব। আপোনাৰ বাগিচাৰ কৰ্মচাৰীসকলে সেইবোৰ ছিঙি নি আপোনাক দিব। আপুনি সেইবোৰ খাব আৰু আপোনাৰ ঘৰলৈ অহা আলহী-অতিথিবোৰক খুৱাব। এই কথাত ৰাজকুমাৰ বৰ সন্তুষ্ট হ'ল আৰু আম গছজোপাক ক'লে— ধন্যবাদ, তুমি এইটো ভাল কাম কৰিছা।

ইয়াৰ পাছত ৰাজকুমাৰ এইবাৰ বৃহৎ বট গছৰ ওচৰলৈ গ'ল। এই বট গছে মানুহে খাব পৰা একো ফল নিদিয়ে। ৰাজকুমাৰে বটজোপাক সুধিলে— তুমিনো মোৰ কাৰণে কি কাম কৰি দিব পাৰা? তোমাৰ ফল মানুহে নাখায়। গতিকে তুমি মোৰ কাৰণে মানে মানুহৰ কাৰণে একো উপকাৰত নহা গছ। তেতিয়া বট গছজোপাই ক'লে— মই মানুহক খুৱাব পৰা একো ফল দিব নোৱাৰো সঁচা, কিন্তু মোৰো এটা নিজস্ব কাম আছে, মোৰ এই ডালবোৰে সৰু সৰু চৰাইবোৰক আশ্ৰয় দিয়ে। সিহঁতে ৰাতিপুৱাই চিঞৰি চিঞৰি মানে গান গাই তোমালোকক বিছনাৰ পৰা উঠিবলৈ বাধ্য কৰি দিয়ে। নহ'লে তোমালোকে ৰাতিপুৱা বিছনাৰ পৰা কেতিয়াও নুঠা। আৰাম কৰি বাগৰি থাকা আৰু নিজৰ কাম পাহৰি যোৱা। তদুপৰি ডালবোৰে আৰু এটা ভাল কাম কৰে, তোমালোকৰ ভেৰা ছাগলীবোৰক, গৰুবোৰক জিৰণি ল'বলৈ আশ্ৰয় দিয়ে। সিহঁতৰ দুখ-কষ্টৰ কথা ভাবিবলৈ তোমালোকৰ আহৰিয়েই নাই। ৰাজকুমাৰে তেতিয়া ক'লে— বৰ ভাল কাম কৰা তোমালোকে। হয় আমি মানুহবোৰে গৰু-ছাগলীবোৰৰ কষ্টৰ কথা মুঠেও নাভাবো, অথচ সিহঁত নহ'লে খাবলৈ একো নাপালোহেঁতেন। মানুহ বৰ স্বাৰ্থপৰ।



ইয়াৰ পাছত ৰাজকুমাৰ গ'ল এখন বিশাল ঘাঁহনি পথাৰলৈ। সিমূৰ-ইমূৰ নেদেখা পথাৰ। তাত ঘাঁহবোৰ চপচপীয়া পানীত  ডুব গৈ আছে। কিন্তু সেই ঘাঁহবোৰৰ ওপৰত ফুলি আছে— অগণন মকুৰা ফুল। ফুলবোৰ ৰঙা, বগা, সেউজীয়া। দেখিলেই মন-প্ৰাণ হৰি নিয়ে। এইবোৰক আমি ভেট ফুল বুলিও কওঁ।

ৰাজকুমাৰ ফুলবোৰৰ ওচৰলৈ গ'ল। তাৰ পাছত সুধিলে— হে মোৰ সৰু সৰু ভেট ফুলবোৰ, তোমালোকে মোক কি দিব পাৰা? তেতিয়া ফুলবোৰে ক'লে— হে ৰাজকুমাৰ, আমি তোমাক একো দিব নোৱাৰো সঁচা, নে তোমালোকৰ গৰু-ছাগলীক, ভেঁৰাবোৰক কোনো পুষ্টিকৰ খাদ্য দিব পাৰো, নে সৰু সৰু চৰাইবোৰে বাহ সাজিব পৰাকৈ ডাল-পাত দিব পাৰো, নে সিহঁতক কিবা পুষ্টিকৰ খাদ্য দিব পাৰো, নে মানুহে জিৰণি ল'বলৈ  ডাল-পাত দিব পাৰো। আমি কেৱল তোমালোকে উপভোগ কৰিবলৈ তোমালোকক সৌন্দৰ্য দিব পাৰো। মানুহ সদায় সৌন্দৰ্য উপভোগ কৰিবলৈ পাগল। সেই কাৰণে তোমালোকে সৌন্দৰ্য উপভোগৰ ঠাই আৰু সমল বিচাৰি ঘূৰি ফুৰা। নহয়নে?

ৰাজকুমাৰৰ অন্তৰ এই কথাবোৰে নম্ৰ কৰি পেলালে। তেওঁ অভিভূত হ'ল। তেওঁ আঁঠু কাঢ়ি এটা ভেট ফুলক ক'লে— তোমাৰ কথাবোৰে মোৰ অন্তৰ চুই গৈছে। তাৰ পাছত ৰঙা ভেট ফুল এটাক চুমা খাই ক'লে— বৰ ভাল কাম তোমালোকৰ। তোমালোকৰ দৰে এই পৃথিৱীত কোনো হ'ব নোৱাৰে। তোমালোকৰ সৌন্দৰ্যই মোক মোহিত কৰিছে। গতিকে তোমাক মই সদায় মোৰ কোটৰ বুটামত লৈ ফুৰিম— যাতে মই ভাবিব পাৰো। তুমি সদায় মোৰ লগতে আছা। মই কৰবালৈ গ'লে তোমাকো লগত লৈ যাম, মই যি খাওঁ— তোমাকো খুৱাম, কিবা ডাঙৰ ফাংচন চাবলৈ গ'লে তোমাকো লৈ যাম। আৰু এটা কথা— তুমি হাঁহি মাতি কথা ক'ব পৰা হ'লে মই তোমাক বিয়াই কৰালোহেঁতেন।

# ‘দৈনিক অগ্ৰদূত’ৰ প্ৰশ্ন ঃ মোৰ উত্তৰ

**১। আপোনাৰ মতে জীৱনৰ সংজ্ঞা কি ?**

**উত্তৰ ঃ** জন্ম আৰু মৃত্যুৰ মাজত যিখিনি সময় সকলো প্ৰাণীয়ে লাভ কৰে সেয়ে জীৱন অৰ্থাৎ জীয়াই থকাৰ সময়। জন্মৰ আগৰছোৱাও অন্ধকাৰ আৰু মৃত্যুৰ পাছৰছোৱাও অন্ধকাৰ। ভাৰতীয় দৰ্শনে শৰীৰী জীৱনৰ মৃত্যু হ’লেও আত্মাৰ মৃত্যু নাই বুলি কৈছে; আত্মাৰ পুনৰজন্ম হ’ব বুলিও কৈছে। এই বিষয়ে নানা কাহিনীও সৃষ্টি হৈছে। কিন্তু এই বিষয়ৰ কোনো প্ৰত্যক্ষ প্ৰমাণ আমাৰ হাতত নাই, আমি দিব নোৱাৰো। শ্বেক্সপীয়েৰে তেওঁৰ এখন নাটকত জীৱন সম্পৰ্কে এটা চৰিত্ৰৰ মুখেৰে কোৱাইছে, Life is a tell told by and idiot full of sounds and fury signifying nothing.

সময়ৰ বুকুত জৈৱ অৰ্থাৎ জীৱ থকা সকলো প্ৰাণীৰ জন্ম হৈছে আৰু অজৈৱ সকলোবোৰৰ সৃষ্টি হৈছে। এটা সময়ত জৈৱ সকলো প্ৰাণীৰ মৃত্যু হয় আৰু অজৈৱ সকলোবোৰ ধ্বংস হয়। এতেকে যিমান সময় আমি জীয়াই থাকো সেয়ে জীৱন। এই জীয়াই থকাৰ সময়ছোৱাত আমাক আমাৰ



## নগেন শইকীয়া

ৰুচিমতে জীয়াই থাকিবৰ বাবে যিবোৰ বস্তু বিচাৰো, ভাল-বেয়া নিৰ্বিশেষে সেইবোৰ পাবলৈ যত্ন কৰো। স্থিতি, অপ, তেজ, মৰুৎ আৰু ব্যোম এই পঞ্চভূতৰ পৰা সৃষ্টি হোৱা প্ৰাণী আৰু পদাৰ্থ যেনেভাৱেই যি অৱস্থাতেই থাকক, যেনেভাৱে জীৱন-যাপন কৰক সকলোৱেই মৃত্যু বা ধ্বংস হ’বই। এই সত্যটো ভিতৰৰ পৰা অনুভৱ কৰিব নোৱৰাৰ বাবেই আমি প্ৰাপ্তিৰ আকাংক্ষাত জীৱন পাত কৰো। কিন্তু সকলোৰে ক্ষেত্ৰত শেষ ফল হ’ল শূন্য।

**২। আপুনি প্ৰভাৱান্বিত হোৱা ব্যক্তি, গ্ৰন্থ আৰু তত্ত্ব কোনটো ?**

**উত্তৰ ঃ** শিক্ষক-পিতৃৰ কঠোৰ শাসনৰ মাজত শৈশৱ আৰু কৈশোৰ পাৰ হ’লেও মই পিতৃৰ দ্বাৰাই বিভিন্ন প্ৰকাৰে প্ৰভাৱান্বিত হৈছিলো, বিশেষকৈ ঘৰৰ কিতাপৰ আলমিৰাত থকা শিশু পাঠ্যৰ পৰা আৰম্ভ কৰি পদ্য আৰু কবিতা, বুৰঞ্জী, বিভিন্ন প্ৰকাৰৰ কাহিনী, জীৱনী আৰু ধৰ্মমূলক গ্ৰন্থও। মই দ্বিতীয় শ্ৰেণীত পঢ়ি থাকোতেই দণ্ডীনাথ কলিতাৰ ‘ফুল’ নামৰ উপন্যাসখন পঢ়িছিলো, পঞ্চম-ষষ্ঠ শ্ৰেণীত পঢ়ি থাকোতে গুণাভিৰাম বৰুৱাই লিখা আনন্দৰাম ঢেকীয়াল ফুকনৰ জীৱন চৰিত পুথিখনো পঢ়িছিলো, দেৱেন্দ্ৰনাথ বেজবৰুৱাৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীখনো পঢ়ি চোৱাৰ সুযোগ পাইছিলো। দ্বিতীয়তে স্কুল আৰু কলেজত শিক্ষকসকলৰ পৰাও অনেক কথা শিকিছিলো। ব্যক্তি হিচাপে ড° মহেশ্বৰ নেওগ ছাৰৰ তত্ত্ব আৰু তথ্যৰ শুদ্ধতাৰ ওপৰত দিয়া গুৰুত্ব অনুভৱ কৰিছিলো। চৈয়দ আব্দুল মালিক ছাৰৰ ভাষাৰ মাধুৰ্যৰ প্ৰসংগও উল্লেখনীয়। অনেক প্ৰিয় কবি আছে কিন্তু তাৰ ভিতৰত মাধৱদেৱৰ নামঘোষা, খলিল জিব্ৰানৰ কবিতা আৰু জীৱনানন্দ দাসৰ কবিতা মোৰ প্ৰিয়। ৰবীন্দ্ৰনাথ, ইয়েটছকে ধৰি অনেক বাংলা আৰু ইংৰাজ কবিৰ কবিতাৰ লগত কলেজত পঢ়ি থাকোতেই পৰিচিত হোৱাৰ সুযোগ পাইছিলো।

মই বেদান্তৰ তত্ত্ব বুজিবলৈ যত্ন কৰি আহিছো আৰু এই বিষয়ে বিজ্ঞানসন্মত বিচাৰ প্ৰথমে কৰা বেদান্ত বাচস্পতি ৰাধানাথ ফুকনৰ লেখাই মোৰ আকৰ্ষণ কৰিছিল। তদুপৰি এই শতিকাৰ দ্বিতীয় দশকৰ আৰম্ভতে পৃথিৱীৰ প্ৰসিদ্ধ পদাৰ্থ বিজ্ঞানীসকলে প্ৰকাশ কৰা ‘হিগ্‌চ-বচন’ সূত্ৰই বেদান্তৰ ব্ৰহ্মক বিজ্ঞানসন্মতভাৱে চাবলৈ আৰু অধিক সুযোগ দিলে। আমাৰ শংকৰদেৱ-মাধৱদেৱেও সকলো কাহিনীৰ মাজত ‘বেদান্তৰো জানা এহিসে তত্ত্ব’ বুলি সোঁৱৰাই দি গৈছে। এই তত্ত্বটোৱে মোক আকৰ্ষণ কৰি আহিছে।

# লেখকে ১৯৮১ৰ মে’ দিৱস উপভোগ কৰাৰ সুযোগ পাইছিল ছোভিয়েটৰ মাটিত। তেতিয়াই শুনিছিল ‘কমৰেড এইটো বেয়া— তাওৱাৰিচ্ য়’টা প্লোখা !

## শৈলেন দাস



**দিন**-তাৰিখ মনত নাই। সভা এখনলৈ গৈছিলো। কথা প্ৰসংগত বন্ধুজনে কৈছিল— ‘নৈতিক চৰিত্ৰ বুলি একো নাই। কোনেও কাকো নমনা হৈছে। নিজৰ খেয়াল-খুচি মতেই যি ইচ্ছা তাকেই কৰা হৈছে। আমি কোন পথলৈ আগবাঢ়িছো ক’ব পৰা নাই।’

বন্ধুজনৰ কথাত মোৰ পুৰণি বেমাৰটোৱে উকি মাৰিলে— ‘তাওৱাৰিচ্ য়’টা প্লোখা।’ মনত পৰিল ন মে’লৈ। ১৯৪৫ৰ ন মে’ত দ্বিতীয় বিশ্বযুদ্ধৰ জাৰ্মানীৰ হিটলাৰৰ ফেছিষ্ট শাসনৰ অন্ত পেলাই ছোভিয়েটৰ বিজয় ধ্বজা উৰুওৱা উক্ত দিন বা তাৰিখটোক ছোভিয়েট দেশে প্ৰত্যেক বছৰে বিজয় দিৱস হিচাপে পালন কৰে। ১৯৮০ৰ ছেপ্টেম্বৰত মই (লেখক) ছোভিয়েট দেশলৈ গৈছিলো। মস্কো মহানগৰীতেই সৰহদিন কটাইছিলো। ১৯৮১ৰ ন মে’ৰ বিজয় দিৱস উপভোগ কৰাৰ সুযোগ পাইছিলো। সেইদিনা ছোভিয়েটৰ দৰ্শকৰ লগত ময়ো ৰেড্‌স্কোৱাৰত তলে-ওপৰে ভৰি থকা বৰফৰ মাজত ম’হৰ শিং কঁপোৱা জাৰত থিয় হৈ থাকি পুৱাৰ পৰা প্ৰায় তিনি ঘন্টামান সময় ধৰি চলি থকা ছোভিয়েট আৰ্মি, কমিউনিষ্ট পাৰ্টিৰ সদস্য আৰু জনসাধাৰণৰ পেৰেড উপভোগ কৰিছিলো।

গতানুগতিক পদ্ধতিত হৈ থকাৰ দৰে উক্ত দিনাই আবেলি পৰত দ্বিতীয় বিশ্বযুদ্ধত অংশগ্ৰহণ কৰি জীয়াই থকা ছোভিয়েট দেশৰ প্ৰাক্তন বীৰ-বীৰাংগনা, পুৰুষ-মহিলা সৈনিকসকলে দেশৰ বিভিন্ন স্থানত যুদ্ধৰ পোছাক বা বেলেগ পোছাক হ’ব পাৰে। সেইবোৰ পৰিধান কৰি যুদ্ধত পোৱা সাহসিকতাৰ মেডেলসমূহ পিন্ধি পোছাকৰ ওপৰত ওলমাই লৈ নিজে নিজে দৰ্শক ৰাইজৰ সন্মুখত প্ৰদৰ্শিত হয়। যাতে তেওঁলোকক দেখি উঠি অহা নতুন প্ৰজন্মই উৎসাহ-উদ্দীপনা পায় দেশ ৰক্ষা বা দেশ গঢ়াৰ কাৰণে।

সেইদৰে সিদিনাই আবেলি মস্কো মহানগৰীতো বিভিন্ন স্থানত প্ৰাক্তন সৈনিকসকলে। যুদ্ধৰ পোছাক বা বেলেগ পোছাক পৰিধান কৰি যুদ্ধত পোৱা সাহসী মেডেলসমূহ ওলমাই লৈ দৰ্শক বা জনসাধাৰণৰ মাজত নিজে নিজে প্ৰদৰ্শিত হৈছিল। পৃথিৱীখ্যাত ‘বলছয়’ থিয়েটাৰ প্ৰেক্ষাগৃহটোৰ সন্মুখতো প্ৰায় ৭০ গৰাকীমান প্ৰাক্তন বীৰ-বীৰাংগনা, পুৰুষ-মহিলা সৈনিকে নিজে নিজে দৰ্শক ৰাইজৰ সন্মুখত প্ৰদৰ্শিত হৈছিল। নতুন সংস্কৃতিৰ অভিজ্ঞতা লোৱাৰ উদ্দেশ্যত মই আৰু মোৰ বন্ধু নবীন গগৈ আমি দুয়ো তেওঁলোকক চাবৰ বাবে তালৈ গৈছিলো। তেওঁলোকৰ নিজৰ আত্মীয়-কুটুম্বৰ উপৰি বন্ধু-বান্ধৱ আৰু দৰ্শক ৰাইজে বীৰত্বৰ সন্মান জনাইছিল। গালে-মুখে চুম্বন দিছিল। ফটো তোলাৰতো সীমাই নাই। দিন-দুপৰত ফটো তোলাৰ সময়ত কেমেৰাৰ বিজুলীৰ পোহৰত দিনৰ প্ৰকৃতিৰ পোহৰতকৈ ঠাইখিনি বেছিকৈ আলোকিত হৈ পৰিছিল। ঠিক তেনেকুৱা যেনহে পৰিলক্ষিত হৈছিল। আমি দুই বন্ধুৱে সেই সুযোগ নোলোৱা নহয়। দুয়ো নিজৰ নিজৰ কেমেৰাত বাকীসকলৰ নিচিনাকৈ উক্ত বীৰ-বীৰাংগনাসকলক আৱদ্ধ কৰিছিলো। অকল সিমানেই নহয়, তেওঁলোকৰ পিছফালে আমি নিজেও ফটো উঠিছিলো। যাতে তেওঁলোকৰ প্ৰদৰ্শিত হোৱা ঐতিহাসিক প্ৰদৰ্শন আমাৰ ফটোৰ মাজত চিৰস্থায়ীভাৱে ৰৈ যায়। প্ৰাক্তন সৈনিকসকলৰ সেই ধৰণৰ ঐতিহাসিক প্ৰদৰ্শন উপভোগ কৰাৰ অন্ততঃ আমি দুয়ো সন্মুখত লহ-পহকৈ



ফুলি থকা আকৰ্ষণীয় ফুলৰ বাগিচাখনৰ ভিতৰলৈ সোমাই গ’লো। উদ্দেশ্য বাগিচাখনৰ ভিতৰত ফটো উঠা আৰু এনেকুৱাভাৱে ফটো উঠিম যাতে বেক গ্ৰাউণ্ডত প্ৰদৰ্শিত হোৱা প্ৰাক্তন সৈনিকসকল আমাৰ ফটোত প্ৰতিফলিত হয় আৰু চিৰস্থায়ীভাৱে থাকি যায়। সেই মহান উদ্দেশ্য আগত ৰাখি দুটামান স্নেপ লৈছিলোহে মাথোন। বাগিচাখনক দেখনিয়াৰ তথা পথিকসকলক অহা-যোৱা কৰিব পৰাকৈ অকাই-পকাই ঘূৰণীয়া কৰি নিৰ্মাণ কৰা পকী সুৰসুৰীয়া বাটটোৰে গৈ থকা ডেকা-গাভৰুৰ দলটোৰ মাজৰ পৰা আমি শুনিবলৈ পোৱাকৈ এজনে ঘপহকৈ কৈ উঠিল— ‘তাওৱাৰিচ য়’টা প্লোখা’ দলটো কিন্তু ৰৈ নাথাকিল, গৈয়ে থাকিল। দ্বিতীয়বাৰৰ কাৰণে কোনো এজনেও আমাক একো নক’লে।

নৈতিক চৰিত্ৰ আৰু সমাজৰ দায়ৱদ্ধতা কি? তাক প্ৰমাণ কৰি আমাৰ নৈতিক চৰিত্ৰ আৰু মাজৰ দায়বদ্ধতাক ডেকা-গাভৰুৰ দলটোৱে মুখৰ শব্দকোষৰ তৰ্জুৰে সোঁৱৰাই দিলে— নৈতিক চৰিত্ৰ তথা সমাজৰ দায়ৱদ্ধতা কি আৰু কাক কয়?

**নতুন সংস্কৃতিৰ অভিজ্ঞতা লোৱাৰ উদ্দেশ্যত মই আৰু মোৰ বন্ধু নবীন গগৈ আমি দুয়ো তেওঁলোকক চাবৰ বাবে তালৈ গৈছিলো। তেওঁলোকৰ নিজৰ আত্মীয়-কুটুম্বৰ উপৰি বন্ধু-বান্ধৱ আৰু দৰ্শক ৰাইজে বীৰত্বৰ সন্মান জনাইছিল। গালে-মুখে চুম্বন দিছিল। ফটো তোলাৰতো সীমাই নাই। দিন-দুপৰত ফটো তোলাৰ সময়ত কেমেৰাৰ বিজুলীৰ পোহৰত দিনৰ প্ৰকৃতিৰ পোহৰতকৈ ঠাইখিনি বেছিকৈ আলোকিত হৈ পৰিছিল।**

সঁচাকৈয়ে আমি লজ্জিত আৰু অপমানিত বোধ কৰিছিলো ডেকা-গাভৰুসকলৰ সজাগতাবোধৰ বাবে। ফটো তোলা বা উঠাৰ কথা বাদেই, কেনেকৈ তাৰ পৰা ওলাই আহিব পাৰো, সেইটোহে আমাৰ চিন্তা হ’ল। আমি দুয়ো বাগিচাখনৰ পৰা কোনোপিনে নোচোৱাকৈ ওলাই আহি পোনে পোনে ৰেড্‌স্কোৱাৰমুখে খোজ দিলো। বুজিবলৈ বাকী নাথাকিল বয়োজ্যেষ্ঠখিনিয়েই যে সজাগ সেয়া নহয়; ডেকা-গাভৰু চাম তাতকৈয়ো বেছি সজাগ যেনহে অনুভৱ হ’ল। নহ’লে সেই উক্তি বা কথাষাৰ তেনেকৈ নক’লেহেঁতেন। দেশ বা সমাজক ক্ষতিসাধন কামনা তেওঁলোকে নকৰে। সি ক্ষুদ্ৰই হওক বা বৃহত্তমেই হওক। সেই ক্ষেত্ৰত প্ৰত্যেকজন ছোভিয়েট নাগৰিক সজাগ। সেই কাৰণেই হয়তো দলটোৰ মাজত থকা কওঁতাজনে অনুভৱ কৰিছিল আৰু আমাৰ ঘৃণনীয় কৰ্মত বাধ্য হৈ কৈছিল— ‘তাওৱাৰিচ্ য়’টা প্লোখা।’ অৰ্থাৎ ‘কমৰেড্ এইটো বেয়া।’ আমি বুজি পাইছিলো কওঁতাজনে তেনেকৈ আমাক কিয় কৈছিল? যাৰ কাৰণে আমি দুয়ো কথাষাৰ শুনাৰ লগে লগে পলম নকৰি কোনো ধৰণৰ উত্তৰ নিদিয়াকৈ লাজ আৰু অপমানবোধ অনুভৱ কৰি বাগিচাখন ত্যাগ কৰিবলৈ বাধ্য হৈছিলো। অৰ্থাৎ আকৰ্ষণীয় বাগিচাখন পথিকসকলৰ আনন্দ আৰু সৌন্দৰ্য উপভোগ কৰাৰ কাৰণেহে নিৰ্মাণ কৰা হৈছে। নষ্ট কৰাৰ কাৰণে নহয়। অৰ্থাৎ আমি দুয়ো ফটো তোলা বা লোৱাৰ আগ্ৰহত বাগিচাখনৰ ভিতৰলৈ সোমাই গৈ ঘূৰা-ঘূৰি কৰি খোজ কঢ়াত আকৰ্ষণীয় বিভিন্ন ৰঙৰ ফুলৰ গছবোৰ গজি থকাৰ লগতে মাটিখিনিৰ ওপৰত আকৰ্ষণীয়ভাৱে গজি থকা সেউজীয়া সমান ঘাঁহনিখিনি চেপেটা হৈ যোৱা পৰিলক্ষিত হোৱাত দলটোৰ মাজৰ পৰা কওঁতাজনে ক’বলৈ বাধ্য হৈছিল— ‘তাওৱাৰিচ্ য়’টা প্লোখা।’

*ফোন ঃ ৯৪৩৫৭৫৬৭১৮*

# বিষ্ণুপ্ৰসাদ ৰাভা



মনত পৰিছে
গুৱাহাটীৰ পাণ বজাৰৰ
চিকিৎসা মহাবিদ্যালয়ৰ
আঠ নম্বৰ কোঠাটোৰ কথা।
৫৩ বছৰ আগৰ
সেই দিনটো
মই লগ পাবলৈ গৈছিলো
বিষ্ণু ককাইদেউক।
তুমি শুই আছিলা
একতীয়াকৈ
পিঠিত বিষ
চিকিৎসাৰ সীমা নাই।

বোম্বেৰ পৰা ঘূৰি আহি তুমি
নিৰাশ হৈ আইৰ কোলাত
আশ্ৰয় লৈছিলা।
মই কোঠাটোলৈ
ভয়ে ভয়ে সোমাই গৈছিলো
নিজান-নিস্তব্ধ পৰিৱেশ
তোমাৰ মাজত তোমাক মই
বিচাৰি পোৱা নাছিলো।
বিশ্বৰ ছন্দে ছন্দে
তোমাৰ ভৰিৰ জুনুকা
মোৰ বুকুৰ মাজত
বাজি উঠিছিল
তুমি নিশ্চল হৈ পৰি আছিলা।
নমস্কাৰ,
মই তোমাক নমস্কাৰ জনাইছিলো
মোৰ নমস্কাৰৰ প্ৰত্যুত্তৰত
তুমি মোক এটি নমস্কাৰ
দিবলৈ বিচাৰিছিলা
দুয়োখন হাত তুলি।
নোৱাৰিলা,
বিছনাত অচল হৈ পৰি থকা
এখন হাতৰ ওপৰত
আনখন হাত তুলি
এখন হাত আগুৱাই আগুৱাই
তুমি
ইখন হাত তুলি
বিছনাত ৰৈ গ’লা।
তুমি বৰ কষ্টৰে
ক’বলৈ খুজিছিলা
নমস্কাৰ।

ভালে আছা?
তাকো নোৱাৰিলা।
এইবাৰ তুমি
বিছনাত পৰি থকা
হাত এখনৰ আঙুলিকেইটা
বেঁকা কৰি মোক বুজাব খুজিছিলা
তোমাৰ বুকুৰ কেকোৰাৰ ছবি
এখনৰ কথা।
তোমাৰ কি হৈছে?
মই জানিছিলো
মই বুজিছিলো
মই উমান পাইছিলো।

তোমাৰ প্ৰতি থকা
অসীম শ্ৰদ্ধাত
মই তোমাক বহুত দিনেই
বিচাৰি ফুৰিছিলো
বিষ্ণু ককাইদেউ!

কিন্তু মই তোমাক
লগ পাইছিলো— নিষেধ-বাণীৰ
মাজেদি
দুৱাৰত লেখা আছিল
‘ন’ এডমিছন
তুমি এজন চিৰিয়াছ ৰোগী।
তথাপি তুমি
চকু দুটি
বৰ কষ্টেৰে
মেলিবলৈ খুজিছিলা।

নাৰ্চে সুধিছিল
চিনি পাইছে?
তুমি মূৰ দুপিয়াইছিলা।
তুমি বহুতকে চিনি পাইছিলা
ককাইদেউ—
তোমাক মানুহে যেনেকৈ
চিনি পাব লাগিছিল
যিমান চিনি পাব লাগিছিল
নাপালে।

গান গোৱা মানুহ
থিয়েটাৰ কৰা মানুহ
চিনেমা কৰা মানুহৰ
পৰিচয়তে
সমাপ্তি ঘটালে
তোমাৰ পৰিচয়।

সৌ সিদিনালৈকে
কাৰো মনলৈকে অহা নাছিলা
তুমি
চৰকাৰী, বেচৰকাৰী
অনুষ্ঠান, প্ৰতিষ্ঠান
ৰাজনীতিৰ বহল পথাৰখনতো
তুমি
হেৰাই আছিলা
তোমাক চিনি পোৱা নাছিল।

কিন্তু তুমি ধৰি ৰাখিছিলা
চিনি পাইছিলা
কৃষক, বনুৱা, দৰিদ্ৰ জনতাক।
তুমি গঢ় দিব খুজিছিলা
জাতি-জনজাতি, পৰ্বত-পাহাৰ
ভৈয়ামলৈ
বৰ্ণহীন, বৈষম্যহীন
এখন সমাজ।
কৃষকৰ সমাজ
কৃষক মানে পথাৰ
পথাৰ মানে নাঙল
নাঙল মানেই সৃষ্টিৰ
এক সুদৰ্শন চক্ৰ।
এই কৃষকেই বনুৱা

এই কৃষকেই ৰণুৱা
এই কৃষকেই ধৰিত্ৰীৰ খিলঞ্জীয়া
এই কৃষকৰেই বাহুত থাকে
হেজাৰ হাতীৰ বল
ভৰিৰ পতাত ধৰণী তলমল।

বিষ্ণু ককাইদেউ—
তুমি প্ৰজা হে
ৰজা হৈ
গীত গাই, নাচ নচুৱাই
নাটক-ভাওনাৰে
কত ভাও দিলা।
স্তম্ভিত হ’ল
বিশ্ববিখ্যাত নৃত্যশিল্পী
উদয়শংকৰ।

তোমাৰ নৃত্যৰ ভংগিমাত
ফুটি উঠিছিল
১০৮ বিধ নৃত্যকৰণ
দক্ষিণ ভাৰতৰ চিদাম্বৰণ মন্দিৰত
শিৱ দেৱতাৰ খোদিত প্ৰদৰ্শনেৰে।
কাশী বিশ্ববিদ্যালয়ৰ সৰ্বপল্লী
ৰাধাকৃষ্ণণন
তোমাৰ নামৰ আগত
জুৰি দিছিল
সন্মানীয় ‘কলাগুৰু’ উপাধি।
কণ্ঠত বৈ গৈছিল তোমাৰ
চৌধটি ভাষা
তুলিকাৰে তুমি আঁকিছিলা
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক।

এহাতে তৰোৱাল



## এলি আহমেদ

আনহাতে, কলম, তুলিকা
কণ্ঠত গীত-কবিতা
হৃদয়ত বিপ্লৱৰ ধুমুহা
তোমাৰ তৰোৱালে
কাকো নাকাটিলে ককাইদেউ,
কলমেহে থকা-সৰকা কৰিলে
পুঁজিপতি জনতাৰ টকাৰ ভঁৰাল
তোমাৰ চৰিত্ৰই
তোমাৰ ব্যক্তিত্বই
শান ল’লে সাম্যবাদৰ।

পুঁজিপতিৰ ৰাজঅট্টালিকাৰ
আগেদিয়েই
কঁকালত বাঘজৰী লগাই
তোমাক লৈ অহা হ’ল ৰাজপথেদি
তোমাৰ ভৰিৰ বোকাই চিন থৈ গ’ল
প্ৰতিবাদৰ।
কাৰাগাৰত হ’ল তোমাৰ
নতুন অভিজ্ঞতা।
তোমাৰ কলম থমকি নৰ’ল
ডিব্ৰুগড়ৰ ডাক বঙলাত হেৰাল
অসমৰ ইতিহাস।
বুঢ়ীদিহিঙৰ পানীত উটি গ’ল
বহুত লেখা।

বিষ্ণু ককাইদেউ,
তুমি আগুৱাই নিব বিচাৰিছিলা
পিছলৈ যোৱাসকলক
তুমি দাণ্ডি ধৰিব বিচাৰিছিলা
চুচৰি তললৈ নমাসকলক।
তুমি বুজাব বিচাৰিছিলা
মানুহৰ বাবে মানুহক লাগে
দানৱ নহয়।

তোমাৰ জোলোঙাত কলমেৰে
জোলোঙাৰ কাগজত লেখা কথাবোৰ
গীত হ’ল, কবিতা হ’ল, নাটক হ’ল
কিতাপ হ’ল।

সৰ্বগুণী
গুণৰ আকৰ তুমি
তুমি ক’লা—
কলাৰ বাবে কলা নহয়
যদি তাত নেথাকে সংগ্ৰাম।

শোষণ, শাসন
উচ্চ-নীচ
বৈষম্য, ভেদাভেদ
দুখীয়া বনুৱা
ভোকাতুৰ জনতাৰ বাবে।
তোমাৰ কলাৰ
বিদ্ৰোহী জনতাৰ মিছিল
সেইবাবেই নেকি
বৰ কষ্ট খালা তুমি?

এতিয়াও কষ্ট খাই আছে
তোমাৰ অনুগামীসকল।
তোমাৰ আদৰ্শৰে বাট বুলি বুলি
আধাতে থমকি ৰৈছে হাত তুলি।

আ কৰি চাই থকা
এইচাম কৃষক-বনুৱা আৰু
দৰিদ্ৰ জনতাই
আৰু কিমান দিন
বিষ্ণু ককাইদেউ,
নিচুকনি গীত শুনিব
টোপনি আহিবলৈ
লঘোনীয়া পেটত গামোচাৰ
গাঁঠিটো টানকৈ মাৰিবলৈ
হাততচোন শকতিয়েই নাই।
হাতযোৰ কৰি কৰি
থাকোঁতেই
হাত দুখন যোৱাই ৰৈ গ’ও
নমস্কাৰ হৈ।

ফোন ঃ ৯৪৩৫১০৪৮৮৪

**জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ**

# বকুল কায়স্থৰ ‘কিতাবত মঞ্জৰি’ ঃ নামতেই আৰবী-সংস্কৃত সমন্বয় !

## অসমৰ গণিত ইতিহাস, ভাষা, সাহিত্যলৈও বিপুল অৱদান

## উজনি-নামনিৰ উপৰিও নৰনাৰায়ণৰ ৰাজসভাতো প্ৰচলিত সৰল বানান !

# জাতীয় অভিধানত সংযোজিত হ’ব বিপুলসংখ্যক কাইথেলী শব্দ !

আমি এই শিতানত অলপতে ত্যাগবীৰ হেম বৰুৱা কলেজ (নদুৱাৰ)ৰ অধ্যাপিকা দ° ৰাস্না ৰাজখোৱাৰ দ্বাৰা সম্পাদিত **‘ভিন্নপ্ৰসংগঃ ন-দুৱাৰৰ জলঙাৰে’** গ্ৰন্থৰ এক আলোচনা আগবঢ়াইছিলোঁ। এইবাৰ আমি হাতত তুলি লৈছোঁ দ° ৰাজখোৱাৰ দ্বাৰা সংগৃহীত আৰু সম্পাদিত এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ **‘কিতাবত মঞ্জৰি’**। আমি শিৰোনামাত ইংগিত দিয়া দৰেই কিতাপখনৰ নামটোতেই দুটা ভাষাৰ শব্দ সোমাই আছে ঃ ‘কিতাবত’ আৰবী ভাষাৰ, আৰু ‘মঞ্জৰি’ সংস্কৃত ভাষাৰ। সেই অৰ্থত মধ্যযুগৰ ভাষিক-ধৰ্মীয় সমন্বয়ৰ বাণীও ই বহন কৰিছে।

কিতাপখনক ***‘অসমৰ লোকগণিত কাইথেলী অংকৰ প্ৰথমখন মৌলিক গণিতপুথি’*** আখ্যা দিয়া হৈছে। উল্লেখযোগ্য যে উজনি-নামনি অসম তথা কোচবিহাৰতো সকলো ধৰণৰ ঘৰুৱা, সমূহীয়া তথা ৰাজকীয় হিচাব নিকাচৰ বাবে কাইথেলী অংকৰ ব্যৱহাৰ কৰা হৈছিল। এই ইতিহাসত আলোকপাত কৰি দ° ৰাজখোৱাই লিখিছে ঃ

**অআ**

**প্ৰাচীন অসমৰ কালৰ গণিত চৰ্চাৰ ইতিহাস**

“অসমত প্ৰাচীন কালৰ পৰাই গণিত চৰ্চাৰ বিষয়ে জনা যায়। টোল আৰু আন শিক্ষানুষ্ঠানসমূহত ‘গণিত’ বিষয়টো গুৰুত্ব সহকাৰে অধ্যয়ন কৰা হৈছিল। অসমত গণিত চৰ্চাৰ বাবে যিজন মানুহে অগ্ৰণী ভূমিকা লৈছিল তেওঁ হ’ল বকুল কায়স্থ, কোচ ৰজা নৰনাৰায়ণৰ **(ৰাজত্ব ১৫৩৪-১৫৮৭)** ৰাজসভাৰ পণ্ডিত। দৰঙী ৰজা সমুদ্ৰনাৰায়ণৰ সময়তে ‘দৰং ৰাজবংশাৱলী’ (আনুমানিক খ্ৰীঃ ১৭৯৮ চন) ৰচিত হয়। ‘দৰং ৰাজবংশাৱলী’ত উল্লেখ আছে যে নৰনাৰায়ণ ৰজাই দ্বিতীয় ভাস্কৰাচাৰ্য্যৰ কিতাপৰ কিছু অংশ তেওঁক অনুবাদ কৰিবলৈ অনুৰোধ কৰিছিল-

শুনিও শ্ৰীধৰ তুমি মোৰ বাক্য ধৰা।
জ্যৌতিষক ভাঙ্গি তুমি সাধ্যখণ্ড কৰা।।
বকুল কায়স্থ তুমি ভাঙ্গা লীলাৱতী।
অল্পতে বুজয় যেন কায়স্থে সম্প্ৰতি।।
৬০৯

সেই অনুৰোধ ৰক্ষা কৰি বকুল কায়স্থই ভাস্কৰাচাৰ্য্যৰ ‘সিদ্ধান্ত শিৰোমণি’ কিতাপৰ ‘লীলাৱতী’ অংশটো অসমীয়ালৈ অনুবাদ কৰে। সম্ভৱতঃ সেইখনেই অসমীয়া ভাষাত প্ৰথম গণিত পুথি। পুথিখন বৰ্তমান অসম ৰাজ্যিক মিউজিয়ামত সংৰক্ষিত হৈ আছে বুলি জনা যায়। এই গৰাকী বকুল কায়স্থয়ে অসমীয়া ভাষাত গণিত বিষয়ক প্ৰথমখন মৌলিক পুথি **‘কিতাবত মঞ্জৰি’** লিখে।”

প্ৰশ্ন হয়, বকুল কায়স্থ কোন শতিকাৰ মানুহ, তেওঁৰ **‘কিতাবত মঞ্জৰি’**খনেই বা কোন চনত ৰচিত? আমি ইতিমধ্যে কৈ আহিছোঁ যে বৰ্তমানৰ কোচবিহাৰত অৰ্থাৎ আজিৰ

## দ° দেৱব্ৰত শৰ্মা

প্ৰশাসনিক-ৰাজনৈতিক অসমৰ বাহিৰত, অথচ পুৰনি কামৰূপ-কমতাৰ ভিতৰত, এইখন ৰচিত হৈছিল। ভৌগলিক-ৰাজনৈতিকভাৱে সেই গুৰুত্বৰ উপৰিও কিতাপখন ঐতিহাসিক দৃষ্টিৰ পৰাও মূল্যবান। সেই সম্পৰ্কে লেখিকাই এনেদৰে কৈছে ঃ “প্ৰয়াত দণ্ডিৰাম দত্তৰ **‘কৌতুক আৰু কাইথেলীৰ অংক’** নামৰ কিতাপখনৰ ২৫৭ পৃষ্ঠাত ১৩৫৬ শকত **‘কিতাবত মঞ্জৰি’** লিখা বুলি উল্লেখ কৰিছে, আনহাতে ২৭৯ পৃষ্ঠাত ১৩৫৬ শকত অৰ্থাৎ ১৪৩৪ চনত বকুল কায়স্থৰ জন্ম হোৱা বুলি উল্লেখ কৰিছে। যদি বকুল কায়স্থৰ জন্ম ১৪৩৪ চনত হয়, তেনেহ’লে তেখেতে তেখেতৰ ১০০ বছৰৰ বয়সৰ পিছত **‘কিতাবত মঞ্জৰি’** পুথিখন ৰচনা কৰিব লাগিব, যিটো সাধাৰণতে সম্ভৱপৰ নহয় যেন লাগে। আনহাতে যদি ১৪৩৪ চনত তেখেতৰ জন্ম চন নহয়, পুথিখন ৰচনা কৰা সময়, তেনেহ’লে তেখেতৰ বয়সৰ ফালৰ পৰা ৰজা নৰনাৰায়ণৰ ৰাজসভাৰ পণ্ডিত হ’বলৈ নিশ্চয় জীৱিত নাছিল। কিন্তু **‘দৰং’ ৰাজবংশাৱলী’ৰ পৰা স্পষ্ট জনা গৈছে যে কাইথেলী অংকৰ পণ্ডিত বকুল কায়স্থ নৰনাৰায়ণ ৰজাৰ ৰাজসভাৰ পণ্ডিত আছিল।”**

তেতিয়াহ’লে কিতাপখন প্ৰায় ৬০০ বছৰ পুৰনি। সেয়েহে ৬০০ বছৰ পূৰ্বৰ মধ্যযুগৰ কামৰূপ-কমতাত কেনেধৰণৰ বিদ্যায়তনিক চৰ্চা চলিছিল তাৰ ধাৰণাও আমি ইয়াৰ পৰা পাওঁ। কিন্তু কাইথেলী অংক মানেনো কি বুজায়? এইসম্পৰ্কে লেখিকাই কৈছে ঃ

“কাইথেলী অংক পদ্ধতিৰ দ্বাৰা মাটিৰ হিচাপৰ নিয়ম, মাটিৰ পিয়ল, বজাৰৰ দৰৰ জমা-খৰচৰ হিচাপ, কাঁহ, তাম, পিতলৰ দাম, ওজন, ভঁৰালৰ শস্যাদিৰ পৰিমাণ, গণনা, ঘৰ-দুৱাৰ সজাৰ জোখ-মাখ, বাঁহ-বেত আদিৰ পৰিমাণ, ঘৰৰ ভেটি তোলাৰ সকলো প্ৰকাৰ নিয়ম, সূতা কটা, কাপোৰ বোৱা-কটাৰ নিয়ম, প্ৰজাৰ কৰ-কাটল, ৰাজভঁৰালৰ আয়-ব্যয়, জ্যোতিষ সম্পৰ্কীয় গণনা, মাটি কটাৰ জোখ-মাখ, আমদানি-ৰপ্তানিৰ হিচাপ, বেপাৰৰ লাভ-লোকচানৰ হিচাপ, বছৰ-মাহ-দিনৰ হিচাপ, গাঁৱৰ মানুহৰ হিচাপ ৰখা আদি অতি সহজতে কৰিব পৰা গৈছিল।

আগৰ দিনত অসমৰ নানা ঠাইত প্ৰাচীন কাইথেলী শিক্ষাৰ পঢ়াশালি আছিল। ইংৰাজ ৰাজত্বৰ আগভাগলৈকে দেশীয় ভাষাত গাঁৱৰ পঢ়াশালিত এই কাইথেলী অংক শিক্ষা দিয়া হৈছিল। তেতিয়া **আঠকথা**, দশাংশ, **বিদ্যাউঠি**, পিয়ল, **পঞ্চক**, জমাখৰচ,জমাবন্দী, তলব, হিচাপ, জৰিপ আদি নানা তৰহৰ অংক শিকোৱাৰ প্ৰমাণ আছে। অংকবোৰ পদ্যত লিখা, যথেষ্ট আমোদজনক। কেৱল গণিতৰে নহয়, চিকিৎসা বিদ্যা আৰু জ্যোতিষ বিদ্যাৰ গধুৰ প্ৰশ্নোত্তৰৰ নিয়মবোৰো এই পদ্ধতিৰে সমাধান কৰিব পৰা হৈছিল। বিজ্ঞ কবিৰাজসকলে চিকিৎসা বিদ্যাৰ জ্ঞান অৰ্জন কৰি ৰোগীৰ আৱশ্যকীয় চিকিৎসা কাইথেলী অংকৰ সহায়ত কৰিব পাৰিছিল। অসমত গণিত শাস্ত্ৰৰ এই বিশেষ পদ্ধতি ঘাইকৈ কায়স্থ সম্প্ৰদায়ৰ মাজত প্ৰচলিত আছিল বুলি জনা যায়।”

মন কৰিবলগীয়া যে কাইথেলী অংক পদ্ধতিৰ এলানি নিজা শব্দসম্ভাৰো আছিল। তাৰে কিছু নমুনা তলত দাঙিধৰা হৈছে ঃ

শশী, চন্দ্ৰ, নিশাপতি, মহী-এই কেউটা শব্দৰে ‘১’ বুজোৱা হৈছিল। সেইদৰে ভুজ, কৰ, পাখা-ৰে ২হুল্ল,



ৰাম, অগ্নি, গুণ, নেত্ৰ-ৰে ৩হুল্ল, বেদ, যুগ, চক্ৰ-ৰে ৪হুল্ল, বাণ, শৰ, ইন্দ্ৰিয়, আত্মা-ৰে ৫হুল্ল, ৰস, ঋতু, বিত-ৰে ৬হুল্ল, সমুদ্ৰ, মুনি, অশ্ব, স্বৰ-ৰে ৭হুল্ল, বসু, নাগ, গজ মঙ্গল-ৰে ৮হুল্ল, গ্ৰহ, ৰন্ধ্ৰ-ৰে ৯হুল্ল, দিক, লোকপাল, কৰ্ম্ম-ৰে ১০হুল্ল, ৰুদ্ৰ-ৰে ১১হুল্ল, আদিত্য, মাহ ৰাশি-ৰে ১২হুল্ল, বিশ্ব (গণদেৱতা)-ৰে ১৩হুল্ল, ভুৱন, মনু, ইন্দ্ৰ-ৰে ১৪হুল্ল, তিথি-ৰে ১৫হুল্ল, অষ্টি (একৰকম পাশা খেল), ভূপ (বিষ্ণু-পুৰাণৰ ১৬হুল্ল, ৰজাৰ নাম)-ৰে ১৬হুল্ল, মৈত্ৰ, ঘন-ৰে ১৭হুল্ল, পুৰাণ, ধৃতি-ৰে ১৮হুল্ল, অতিধৃতি-ৰে ১৯হুল্ল, নখ, কৃতি-ৰে ২০হুল্ল, স্বৰ্গ, সমিত-ৰে ২১হুল্ল, আকৃতি, জাতি-ৰে ২২হুল্ল, বিকৃতি-ৰে ২৩হুল্ল, জিন-ৰে ২৪হুল্ল, তত্ত্ব-ৰে ২৫হুল্ল, নক্ষত্ৰ-ৰে ২৭হুল্ল, দন্ত-ৰে ৩২হুল্ল, বায়ু-ৰে ৪৫.......

গগন, আকাশ, শন্যৰে-৫০ বুজোৱা হৈছিল। পাঠকক জনাবলৈ পাই ভাল পাইছোঁ যে কাইথেলী অংকৰ এই প্ৰতিটো শব্দ **অসমীয়া জাতীয় অভিধানত** অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

ইয়াৰ উপৰিও আৰু এলানি শব্দ এই অংকপদ্ধতিত ব্যৱহৃত হৈছিল। তাৰে এলানি তলত তুলি দিয়া হ’ল ঃ

“কাইথেলী অংকবোৰৰ শব্দবোৰ সাধাৰণতে অসমীয়া শব্দতকৈ বেলেগ। তেনে কিছুমান শব্দ হ’ল— **বুন্দা** (শূন্য), **কণ্ঠী বা কণ্ঠ**-(ক্ৰান্তি), **বেঞা** (টাৰ), **হেঠেৰ** (সিমান), **বৎ** (কৰা), **পাই এৰা** (পাৰ চৰাই), **হৰকৰ** (হৰ-গৌৰীৰ স্থান), **কেদাৰ** (মহলৰ একখণ্ড), **ওঁৰখ**-(ইয়াক), **চৌকী** (দুৱৰী), **ভূমি** (খাই), **হাৰী** (হাৰ), **টাণ্ড** (টাৰ), **একুন** (এক), **কেকৰ** (কেৰেলা), **তেকৰ** (তিনি কৰা), **উণ** (কম), **মাধৱী মাস** (চ’ত-বহাগ), **দুই পাখা** (বাইশ), **আউৰ** (আৰু),**বেওৰ** (এঘাৰ), **দুৰা** (দুই, দুবাৰ), **নুৱা** (ন,৯), **লাগি** (লৈ), **ঠেহেৰ** (সিমান), **ত্ৰিনেত্ৰ** (সূৰ্য, চন্দ্ৰ, অগ্নি), **তিনি ৰাম** (পৰশুৰাম, শ্ৰীৰাম, বলৰাম) ইত্যাদি। কাইথেলী অংকৰ পঢ়াশালিত ভাষা সম্পৰ্কীয় আৰু হিছাপ সম্পৰ্কীয় পাঠদানো কৰা হৈছিল। কায়স্থ বা কাকতি সকলে প্ৰাদেশিক ভাষাৰো আলোচনা কৰিছিল”। নক’লেও হয় যে এই শব্দবোৰো এই অৰ্থৰে সৈতে **অসমীয়া জাতীয় অভিধানত** অন্তৰ্ভুক্ত কৰা হ’ব। কিতাপখনত ব্যৱহাৰ হৈছিল প্ৰচুৰ আৰবী-পাৰ্চি শব্দও। তাৰো কিছু নমুনা তলত দিয়া হ’ল ঃজিলা, কিতাবত, দফাতেৰে, কাগজ, সদৰ, হৰফৰ, তহসিল, তহবিল, পৰগনাতি, জিনিস, জিনিসেৰ, কামান, খৰিদ, ৰোজ, পেসকোস, সিআহি, হাকিম, আমোল্ল, মোকাম, জমিন আদি শব্দই লেখকৰ মোগল আৰু ইচলামী সভ্যতা সম্পৰ্কে ওৱাকিবহাল থকাটো সূচায়।

...আৰু এনেকৈয়ে **কিতাবত মঞ্জৰিয়ে** কেৱল গণিত নহয়, অসমীয়া সাহিত্যকো সমৃদ্ধ কৰিছিল। তাৰ বিতং বৰ্ণনা আমাক জনোৱা বাবে সংকলক দ° ৰাজখোৱা আমাৰ ধন্যবাদৰ পাত্ৰ হৈ ৰ’ব। (অহা সংখ্যাত)

*লেখক অসমীয়া জাতীয় অভিধান আৰু জাতীয় ইতিহাসৰ মুখ্য সম্পাদক;*

*ফোন ঃ [illegible]*



যদি আপুনি আপোনাৰ সোণৰ গহনা বা অলংকাৰৰ বিপৰীতে ঋণ প্ৰাপ্ত কৰিব বিচাৰে, তেন্তে আপুনি প্ৰথমেই নিশ্চিত কৰিব লাগিব যাতে ঋণদাতাৰ জৰিয়তে বিৱৰণ দিয়া যোগ্যতাৰ সকলো মানদণ্ড আপুনি পূৰণ কৰে। মনত ৰাখিব, যোগ্যতাৰ চৰ্ত ঋণদাতাভেদে বেলেগ বেলেগ হ'ব। সেয়ে, সোণৰ ঋণৰ বাবে আবেদন কৰাৰ আগতে ঋণদাতা সংস্থাৰ ইণ্টাৰনেট ছাইটত যোগ্যতাৰ চৰ্ত পৰীক্ষা কৰাটো জৰুৰী।

# স্বৰ্ণ ঋণ লাভৰ যোগ্যতা আৰু চৰ্তাৱলীসমূহ

**জীৱনৰ** প্ৰতিটো সৰু বৰ প্ৰয়োজন পূৰাবৰ বাবে আমাক সকলোকে লাগে আৰ্থিক সুস্থিৰতা। যিকোনো দুৰ্যোগ বা বিপৰ্যয়ৰ সময়তো হাতত পৰ্যাপ্ত ধন থাকিলে সাহস পোৱা যায়। এজন ব্যক্তি বা পৰিয়াল এটাক আৰ্থিকভাৱে সুস্থিৰ হ'বলৈ প্ৰয়োজন হয় স্থায়ী আৰু নিয়মীয়া ৰোজগাৰৰ। বৰ্তমান মুদ্ৰাস্ফীতিৰ ঊৰ্ধ্বগমনে দৈনন্দিন জীৱন চৰ্চাৰ বাবে প্ৰয়োজনীয় প্ৰায় সকলো ধৰণৰ সামগ্ৰী ব্যয়বহুল কৰি তুলিছে। বজাৰত জুই-ছাই দাম খাদ্য সামগ্ৰী, ইন্ধনৰ। খৰচ বাঢ়িছে বাসস্থান, শিক্ষা আৰু স্বাস্থ্যসেৱাৰো। কি বেংক, কি পিএফ সকলোতে কমিছে সুতৰ হাৰ। ফলশ্ৰুতিত দিনক দিনে কমিছে মধ্যবিত্তৰ সঞ্চয়ৰ পৰিমাণ। এনে ক্ষেত্ৰত হঠাৎ কেতিয়াবা জৰুৰীভাৱে বৃহৎ পৰিমাণৰ ধন লগা হ'লে জমা বা সঞ্চয়েৰে তাক পূৰণ কৰাটো এই সময়ত বহু মধ্যবিত্তৰ বাবে জটিল হৈ পৰিছে। শেহতীয়াভাৱে কৰ'নাৰ পাছৰে পৰা আৰ্থিক মন্দাৰ সন্মুখীন হোৱা বহু পৰিয়ালে জৰুৰীভাৱে ধনৰ প্ৰয়োজন হোৱাত সোণৰ গহনা পৰ্যন্ত বিক্ৰী কৰিবলগীয়াত পৰিছে । কিন্তু বিক্ৰীৰ পৰিৱৰ্তে একেখিনি সোণৰ গহনাৰ পৰা ঋণো ল'ব পাৰি। সোণ ঋণ বা স্বৰ্ণ হৈছে এনে ঋণ আঁচনি যাৰ দ্বাৰা আপুনি প্ৰয়োজনৰ সময়ত নিজৰ সাঁচতীয়া সোণৰ অলংকাৰ কেতবোৰ বিশেষ বিত্তীয় প্ৰতিষ্ঠান বা বেংকত ৰাখি তাৰ বিপৰীতে ধনৰাশি লাভ কৰিব পাৰে। এই ঋণৰ পৰিমাণ, সোণৰ বিশুদ্ধতাৰ ওপৰত নিৰ্ভৰ কৰে। সেয়েহে লকাৰত ৰখা সোণো চিকিৎসাজনিত জৰুৰীকালীন অৱস্থাত কোনো জটিলতা অবিহনে ব্যৱহাৰ কৰিব পৰা যায়। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ তথ্য অনুসৰি, ভাৰতত ক'ভিড-১৯ৰ প্ৰাদুৰ্ভাৱৰ ফলত বেংকিং উদ্যোগ ক্ষতিগ্ৰস্ত হোৱাৰ সময়ত স্বৰ্ণ ঋণৰ বাবে আবেদনকাৰীৰ সংখ্যাৰ অভূতপূৰ্ব হাৰত উত্থান ঘটিছিল। তথ্য অনুসৰি, ২০২১ৰ ছেপ্তেম্বৰ পৰ্যন্ত বেংকবোৰে প্ৰায় ৬,২৯২.৬০ কোটি টকাৰ এনে ঋণ যোগান ধৰিছিল।

স্বৰ্ণ ঋণৰ গোটেই কৌশলটো দৰাচলতে বিভিন্ন সুৰক্ষিত ঋণৰ স'তে প্ৰায় একে। গ্ৰাহকে সোণৰ গহনা পাতি আদি নথিপত্ৰৰ স'তে ঋণদাতাৰ ওচৰলৈ লৈ যায়। ঋণদাতাই এই সোণৰ সামগ্ৰীবোৰৰ মূল্যায়ন কৰে আৰু দাখিল কৰা ফাইলবোৰ পৰীক্ষা কৰি বিশুদ্ধতাৰ মূল্যাংকনৰ ভিত্তিত ঋণ প্ৰদান কৰে। ইয়াৰ পাছত ঋণদাতাই বন্ধকীৰ পৰিমাণ নিৰ্ধাৰণ কৰে আৰু বন্ধকী নিষ্পত্তি অনুসৰি নিৰ্দিষ্ট সময়ৰ অন্তৰত গ্ৰাহকে সুতৰ পৰিমাণ পৰিশোধ কৰাৰ পাছত প্ৰতিশ্ৰুতি দিয়া ধৰণে ঋণদাতাই সোণৰ সামগ্ৰীবোৰ ঘূৰাই দিয়ে।

স্বৰ্ণ ঋণৰ সুতৰ হাৰ অসুৰক্ষিত ঋণৰ মূল্যাংকনত কম কিয়নো ইয়াত ব্যক্তিগত বন্ধক অন্তৰ্ভুক্ত থাকে। তদুপৰি, সোণ ঋণৰ ওপৰত আৰোপ কৰা সুতৰ উদ্ধৃতিবোৰ এজন ঋণদাতাৰ পৰা আন এজনলৈ পৃথক হয় আৰু বিভিন্ন কাৰকৰ ওপৰত নিৰ্ভৰ কৰে, যেনে— সোণ ঋণৰ ম্যাদ, ঋণৰ পৰিমাণ ইত্যাদি। উল্লেখ্য যে বেংকবোৰে সাধাৰণতে এনবিএফচিতকৈ কম সুতৰ হাৰত এনে ঋণ প্ৰদান কৰে।

**স্বৰ্ণ ঋণৰ বাবে যোগ্যতা**

যদি আপুনি আপোনাৰ সোণৰ গহনা বা অলংকাৰৰ বিপৰীতে ঋণ প্ৰাপ্ত কৰিব বিচাৰে, তেন্তে আপুনি প্ৰথমেই নিশ্চিত কৰিব লাগিব যাতে ঋণদাতাৰ জৰিয়তে বিৱৰণ দিয়া যোগ্যতাৰ সকলো মানদণ্ড আপুনি পূৰণ কৰে। মনত ৰাখিব, যোগ্যতাৰ চৰ্ত ঋণদাতাভেদে বেলেগ বেলেগ হ'ব। সেয়ে, সোণৰ ঋণৰ বাবে আবেদন কৰাৰ আগতে ঋণদাতা সংস্থাৰ ইণ্টাৰনেট ছাইটত যোগ্যতাৰ চৰ্ত পৰীক্ষা কৰাটো জৰুৰী। এই যোগ্যতাসমূহ হৈছে— আবেদনকাৰীৰ বয়স ১৮ বছৰতকৈ অধিক হ'ব লাগিব ।
বন্ধক ঃ সোণৰ অলংকাৰ বা বস্তু ।
সোণৰ মানদণ্ড ১৮ কেৰেট আৰু তাৰ ওপৰত।
ঋণ লওঁতাই নিম্নলিখিত তথ্য প্ৰদান কৰিব লাগিব।
যথাযথভাৱে ভৰ্তি কৰা প্ৰ-পত্ৰ, পাছপোৰ্ট আকাৰৰ ছবি, পৰিচয়ৰ প্ৰমাণ, ঠিকনাৰ প্ৰমাণ, স্বাক্ষৰ প্ৰমাণ, প্ৰ-পত্ৰ ৬০ বা পেন কাৰ্ড, বয়সৰ প্ৰমাণ আদি।

**কেনেদৰে আবেদন কৰিব?**

সোণৰ বিপৰীতে ঋণ পাবলৈ প্ৰথমেই আপুনি অনলাইন বা অফলাইন চেনেলৰ জৰিয়তে সোণ বন্ধকীৰ বাবে আবেদন কৰিব লাগিব। অনলাইনযোগে আবেদন কৰিবলৈ, আপুনি ঋণদাতাৰ ইণ্টাৰনেট ছাইটলৈ গৈ নিৰ্ধাৰিত তথ্য ৰেব ছফ্‌টৱেৰ প্ৰ-পত্ৰত প্ৰবিষ্ট কৰিব লাগিব আৰু প্ৰ-পত্ৰখন দাখিল কৰিব লাগিব। অন্যথা ঋণদাতা সংস্থাৰ নিকটতম শাখালৈ গৈও এই কাম কৰিব পাৰে। আপুনি আৱেদন প্ৰ-পত্ৰখন জমা দিয়াৰ পাছত ঋণদাতাই আপোনাৰ উপযোগিতা নিশ্চিত কৰিব। যদি আৱেদন গ্ৰহণ কৰা হয়, তেন্তে আপুনি বন্ধকীৰ পৰিমাণ প্ৰাপ্ত কৰিব।




**স্বৰ্ণ ঋণৰ লাভালাভ**

সোণৰ ঋণ হৈছে সঁচাকৈয়ে এটা অতি লাভজনক ঋণ। কিয়নো সোণ সদায় ঋণদাতাৰ হাতত সুৰক্ষিত হৈ থাকে। সেয়েহে, সোণৰ সুৰক্ষাৰ বিষয়ে চিন্তা কৰাৰ প্ৰয়োজন নাই। মুঠ পৰিমাণ পৰিশোধ কৰাৰ পাছত সোণখিনি ইয়াৰ মালিকক ঘূৰাই দিয়া হয়। তদুপৰি এনে ঋণ ল'লে ক্ৰেডিটৰ বিষয়ে চিন্তা কৰাৰো কোনো কাৰণ নাথাকে। কিয়নো সোণৰ ঋণ ক্ৰেডিট স্ক'ৰৰ বিষয়ে চিন্তা নকৰাকৈয়ে ল'ব পাৰি। লগতে স্বৰ্ণ ঋণৰ ম্যাদো অতি নমনীয়। এই ম্যাদ ন্যূনতম তিনি মাহৰ পৰা সৰ্বাধিক ৪৮ মাহলৈ হ'ব পাৰে। আটাইতকৈ সুবিধাজনক দিশটো এই যে, ইয়াত উপাৰ্জনৰ প্ৰমাণ দিয়াৰ কোনো প্ৰয়োজন নাই। তদুপৰি যিহেতুকে ই এক সুৰক্ষিত ঋণ, বেংকবোৰে কম সুততে ঋণ দিয়ে। সুতৰ মাচুল সাধাৰণতে ১৩ শতাংশৰ পৰা ১৪ শতাংশৰ ভিতৰত হয়। মুঠ বকেয়া পৰিমাণৰ পৰা মূল মূল্য হ্ৰাস কৰি সোণ ঋণৰ সুত গণনা কৰা হয়। বিভিন্ন বেংক আৰু ব্যক্তিগত ঋণদাতা অনুসৰি সোণৰ সূতৰ হাৰ পৃথক হয়। সেয়েহে, সোণৰ সুতৰ গণনা আমি যিজন ব্যক্তিৰ পৰা টকা ধাৰ লৈ আছো তাৰ ওপৰত নিৰ্ভৰ কৰে। এই সুত অন্যান্য বিভিন্ন কাৰক যেনে ঋণৰ ম্যাদ, ঋণৰ পৰিমাণ, সোণৰ বিশুদ্ধতা আদিৰ ওপৰতো নিৰ্ভৰ কৰে ।



পিতৃ ধীৰুভাই আম্বানীৰ জন্মদিন উপলক্ষে আয়োজিত এক অনুষ্ঠানত ৰিলায়েন্সৰ দায়িত্বভাৰ পৰিৱৰ্তন হোৱাৰ এনে ইংগিত দিছিল মুকেশে। সম্প্ৰতি সেই ইংগিতেই সঁচা বুলি প্ৰমাণিত হৈছে। বজাৰ মূলধনেৰে ভাৰতৰ ভিতৰতে সৰ্ববৃহৎ কোম্পানী হিচাপে স্বীকৃতি লাভ কৰা ৰিলায়েন্সৰ সাম্ৰাজ্য সম্প্ৰতি নতুন প্ৰজন্মৰ হাতত অৰ্পণ কৰাৰ সিদ্ধান্ত ঘোষণা কৰিছে মুকেশ আম্বানীয়ে।

# ৰিলায়েন্সৰ সাম্ৰাজ্যক এইবাৰ নেতৃত্ব দিব আম্বানী পুত্ৰই

**জিঅ'ৰ অধ্যক্ষ পদত মুকেশৰ বৰপুত্ৰ আকাশ, কন্যা ঈশাক ৰিলায়েন্সৰ খুচুৰা ইউনিটৰ মুৰব্বী হিচাপে নিযুক্তি দিয়াৰ প্ৰস্তুতি**

**তিনি** সন্তানৰ দক্ষতা আৰু সহযোগিতাৰ কথা বিশেষভাৱে উল্লেখ কৰি যোৱা বছৰেই মুকেশ অম্বানীয়ে ৰিলায়েন্স ইণ্ডাষ্ট্ৰীজৰ নেতৃত্ব সলনি হ'ব বুলি এক সংকেত দিছিল। পিতৃ ধীৰুভাই আম্বানীৰ জন্মদিন উপলক্ষে আয়োজিত এক অনুষ্ঠানত ৰিলায়েন্সৰ দায়িত্বভাৰ পৰিৱৰ্তন হোৱাৰ এনে ইংগিত দিছিল মুকেশে। সম্প্ৰতি সেই ইংগিতেই সঁচা বুলি প্ৰমাণিত হৈছে। বজাৰ মূলধনেৰে ভাৰতৰ ভিতৰতে সৰ্ববৃহৎ কোম্পানী হিচাপে স্বীকৃতি লাভ কৰা ৰিলায়েন্সৰ সাম্ৰাজ্য সম্প্ৰতি নতুন প্ৰজন্মৰ হাতত অৰ্পণ কৰাৰ সিদ্ধান্ত ঘোষণা কৰিছে মুকেশ আম্বানীয়ে। ৰিলায়েন্স জিঅ'ৰ ব্যৱসায়িক দায়িত্ব পুত্ৰ আকাশ আম্বানীক অৰ্পণ কৰাৰ পাছত কন্যা ঈশা আম্বানীকো ৰিলায়েন্স ৰিটেইলৰ দায়িত্ব অৰ্পণৰ প্ৰস্তুতি চলাইছে মুকেশে। বৰ্তমানে ৰিলায়েন্স ৰিটেইল ভেঞ্চাৰছ লিমিটেডৰ সঞ্চালিকা হিচাপে



কাৰ্যনিৰ্বাহ কৰি থকা ঈশাক ৰিলায়েন্সৰ খুচুৰা ইউনিটৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়াৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে।

আকাশ আম্বানীক ৰিলায়েন্সৰ টেলিকম শাখা জিঅ'ৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়াৰ পূৰ্বে জিঅ'ৰ অধ্যক্ষ আছিল মুকেশ আম্বানী। আকাশ আম্বানীয়ে পূৰ্বৰে পৰা ৰিলায়েন্স জিঅ'ত পৰিচালক হিচাপে কাম কৰি আছিল। ব্ৰাউন বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতিত স্নাতক ডিগ্ৰী লাভ কৰা ৩০ বছৰীয়া আকাশে ২০২০ত শ্লোকা মেহতাৰ স'তে বিবাহপাশত আবদ্ধ হয়। প্ৰিয়ংকা চোপ্ৰাৰ পৰা আৰম্ভ কৰি ব্ৰিটিছৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী টনি ব্লেয়াৰলৈকে সকলো উপস্থিত আছিল আকাশৰ এই ৰাজকীয় বিবাহত। পাছলৈ তেওঁলোকৰ একমাত্ৰ পুত্ৰ পৃথ্বীৰ জন্ম হয়। আকাশ মূলতঃ ৰিলায়েন্স গ্ৰুপৰ ডিজিটেল বিভাগৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত। জিঅ' ইনফ'কমৰ মুখ্য কৌশলী হিচাপে কাম কৰা আকাশ হৈছে নেটৱৰ্ক নিৰ্মাণৰ উপৰি জিঅ' চাট, জিঅ' টিভি, জিঅ' চিনেমাৰ দৰে এপ্লিকেচন সমূহৰ আঁৰৰ অন্যতম ব্যক্তি। জিঅ'ক আগুৱাই নিয়াৰ ক্ষেত্ৰত আকাশৰ লগতে ঈশাৰো ভূমিকা অনস্বীকাৰ্য। দুয়ো মেটা প্লেটফৰ্মৰ পৰা (পূৰ্বতে ফেচবুক) বৃহৎ বিনিয়োগ লাভ কৰা এটা দলৰ অংশ আছিল। ৩০ বছৰীয়া ঈশাই ইয়েল বিশ্ববিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি, মুকেশ আৰু নীতা আম্বানীৰ তিনিটা সন্তানৰ ভিতৰত আকাশ হৈছে ডাঙৰ সন্তান। তেওঁৰ যমজ ভনীয়েক হৈছে ঈশা আম্বানী। লগতে আছে তেওঁৰ ভাতৃ অনন্ত আম্বানী যি বৰ্তমানে ৰিলায়েন্স ৰিটেইল ভেঞ্চাৰছ আৰু জিঅ' প্লেটফৰ্মৰ সঞ্চালক।





আম্বানীৰ ৰিলায়েন্স সাম্ৰাজ্যৰ উত্তৰাধিকাৰী বুলিয়েই নহয়,সঘনায় সংবাদ মাধ্যমত ক্ৰীড়াৰ প্ৰতি থকা বিশাল অনুৰাগ আৰু বিলাসী গাড়ী ক্ৰয়ৰ প্ৰতি থকা চখৰ বাবেও চৰ্চিত হৈ আহিছে আকাশৰ নাম। তেওঁৰ আছে কে'বাখনো বহু দামী আৰু ৰাজকীয় গাড়ী । ইয়াৰ ভিতৰত আছে মাৰ্চিডিজ বেঞ্জ, ৰেঞ্জ ৰভাৰ, ৰ'লছ ৰয়ছ ফেণ্টম ড্ৰপহেড কুপৰ দৰে বিলাসী মডেল।

উল্লেখ্য যে ৰিলায়েন্স ৰিটেইল আৰু ৰিলায়েন্স জিঅ' দুয়োটা ৰিলায়েন্স ইণ্ডাষ্ট্ৰীজৰ সহযোগী কোম্পানী। বজাৰ মূলধনৰ দিশেৰে ৰিলায়েন্স হৈছে দেশৰ ভিতৰতে সৰ্ববৃহৎ কোম্পানী যাৰ মাৰ্কেট কেপ ১৭ লাখ কোটি টকাতকৈও অধিক। পিতৃৰ পদাংক অনুসৰণ কৰি আকাশে এই কোম্পানীটোক কিমান ওপৰলৈ লৈ যাবলৈ সমৰ্থ হ'ব সেয়া সময়েহে ক'ব।

# জন ধন ৬০ বছৰ বয়সলৈ লাভ কৰিব পাৰে এই আঁচনিৰ সুবিধা

দেশৰ সকলো শ্ৰেণীৰ নাগৰিকক বেংকিং সেৱাৰ স'তে সংযুক্ত কৰিবলৈ ২০১৪ তে প্ৰধানমন্ত্ৰী জন ধন যোজনা (পিএমজেডিৱাই) আৰম্ভ কৰা হৈছিল। এতিয়ালৈকে এই আঁচনিৰ অধীনত ৪২.৩৭ কোটিৰো অধিক একাউণ্ট খোলা হৈছে। এই আঁচনিৰ অধীনত দৰিদ্ৰসীমাৰ তলৰ লোকসকলেও একাউণ্ট খুলিব পাৰে। এই একাউণ্টৰ একাধিক সুবিধা আছে। জন ধন একাউণ্ট সম্পৰ্কে সবিশেষ জানো আহকচোন




**জন ধন একাউণ্টৰ সুবিধাসমূহ**

এই আঁচনিৰ অধীনত একাউণ্ট ধাৰকসকলে কোনো নিম্নতম বেলেন্স বজাই ৰখাৰ প্ৰয়োজন নাই। আনহাতে, যদি তেওঁলোকে বেংকৰ চেকৰ সুবিধা ব্যৱহাৰ কৰিব বিচাৰে, তেন্তে নিম্নতম বেলেন্স বজাই ৰখাৰ প্ৰয়োজন আছে। যেতিয়া একাউণ্টধাৰীয়ে প্ৰায় ছমাহৰ বাবে বেংক একাউণ্ট ভালদৰে ৰক্ষণাবেক্ষণ কৰিবলৈ সক্ষম হয়, তেওঁলোকক অভাৰড্ৰাফ্‌টৰো সুবিধা দিয়া হয় ইয়াত। এই বেংক একাউণ্ট থকা লোকসকলে শেহতীয়া 'ৰুপে' আঁচনি অনুসৰি প্ৰায় এক লাখ টকাৰ দুৰ্ঘটনাজনিত প্ৰৱেশাধিকাৰ বীমা আৱৰণ লাভ কৰে। আনহাতে, যিসকল উপভোক্তাই প্ৰধানমন্ত্ৰী জন ধন যোজনা একাউণ্ট ২০১৪ৰ ২০ আগষ্ট আৰু ২০১৫ৰে ৩১ জানুৱাৰীৰ ভিতৰত মুকলি কৰিছে, তেনে হিতাধিকাৰীৰ মৃত্যু হ'লে প্ৰায় ৩০হেজাৰ টকাৰ সামগ্ৰিক জীৱন আৱৰণ আগবঢ়োৱা হয় ব্যক্তিজনৰ পৰিয়ালক। প্ৰদত্ত আঁচনিৰ অধীনত, পেঞ্চন প্ৰৱেশাধিকাৰ আৰু বীমা সামগ্ৰী আগবঢ়োৱা হয়। যদি উপভোক্তা আন কিছুমান চৰকাৰ-আধাৰিত আঁচনিৰ হিতাধিকাৰী হয়, তেওঁলোকক প্ৰত্যক্ষ লাভালাভ স্থানান্তৰৰ বিকল্পও দিয়া হয়।

এটা নিৰ্দিষ্ট পৰিয়ালৰ এটা একাউণ্টত সৰ্বমুঠ ৫ হেজাৰ টকাৰ অভাৰড্ৰাফ্‌টৰ সুবিধা প্ৰদান কৰা হয় এই আঁচনিত। বেছিভাগ ক্ষেত্ৰতে, প্ৰদান কৰা লাভালাভ ঘৰৰ মহিলাগৰাকীক দিয়া হয়। এই আঁচনিত ব্যক্তিগত দুৰ্ঘটনাৰ বাবে বীমা আৱৰণ কেৱল তেতিয়াহে দাবী কৰিব পাৰি যেতিয়া ৰুপে কাৰ্ডৰ ধাৰকে বিত্তীয় বা অ-বিত্তীয় লেনদেন কৰিবলৈ আগবাঢ়ে।

**বয়সৰ সীমা**

পিএমজেডিৱাই আঁচনিৰ অধীনত ১০ বছৰ বা তাতকৈ অধিক বয়সৰ লোকসকলে একাউণ্ট খুলিব পাৰে। অৱশ্যে, ১৮ বছৰ বয়স নোহোৱা একাউণ্টধাৰীক নাবালক হিচাপে গণ্য কৰা হয়। এই একাউণ্ট খুলিবলৈ বয়সৰ সৰ্বোচ্চ সীমা হৈছে ৬০ বছৰ ।

**কিমান ধন প্ৰত্যাহাৰ কৰিব পাৰি**

পিএমজেডিৱাই একাউণ্টৰ পৰা ব্যক্তিসকলে মাহত সৰ্বাধিক চাৰিবাৰলৈকে ধন উলিয়াব পাৰে। প্ৰতি মাহে এনে একাউণ্টৰ পৰা সৰ্বাধিক ১০হেজাৰ টকা প্ৰত্যাহাৰ কৰিব পাৰি। একাউণ্ট ধাৰকে জমা কৰিব পৰা সৰ্বাধিক পৰিমাণ হৈছে এক লাখ টকা।

**বেলেন্স পৰীক্ষা কৰাৰ সহজ উপায়**

আটাইতকৈ সুবিধাজনক দিশটো হ'ল, জন ধন বেংক একাউণ্ট থকা উপভোক্তাসকলে মন কৰিলে এতিয়া ঘৰতে বহি বহি একাউণ্টত বেলেন্স কিমান আছে সেয়া জানিব পাৰে। মাত্ৰ এটা মিছড্ কলৰ জৰিয়তে জন ধন একাউণ্টৰ বেলেন্স পৰীক্ষা কৰিব পৰা যায়। ইয়াৰ বাবে উপভেক্তাজনৰ কৰণীয় কাম মাথোঁ এটাই। সেইটো হৈছে- একাউণ্টটো আধাৰৰ স'তে সংযুক্ত কৰা। মূলতঃ দুটা উপায়েৰে এনে একাউণ্টৰ বেলেন্স পৰীক্ষা কৰিব পাৰি। ইয়াৰে প্ৰথমটো হৈছে মিছড্ কলৰ জৰিয়তে। আনহাতে দ্বিতীয় উপায়টো হৈছে পিএফএমএছ প'ৰ্টেলৰ মাধ্যমেৰে ।

যিসকল গ্ৰাহকৰ ভাৰতীয় ষ্টেট বেংকত জন ধন একাউণ্ট আছে, তেওঁলোকে মিছড্ কলৰ জৰিয়তে খুব সহজেই নিজৰ একাউণ্টৰ বেলেন্স পৰীক্ষা কৰিব পাৰে। ইয়াৰ বাবে গ্ৰাহকে নিজৰ পঞ্জীয়নভুক্ত ম'বাইল নম্বৰৰ পৰা ১৮০০৪২৫৩৮০০ বা ১৮০০১১২২১১ নম্বৰলৈ মাত্ৰ এটা মিছড্ কল দিব লাগিব। ইয়াৰ পাছত বেংকৰ তৰফৰ পৰা গ্ৰাহকলৈ এক মেছেজৰ যোগেদি বেলেন্স সম্পৰ্কীয় তথ্য প্ৰেৰণ কৰা হ'ব। আনহাতে, পিএফএমএছ প'ৰ্টেলৰ জৰিয়তেও এই কাম সহজতে কৰিব পাৰি। পিএফএমএছ প'ৰ্টেললৈ যাবলৈ প্ৰথমতে https.//pfms.nic.in/NewDefaultHome.aspx# লিংকলৈ যাব লাগে। তাৰ পাছত 'নো ইয়ৰ পেমেণ্ট' ('Know Your Payment') অপছনত ক্লিক কৰি গ্ৰাহকে নিজৰ জন ধন একাউণ্ট নম্বৰ দাখিল কৰিব লাগে। এই প্ৰক্ৰিয়াত দুবাৰকৈ নিজৰ একাউণ্ট নম্বৰটো দাখিল কৰিব লাগে। ইয়াৰ পাছত কেপচা কোড দিয়াৰ লগে লগে একাউণ্ট বেলেন্সৰ তথ্য জানিব পাৰিব গ্ৰাহকে।

**সহজে খুলিব পাৰি জন ধন একাউণ্ট**

জন ধন একাউণ্ট খুলিবলৈ, প্ৰথমে নিকটতম বেংক শাখাত জন ধন একাউণ্ট খোলাৰ প্ৰ-পত্ৰ পূৰণ কৰিব লাগিব। ইয়াত আবেদনকাৰীয়ে নিজৰ বিষয়ে সকলো বিৱৰণ দিব লাগিব। আবেদনকাৰীসকলে এই প্ৰ-পত্ৰত তেওঁলোকৰ নাম, ম'বাইল নম্বৰ, বেংক শাখাৰ নাম, আবেদনকাৰীৰ ঠিকনা, মনোনীত ব্যক্তি, বাৰ্ষিক উপাৰ্জন, ৱাৰ্ড নম্বৰ, ভিলেজ কোড, টাউন কোড ইত্যাদি বিভিন্ন তথ্য প্ৰদান কৰিব লাগিব। উল্লেখ্য যে এই একাউণ্ট পাছপোৰ্ট, ড্ৰাইভিং লাইচেঞ্চ, পেন কাৰ্ড নম্বৰ, ভোটাৰ পৰিচয় পত্ৰ আদিৰ দৰে নথিপত্ৰৰে খুলিব পাৰি।

# এলআইচিৰ জীৱন লাভ আঁচনি

**সম্পূৰ্ণ সুৰক্ষিত সীমিত প্ৰিমিয়ামৰ পলিচি**

আপুনি বাৰু দেশৰ সবাতোকৈ জনপ্ৰিয় আৰু নিৰ্ভৰযোগ্য বীমা প্ৰতিষ্ঠান এলআইচিৰ কোনো লাভজনক আঁচনিত ধন বিনিয়োগৰ পৰিকল্পনা কৰি আছে নেকি? গ্ৰাহকক ভালৰো ভাল লাভজনক আৰু সুৰক্ষাৰ নিশ্চিতি থকা আঁচনি আগবঢ়োৱাৰ উদ্দেশ্যে ভাৰতীয় জীৱন বীমা নিগমে বিভিন্ন আঁচনি বজাৰত উলিয়াই দিছে। তাৰ ভিতৰত ব্যাপকভাৱে জনপ্ৰিয় হোৱা এক আঁচনি হৈছে এলআইচি জীৱন লাভ । এই আঁচনিত প্ৰতি মাহে মাত্ৰ ২৩৩ টকাকৈ জমা কৰিলে সহজতে ১৭ লক্ষ টকা লাভ কৰিব পাৰি।




**আঁচনিখনৰ গুৰুত্বপূৰ্ণ দিশসমূহ কি কি?**

এলআইচিৰ জীৱন লাভ আঁচনিখন হৈছে এখন নন্ লিংকড্ পলিচি। অৰ্থাৎ শ্বেয়াৰ বজাৰৰ সূচকৰ উঠা নমাৰ স'তে এই পলিচিৰ কোনো সম্পৰ্ক নাই। পলিচিখনত ধন বিনিয়োগ কৰিলে বিনিয়োগকাৰীৰ টকা সম্পূৰ্ণ সুৰক্ষিত হৈ থাকে। এই সীমিত প্ৰিমিয়ামৰ পলিচিখনত সন্তানৰ বিয়া-বাৰু, উচ্চ শিক্ষা অথবা সম্পত্তি ক্ৰয়ৰ পৰিকল্পনাৰে বিনিয়োগ কৰিব পাৰি যাতে ভৱিষ্যতে আৰ্থিক সুবিধা হয়।

ন্যূনতম আঠ বছৰ বয়সৰ পৰা বিনিয়োগ কৰিব পৰা এই পলিচিৰ গ্ৰাহকৰ বয়সৰ ঊৰ্ধ্বসীমা হৈছে ৫৯ বছৰ। আনহাতে পলিচিখনৰ টাৰ্ম ১৬ৰ পৰা ২৫ বছৰ পৰ্যন্ত। এই পলিচিত ন্যূনতম ছাম এচিয়ৰ্ডৰ পৰিমাণ হৈছে দুই লক্ষ টকা। বিপৰীতে, সৰ্বোচ্চ কোনো সীমা নাই। বিনিয়োগকাৰীয়ে একেৰাহে তিনি বছৰ পৰ্যন্ত প্ৰিমিয়াম জমা দিয়াৰ পাছত প্ৰয়োজন সাপেক্ষে ঋণো ল'ব পাৰে এলআইচিৰ জীৱন লাভ আঁচনিখনৰ মাধ্যমেৰে। নিৰ্ধাৰিত নিয়ম অনুসৰি, জীৱন লাভ আঁচনিৰ গ্ৰাহকে জমা দিয়া প্ৰিমিয়ামত কৰ ৰেহাইৰ সুবিধাও উপভোগ কৰিব পাৰে।

দুৰ্ভাগ্যবশত ঃ পলিচি হোল্ডাৰৰ মৃত্যু হ'লে তেওঁৰ দ্বাৰা মনোনীত ব্যক্তিয়ে লাভ কৰিব সম্পূৰ্ণ বীমাৰাশিৰ লগতে বোনাছ। পলিচি হোল্ডাৰৰ মৃত্যু হ'লে আৰু মৃত্যুৰ সময়লৈ প্ৰিমিয়ামৰ সমস্ত দেনা সম্পূৰ্ণ হ'লে মনোনীত ব্যক্তিয়ে বীমাৰাশি, ছিম্পল ৰিভাৰ্ছনৰি বোনাছ আৰু ফাইনেল এডিচন বোনাছ আটাইখিনি লাভ কৰিব পাৰে।

**কেনেদৰে পাব ১৭ লক্ষ টকাৰ ৰিটাৰ্ণ ?**

কোনো এজন গ্ৰাহকে যদি তেওঁৰ ২৩ বছৰ বয়সৰ পৰাই এই আঁচনিত বিনিয়োগ কৰে তেওঁ ১৭ লক্ষ টকাৰ ৰিটাৰ্ণ লাভৰ সুযোগ পাব। ইয়াৰ বাবে গ্ৰাহকজনে সুদীৰ্ঘ ১৬ বছৰৰ টাৰ্ম প্লেন বাছনি কৰিব লাগিব আৰু ১০ লক্ষ টকাৰ ছাম এচিয়ৰ্ডৰ অপছনটো গ্ৰহণ কৰিব লাগিব। পলিচীৰ টাৰ্ম আৰু ছাম এচিয়ৰ্ডৰ পৰিমাণ নিৰ্ধাৰণ কৰাৰ পাছত একেৰাহে ১০ বছৰ পৰ্যন্ত যদি দৈনিক ২৩৩ টকাকৈ জমা থ'ব পাৰে তেন্তে ম্যাদ পূৰ হোৱাৰ সময়লৈ অৰ্থাৎ গ্ৰাহকজনৰ ৩৯ বছৰ বয়সত তেওঁ লাভ কৰিব ১৭,১৩,০০০ টকাৰ নিশ্চিত ৰিটাৰ্ণ।

# সলনি হৈছে ধনৰ লেনদেন সম্পৰ্কীয় এইবোৰ নিয়ম



যোৱা পহিলা জুলাইৰ পৰা সাধাৰণ বিনিয়োগকাৰী তথা গ্ৰাহকৰ পকেটত চাপ পৰাকৈ ধনৰ লেনদেন সম্পৰ্কীয় কে'বাটাও নিয়মৰ পৰিৱৰ্তন হৈছে। এই পৰিৱৰ্তনসমূহৰ বিষয়ে জানি লওঁ আহক

**১। আধাৰ-পেন লিংক নকৰিলে দুগুণ জৰিমনা**

যদি আপুনি অদ্যাপি পেন কাৰ্ড আৰু আধাৰ কাৰ্ড লিংক কৰা নাই তেন্তে এতিয়াৰে পৰা পান-আধাৰ সংযোগ কৰাৰ সময়ত ১,০০০ টকাকৈ জৰিমনা ভৰিব লগা হ'ব। যোৱা পহিলা জুলাইৰ পৰা প্ৰযোজ্য হৈছে এই নতুন নিয়ম।

**২। উপহাৰত দিব লাগিব ১০ শতাংশৰ টিডিএছ**

ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা লাভ কৰা উপহাৰসমূহৰ বাবদ এতিয়াৰে পৰা ১০ শতাংশ হাৰত টিডিএছ কৰ্তন কৰা হ'ব । চিকিৎসক আৰু ছ'চিয়েল মিডিয়াৰ প্ৰভাৱশালী লোকৰ ওপৰত আৰোপ কৰা হ'ব এই কৰ। কিন্তু ছ'চিয়েল মিডিয়াৰ প্ৰভাৱশালী লোকসকলে কোনো কোম্পানীৰ পৰা লাভ কৰা সামগ্ৰীসমূহ মাৰ্কেটিঙৰ বাবে ৰাখিলেহে কৰ আৰোপ কৰা হ'ব। যদি তেওঁলোকে তেনে সামগ্ৰী ঘূৰাই দিয়ে, তেন্তে টিডিএছ কৰ্তন কৰা নহ'ব।

**৩। গ্ৰাহকৰ কাৰ্ডৰ সবিশেষ সংৰক্ষণ কৰাত নিষেধাজ্ঞা**

যোৱা এক জুলাইৰ পৰা ভাৰতীয় ৰিজাৰ্ভ বেংকে ডেবিট আৰু ক্ৰেডিট কাৰ্ডৰ লেনদেনত কাৰ্ড টোকেনাইজেচনৰ ব্যৱস্থা কৰিছে। এই ব্যৱস্থা প্ৰৱৰ্তনৰ ফলত পেমেণ্ট এগ্ৰিগেটৰ, ব্যৱসায়ী, পেমেণ্ট গেটৱে আৰু অধিগ্ৰহণকাৰী বেংকসমূহক গ্ৰাহকৰ কাৰ্ডৰ সবিশেষ সংৰক্ষণ কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। কাৰ্ডৰ লেনদেন সুৰক্ষিত কৰাৰ বাবে এই নিয়ম কাৰ্যকৰী কৰা হৈছে। এই সুৰক্ষিত পদ্ধতি ৰূপায়ণৰ পাছত অনলাইনত সামগ্ৰী বিক্ৰী কৰা কোম্পানীসমূহে গ্ৰাহকৰ সবিশেষ সংৰক্ষণ কৰিব নোৱাৰিব।

**৪। কৰ্মৰ সময় বৃদ্ধি**

যোৱা পহিলা জুলাইৰ পৰা নতুন শ্ৰম সংহিতা কাৰ্যকৰী কৰিছে কেন্দ্ৰীয় চৰকাৰে। এনে অৱস্থাত কোম্পানীসমূহে প্ৰয়োজনসাপেক্ষে কৰ্মচাৰীসকলক ১২ ঘণ্টা কাম কৰিবলৈ ক'ব পাৰে, কিন্তু তাৰ বিনিময়ত কৰ্মচাৰীসকলক তিনিদিনৰ ছুটী প্ৰদান কৰিব লাগিব।

**৫। ক্ৰিপ্টোকাৰেন্সী লেনদেনত অতিৰিক্ত মাচুল**

ক্ৰিপ্টোকাৰেন্সীৰ লেনদেনত এক শতাংশকৈ মাচুল ভৰিব লাগিব এতিয়াৰে পৰা। অৱশ্যে এবছৰত লেনদেনৰ পৰিমাণ ১০ হেজাৰ টকাতকৈ অধিক হ'লেহে এই চাৰ্জ প্ৰযোজ্য হ'ব।

**৬। ডিমেট আৰু ট্ৰেডিং একাউণ্টৰ বাবে কেৱাইচি**

যিসকল বিনিয়োগকাৰীয়ে ডিমেট আৰু ট্ৰেডিং একাউণ্টৰ বাবে কেৱাইচি সম্পূৰ্ণ কৰা নাই তেওঁলোকৰ বাবে এতিয়াৰে পৰা কিছু সমস্যাৰ সন্মুখীন হ'ব পাৰে। স্মৰ্তব্য, ডিমেট একাউণ্টৰ বাবে কেৱাইচি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ শেষ তাৰিখ ২০২২ৰ ৩১ মাৰ্চ আছিল যদিও ছেবিয়ে বিনিয়োগকাৰীৰ সুবিধাৰ্থে ইয়াৰ সময়সীমা ৩০ জুনলৈ বৃদ্ধি কৰিছিল।

**৭। এচিৰ দাম বৃদ্ধি**

পহিলা জুলাইৰ পৰা দেশত বৃদ্ধি পাইছে এয়াৰ কণ্ডিচনাৰ (এচি)ৰ মূল্যও। ব্যুৰ' অৱ এনাৰ্জি এফিচিয়েন্সিয়ে (BEE) শক্তি ৰেটিঙৰ নিয়ম সলনি কৰিছে। এই নতুন নিয়ম অনুসৰি, যোৱা পহিলা জুলাইৰ পৰা ৫ ষ্টাৰ এচিৰ ৰেটিং চাৰি ষ্টাৰলৈ হ্ৰাস কৰা হ'ব। ইয়াৰ ফলতে কেতবোৰ কোম্পানীয়ে এচিৰ দাম ১০ শতাংশ পৰ্যন্ত বৃদ্ধি কৰিছে।

**৮। দুচকীয়া বাহনৰ দাম বৃদ্ধি**

পহিলা জুলাইৰ পৰা ব্যয়বহুল হৈছে হিৰ'ৰ দুচকীয়া বাহন। হিৰ' মট'কৰ্পে ইয়াৰ মটৰ চাইকেলসমূহৰ দাম তিনি হেজাৰ টকা পৰ্যন্ত বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বৃদ্ধি পোৱা মুদ্ৰাস্ফীতি আৰু কেঁচামালৰ মূল্যবৃদ্ধিৰ বাবে হিৰ' মট'কৰ্পে এনেদৰে মূল্যবৃদ্ধি কৰিছে। অচিৰেই আন আন কোম্পানীয়েও দুচকীয়া বাহনৰ দাম বৃদ্ধি কৰাৰ সম্ভাৱনা আছে ।

# ধিঙত ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ ভয়ংকৰ ৰূপ

*তিনি পৃষ্ঠাৰ পৰা* যিকোনো মুহূৰ্তত নদীৰ বুকুত বিলীন হ'ব পাৰে এই বিদ্যালয়খন। ইয়াৰ পৰিপ্ৰেক্ষিতত বিদ্যালয়খনৰ সকলো আচবাব ইতিমধ্যে অন্য স্থানলৈ স্থানান্তৰ কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ খহনীয়াত বিলীন হ'বলৈ ধৰা বিদ্যালয়খন চাই এতিয়া চকুলো টুকিছে ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলৰ উপৰি স্থানীয় ৰাইজে। উপায়হীন হৈ এই বিধ্বংসীৰূপ নীৰৱ দৰ্শক চাই ৰৈছে স্থানীয় ৰাইজে। স্মৰ্তব্য যে এপষেক পূৰ্বেও এই অঞ্চলৰ কাষৰে আন এখন চৰকাৰী বিদ্যালয় বৰবিল মোৰামাৰী মোক্তাৰ বিদ্যালয় ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছিল।

শেহতীয়াকৈ মোৰামাৰী অঞ্চলত ব্ৰহ্মপুত্ৰ নদী শিলঘাট-ধিং মথাউৰিটোৰ দিশে দ্ৰুতগতিত আগুৱাই অহাত মথাউৰিটোৰ প্ৰতি চৰম ভাবুকি নামি আহিছে। মথাউৰিটোৰ পৰা মাত্ৰ ৩০মিটাৰ দূৰত ব্ৰহ্মপুত্ৰ অৱস্থান কৰি খহনীয়াৰ তাণ্ডৱ অব্যাহত ৰখাত মোৰামাৰী অঞ্চলৰ বহু লোকে নিজা পকী ঘৰ-দুৱাৰ ভাঙি অন্য স্থানলৈ গুচি যায়। ইপিনে, মোৰামাৰীৰ এই খহনীয়াই ধিং নগৰৰ প্ৰতিও চৰম ভাবুকি মাতি আনিছে। ধিঙৰ মোৰামাৰী আৰু সুতাৰগাঁও আদি বিভিন্ন অঞ্চলত ব্ৰহ্মপুত্ৰৰ প্ৰতিৰোধ বিহীন খহনীয়াই তাণ্ডৱ অব্যাহত ৰাখিছে যদিও এই ক্ষেত্ৰত স্থানীয় বিধায়ক আমিনুল ইছলাম আৰু সাংসদ গৌৰৱ গগৈয়ে কোনো ধৰণৰ পদক্ষেপই গ্ৰহণ নকৰাত ৰাইজ ক্ষুণ্ণ হৈ পৰিছে।

# ঘৰৰ চাঙৰ পৰা পৰি বৃদ্ধৰ মৃত্যু

*তিনি পৃষ্ঠাৰ পৰা* দিহিংমুখ আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ ১০খনৰো অধিক গাঁও ভয়াবহ বানৰ কবলত পৰিছে। অঞ্চলটোৰ চৌদিশে বানে সংহাৰী ৰূপ ধাৰণ কৰাৰ সময়তে আজি বিয়লি প্ৰায় ৪.৩০ বজাত ডিমৌ ৰাজহ চক্ৰৰ অধীনৰ তথা নিতাইপুখুৰী আৰক্ষী চকীৰ অন্তৰ্গত মিৰিপথাৰত ঘৰৰ চাঙৰ পৰা পৰি যুগল টাৰ (৭০) নামৰ এজন বৃদ্ধৰ মৃত্যু হোৱা ঘটনাই নিতাই পানীদিহিং তথা ডিমৌত শোকৰ ছাঁ পেলাইছে। জানিব পৰা মতে, মিৰিপথাৰ গাঁৱৰ যুগল টাৰ নামৰ বৃদ্ধগৰাকী বিয়লি ঘৰৰ চাঙৰ পৰা পানীত পৰি মৃত্যু হোৱাৰ বিষয়ে পৰিয়ালৰ লোকে পলমকৈহে জানিব পাৰে। উল্লেখ্য যে মিৰিপথাৰ গাঁওখনৰ ঘৰদুৱাৰ বৰ্তমান বানত বুৰ গৈ থকাৰ লগতে যুগল টাৰ ঘৰখনৰ ঠাইডোখৰ অতি দ'। যাৰ বাবে বৃদ্ধজনে পানীৰ পৰা উঠিব নোৱাৰি মৃত্যুক সাৱটি লয়। ইফালে, ৰাইজে যুগল টাৰৰ মৃতদেহ সন্ধিয়া উদ্ধাৰ কৰি নিতাইপুখুৰী আৰক্ষীক খবৰ দিয়ে। নিতাইপুখুৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া পূৰব্বী নৰহে মৃতদেহ জয়সাগৰ অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰা বুলি জানিব পৰা গৈছে। আনহাতে টিএমপিকে দিহিংমুখ আঞ্চলিক সমিতিৰ সভাপতি প্যাৰজ্যোতি টাৰ আৰু সম্পাদক আপেল টাইদ, স্থানীয় গাঁওপ্ৰধান ত্ৰৈলোক্য টাইদে যুগল টাৰৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। আনহাতে, টিএমপিকে নেতাদ্বয়ে পৰিয়ালটোক এই ক্ষেত্ৰত যাৱতীয় ক্ষতিপূৰণ দিবলৈ চৰকাৰক দাবী জনায়। তদুপৰি মিৰিপথাৰৰ চৌদিশে কেৱল পানীৰে আৱৰি থকাত মৃতদেহ পুতিবলৈ ঠাইৰ অভাৱ বুলি জানিব দিয়ে। ইফালে, মৃত্যুৰ সময়ত পত্নী, চাৰিজন পুত্ৰ আৰু তিনিগৰাকী কন্যাক ইহসংসাৰত এৰি থৈ যায়।

# ভাওৰাগুৰীৰ সাতবিলত ৰাইজে নিৰ্মাণ

*তিনি পৃষ্ঠাৰ পৰা* সংযোগী দলংখন ৰাইজে নিজৰ গাঁঠিৰ ধনেৰে নিৰ্মাণ কৰে। উল্লেখ্য যে গাঁওখনৰ লোকসকল কৃষি আৰু পশুপালনৰ লগত জড়িত। বাৰিষাৰ সময়ত পশুধন চৰাৰ বেলেগ কোনো ঠাই নথকাত গাঁওখনৰ প্ৰায় শতাধিক পৰিয়ালে গাঁওখনত স্থিৰ ডাঙৰ খেলপথাৰতে গৰু-ছাগলী চৰায়। লগতে আবেলি হ'লেও গাঁৱৰ যুৱকসকলে খেলা-ধূলা কৰে। আনকি কোনো এজন লোকৰ মৃত্যু হ'লে খেলপথাৰৰ সমীপতে থকা শ্মশানতে শেষকৃত্য সম্পন্ন কৰিব লগা হয়। কিন্তু খেলপথাৰত যোৱাৰ পথতে গুৰুফেলা নদীৰ সংলগ্ন নলাৰ পানীৰ বাবে যাতায়াতৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। নলাটো ৰাইজে বিপদসংকুলভাৱে সাঁতুৰি পাৰ হ'ব গলা হয়। এদিন বৰষুণ দিলেই নলাটোৰ জলপৃষ্ঠ বৃদ্ধি হয় আৰু তেতিয়া কমপক্ষেও দিনত চাৰিবাৰ সাঁতুৰি পাৰ হ'ব লগা হয়। ৰাইজে বহুবাৰ জনপ্ৰতিনিধিৰ ওচৰত উক্ত স্থানত এখন কালভাৰ্টৰ দাবী কৰে যদিও আজিলৈকে কোনো এজন জনপ্ৰতিনিধি বা চৰকাৰে উক্ত সমস্যাৰ প্ৰতি আওকাণ নকৰাত ৰাইজে এতিয়া গাঁৱত ঘৰে ঘৰে বাঁহ বিচাৰি দলং নিৰ্মাণ কৰি কোনোমতে অহা-যোৱা কৰে। প্ৰতিবছৰে দলং নিৰ্মাণ কৰে যদিও এবছৰতেই ভাঙি যায় আৰু আকৌ পুনৰ নিৰ্মাণ কৰিব লাগে। আজিও ৰাইজে পুনৰ দলংখন নিৰ্মাণ কৰে। ৰাইজে পৰিৱৰ্তনৰ শ্ল'গান দিয়া প্ৰমোদ বড়ো নেতৃত্বাধীন বিটিচি চৰকাৰৰ লগতে অসম চৰকাৰক উক্ত স্থানত এখন দলং নিৰ্মাণ কৰি দিবলৈ দাবী জনায়।

# ডিফু-লামডিং পথৰ চাৰি কিলো

*তিনি পৃষ্ঠাৰ পৰা* উচ্ছেদ অভিযান চলোৱাৰ প্ৰাকমুহূৰ্তত প্ৰশাসনৰ লোকসকলৰ স'তে স্থানীয় গাঁওবাসীৰ তীব্ৰ বাক-বিতণ্ডা আৰু টনা-আঁজোৰা হয়। কিছুসময় তীব্ৰ উত্তপ্ত পৰিস্থিতিৰ মাজত হাতে হাতে প্লেকাৰ্ড লৈ কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ উচ্ছেদ অভিযানৰ বিৰোধিতাৰে শ্ল'গান দিয়ে। অৱশ্যে পৰৱৰ্তী সময়ত নিজ নিজ গৃহৰ সা-সামগ্ৰী তাৰ পৰা আঁতৰাই নিয়াৰ চেষ্টা কৰে। ২০১২ৰ পৰাই প্ৰায় ২৫ বিঘা মাটিত ৩৫ টা জনজাতীয় পৰিয়ালে ৰংপাংথিৰ চেৰিকালচাৰ বিভাগৰ মাটিত বসতি স্থাপন কৰিছিল। পাছলৈ উক্ত ২৫ বিঘা মাটিত গুচিব ন্যায়িক আদালত নিৰ্মাণ কৰাৰ বাবে আবণ্টন দিয়া হৈছিল। উক্ত স্থানত বেদখলমুক্ত কৰিবলৈ কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ তৰফৰ পৰা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ডব্লিউ (চি)/৭২২/২০২২ নিৰ্দেশনা মৰ্মে ৰংপাংথিৰ গাঁৱৰ বেদখলকাৰীলৈ জাননী জাৰি কৰিছিল। সেই মৰ্মে আজি পুৱাৰ পৰা বৃহৎ নিৰাপত্তাৰক্ষীৰে উক্ত স্থানত পৰিষদে উচ্ছেদ অভিযান চলায়। এই লৈ উচ্ছেদ কৰিবলৈ অহা গাঁওখনত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। কণ কণ শিশুৰ পৰা আবাল-বৃদ্ধ-বণিতালৈকে উচ্ছেদস্থলীত চকুলো টুকি পৰিষদৰ উচ্ছেদ অভিযানৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে 'মানৱতাৰ খাতিৰত উচ্ছেদ নকৰিব, বিজেপি গ' বেক' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। উক্ত উচ্ছেদ কাৰ্যত গাঁওবাসীয়ে প্ৰথমতে বাধা প্ৰদান কৰিছিল আৰু আৰক্ষীৰ সৈতে তৰ্ক-যুদ্ধত লিপ্ত হৈছিল যদিও পাছলৈ উচ্ছেদিত সকলে নিজে নিজে ঘৰৰ টিনপাত আৰু আঁচ-বাঁহ আঁতৰাই নিয়া পৰিলক্ষিত হয়। আজি উচ্ছেদস্থলীত দণ্ডাধীশ হিচাপে উপস্থিত থাকে গুঞ্জন শৰ্মা। ইপিনে, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে উচ্ছেদ কৰাত গৃহহীন ৩৫টা জনজাতীয় পৰিয়ালৰ সংস্থাপনৰ বাবে কি ব্যৱস্থা হাতত লয়, সেয়া লক্ষ্যণীয় হ'ব।

# মুকলিৰ পূৰ্বেই ধ্বংসৰ গৰাহত কলিয়াবৰ



*তিনি পৃষ্ঠাৰ পৰা* দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছতে দুনীতিক পুলিয়ে-পোখাই উখাত কৰাৰ কথা ঘোষণা কৰিছিল যদিও এই ছবিখন পোহৰলৈ অহাৰ পাছতে সকলো কথা যেন ফুটুকাৰ ফেন হৈ পৰিছে। দুৰ্নীতিৰ চৰম সীমা অতিক্ৰম কৰাৰ জ্বলন্ত উদাহৰণ হৈ পৰিছে কলিয়াবৰ মহকুমা অসামৰিক চিকিৎসালয়খনৰ ফাট মেলা দেৱালসমূহ। অসমৰ ভিতৰতে অতি গুৰুত্বপূৰ্ণ আৰু সদা ব্যস্ত এখন চিকিৎসালয় জখলাবন্ধা গ্ৰাম্য চিকিৎসালয়। ৩৭ নম্বৰ ঘাইপথৰ কাষত অৱস্থিত চিকিৎসালয়খনত নগাঁও জিলাৰ চামগুৰিৰ পৰা গোলাঘাটৰ কাজিৰঙা কহৰা অঞ্চলৰ ভিতৰত দুৰ্ঘটনাত পতিত হোৱা লোকসকলক তাৎক্ষণিক চিকিৎসা প্ৰদানৰ বাবে পোনপ্ৰথমে এই চিকিৎসালয়লৈ অনা হয়। বৰ্তমান এশখন বিছনাযুক্ত কলিয়াবৰ অসামৰিক মহকুমা চিকিৎসালয়লৈ উন্নীতকৰণৰ বাবে চৰকাৰে তিনিমহলীয়া চিকিৎসালয় গৃহ নিৰ্মাণৰ বাবে ১২ কোটি ৪৭ লাখ টকা আবণ্টিত কৰি মোকলাই দিছিল। উক্ত কামৰ ঠিকা লাভ কৰিছিল মেচাৰ্ছ কে কে এন্টাৰপ্ৰাইজ নামৰ গুৱাহাটীস্থিত এটা ঠিকাদাৰ প্ৰতিষ্ঠানে। ইতিমধ্যে চিকিৎসালয়খনৰ কাম এশ শতাংশয়ে সম্পন্ন কৰিছে। যদিও অতি আশ্চৰ্যকৰ বিষয় যে চিকিৎসালয়খনৰ দ্বাৰ মুকলি নৌহওঁতেই নৱনিৰ্মিত আট্টালিকাটোৰ বেৰসমূহত ফাট মেলিছে, চিলিঙৰ প্লাষ্টাৰসমূহ খহি পৰিছে। এই লৈ অঞ্চলটোৰ সচেতন ৰাইজে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। স্থানীয় ৰাইজে অতি নিম্ন মানৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ বাবে এনে হোৱা বুলি অভিযোগ উত্থাপন কৰিছে। আনহাতে, স্বাস্থ্যমন্ত্ৰীৰ গৃহ সমষ্টিতে মন্ত্ৰী কেশৱ মহন্তক আংগুষ্ঠ প্ৰদৰ্শন কৰি ঠিকাদাৰ প্ৰতিষ্ঠানটোৱে অতি নিম্নমানৰ কাম কৰি ধনৰ শ্ৰাধ কৰাৰ অভিযোগ আনিছে স্থানীয় ৰাইজে। আনহাতে, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত নিৰ্মাণ কাৰ্য চলা চিকিৎসালয়খনৰ নিৰ্মাণৰ কাম কিমান সঠিকভাৱে চলিছিল ইয়াকে লৈ যথেষ্ট সন্দেহৰ অৱকাশ ৰৈ যোৱা বুলি সচেতন মহলৰ মাজত চৰ্চা হয়। আনহাতে, চিকিৎসালয়খনৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱা প্ৰায় পাঁচ মাহেই হ'ল যদিও আজিকোপতি ৰাইজৰ সেৱাৰ বাবে মোকলাই নিদিয়াক লৈও ৰাইজৰ মাজত চলিছে সৰৱ চৰ্চা। এতিয়া কথা হ'ল স্বাস্থ্যমন্ত্ৰীয়ে বিসংগতিপূৰ্ণ নিৰ্মাণ কাৰ্যৰে কোটি কোটি টকা আত্মসাৎ কৰা ঠিকাদাৰ গোষ্ঠীটোৰ বিষয়ে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়াহে লক্ষ্যণীয় হ'ব। লগতে এনে ত্ৰুটিপূৰ্ণ এটি চিকিৎসালয় গৃহ কোনো কাৰণতে মুকলি কৰিবলৈ দিয়া নহ'ব বুলি প্ৰকাশ কৰিছে স্থানীয় জনসাধাৰণে।

# বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক, সাংবাদিক

*তিনি পৃষ্ঠাৰ পৰা* ততাতৈয়াকৈ চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। তেওঁৰ মৃত্যুৰ সংবাদত শোকস্তব্ধ হৈ পৰে গোলাঘাট। ৮৪ বছৰ বয়সত অনন্তধামলৈ গতি কৰা দত্তই পত্নীসহ এজন পুত্ৰ আৰু দুগৰাকী কন্যাক ইহসংসাৰত এৰি গৈছে। ১৯৩৯ৰ ২৫ ডিচেম্বৰত গোলাঘাট জিলাৰ ঢেকীয়াল মলীয়া গাঁৱত জন্মগ্ৰহণ কৰা দত্তই ১৯৫৬ত ঢেকীয়াল হাইস্কুলৰ পৰা সুখ্যাতিৰে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ ৫৮ত আই এ, '৬২ত বিএ ডিগ্ৰী লাভ কৰে। বুৰঞ্জী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰাৰ উপৰি এমএড ডিগ্ৰী লাভ কৰে। ঢেকীয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতাৰ সেৱাৰে কৰ্ম জীৱনৰ পাতনি মেলা বিদ্যালয়খনৰ পৰা ১৯৯৭ত অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে। সাহিত্য আৰু সাংবাদিকতাৰ সেৱাত নিস্বাৰ্থভাৱে নিয়োজিত হৈ তেওঁ আছিল গোলাঘাট বিএড কলেজৰ অন্যতম প্ৰতিষ্ঠাপক। বিএড কলেজৰ প্ৰতিষ্ঠাপক অধ্যাপক হিচাপে ১৪ বছৰ সেৱা আগবঢ়াই ২০০৪ত অৱসৰ গ্ৰহণ কৰে। সাহিত্য, সংস্কৃতি আৰু সাংবাদিকতাৰ ক্ষেত্ৰখনলৈও তেওঁ জীৱিত কালত বিশেষ অৱদান আগবঢ়াই গৈছে। 'দ্য চেন্টিনেল' কাকতৰ গোলাঘাট সদৰৰ সংবাদদাতা হিচাপে দীৰ্ঘ সময় সংবাদসেৱা আগবঢ়াইছিল। হোমিঅ'পেথিক চিকিৎসকৰো তেওঁ ডিগ্ৰী গ্ৰহণ কৰি চৰ্চা অব্যাহত ৰাখিছিল। ঐক্যতান, গোলাঘাট জিলা কবি চক্ৰৰ সভাপতিৰ দায়িত্ব পালন কৰিছিল দত্তই। অসম সাহিত্য সভাৰ আজীৱন সদস্য, পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক উপদেষ্টা, গোলাঘাট প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক উপদেষ্টা হিচাপে জীৱিত কালত দত্তই নিস্বাৰ্থ সেৱা আগবঢ়াই গৈছে। ১৮খনৰো অধিক গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাললৈ বিশেষ অৱদান আগবঢ়োৱা দত্তৰ বনৌষধি বিষয়ক বিভিন্ন নিবন্ধ, প্ৰবন্ধ-বিভিন্ন কাকত- আলোচনীত নিয়মীয়াভাৱে প্ৰকাশ পাইছিল। উল্লেখ্য যে সাহিত্যিক পেঞ্চনৰ বাবে বহুবাৰ আবেদন-নিবেদন কৰিও তেওঁ লাভ কৰিবলৈ সক্ষম নহ'ল। মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে গোলাঘাট নগৰৰ শান্তিপুৰস্থিত বাসভৱনত অগণন গুণমুগ্ধ আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি উপস্থিত হৈ শ্ৰদ্ধা নিবেদন কৰে। বিধায়ক বিশ্বজিৎ ফুকন, গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা, বিশিষ্ট লেখক, নিবন্ধকাৰ ডাঃ অজিত বৰুৱা, গোলাঘাট প্ৰেছ ক্লাবৰ সভাপতি, অধ্যাপক দেৱজিৎ ফুকন আদিয়ে দত্তৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। অসম সাহিত্য সভাৰ হৈ কেন্দ্ৰীয় বিষয়ববীয়া তথা জ্যেষ্ঠ সাংবাদিক দিগন্ত কুমাৰ ভূঞা, বিশিষ্ট শিক্ষাবিদ, গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° পুতুল শইকীয়া, পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সভাপতি পুতুল গগৈ, সম্পাদক দীপ হেষ্টিংছ বৰি, বিশিষ্ট শিক্ষাবিদ-সাংস্কৃতিক কৰ্মী প্ৰদীপ সোণাৰ, লেখক, কবি, শিক্ষয়িত্ৰী পাৰিজাত বৰুৱা, গোলাঘাট শাখা সাহিত্য সভাৰ হৈ জলিলুৰ ৰহমানে গভীৰ শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি জনায়।

# ভাওনাৰ আগনিশা বিশ্বনাথৰ নামঘৰত চোৰে চলালে চাফাই

## দানপাত্ৰ ভাঙি নগদ ধনসহ বিভিন্ন সামগ্ৰী চুৰি

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১ জুলাই ঃ** ভাওনাৰ আগনিশা বিশ্বনাথ চাৰিআলিৰ উপৰ-বাঘমৰা গাঁৱৰ নামঘৰত চোৰে চলালে চাফাই অভিযান। যোৱা নিশা চোৰে নামঘৰত প্ৰৱেশ কৰি দানপাত্ৰটো ভাঙি নগদ ধন লুট কৰাৰ লগতে বৰতালকে ধৰি নামঘৰৰ বহু সামগ্ৰী লৈ উধাও হয়। উল্লেখ্য যে আজি নিশা নামঘৰত ভাওনা অনুষ্ঠিত হোৱা কথা আছিল আৰু তাৰ আগনিশা সংঘটিত হোৱা এই ঘটনাৰ সন্দৰ্ভত ইতিমধ্যে আৰক্ষীৰ ওচৰত এজাহাৰ দাখিল কৰিছে নামঘৰ সমিতিয়ে। সমিতিয়ে দানপাত্ৰটোত প্ৰায় ১১ হেজাৰ টকা আছিল বুলি সম্ভাৱনা ব্যক্ত কৰে।

# হাফলঙত নিচা জাতীয় টেবলেটসহ দুজনক আটক



অগ্ৰদূত বাৰ্তা

**ডংকামোকাম, ২ জুলাই ঃ** পাৰ্বত্য জিলা ডিমা হাছাওৰ হাফলঙত আৰক্ষীয়ে অভিযান চলাই নিচাজাতীয় টেবলেট, ড্ৰাগছ প্ৰয়োগৰ চিৰিঞ্জসহ দুজনক আটক কৰে। জিলাখনৰ সদৰ চহৰ হাফলঙত আৰক্ষীয়ে বিশেষ সূত্ৰৰ পম খেদি এন এল ০৫-০৯৪৮ নম্বৰৰ ছেন্ট্ৰ' বাহন এখনত অতৰ্কিতে অভিযান চলাই বৃহৎ পৰিমাণৰ নিচা জাতীয় টেবলেট, ড্ৰাগছ প্ৰয়োগৰ চিৰিঞ্জসহ দুজনক আটক কৰে। আটকাধীন লোক দুজন জিলাখনৰ খং চাই গাঁৱৰ লাখলুন চাংযং আৰু মুলহৈৰ ডুনা হামাৰ বুলি আৰক্ষীয়ে জনায়। আৰক্ষীয়ে অধিক তথ্যৰ বাবে আটকাধীন ড্ৰাগছ সৰবৰাহকাৰী দুজনক জেৰা অব্যাহত ৰাখিছে।

# বৰপেটাৰ ম'হচৰাত সুলভ



*তিনি পৃষ্ঠাৰ পৰা* দিয়ে কাছুমাৰা আৰক্ষীক। যোৱা নিশা ঘটনাস্থলীত কাছুমাৰা আৰক্ষী উপস্থিত হৈ এজেন্ট জাহিদুল ইছলামৰ ঘৰৰ পৰা উদ্ধাৰ কৰে প্ৰায় ৪৫০ বস্তা সুলভ মূল্যৰ চাউল। সমবায় সমিতিৰ তথ্য মতে, এজেন্ট জাহিদুলে গ্ৰাহকৰ নামত চাউল পায় প্ৰায় ১০৪ বস্তা অৰ্থাৎ ৫২ কুইন্টল। ৩০ জুনত সমবায় সমিতিৰ পৰা গ্ৰাহকৰ ১০৪ বস্তা সুলভ মূল্যৰ চাউল চমজি লয় এজেন্ট জাহিদুলে, কিন্তু জাহিদুলৰ ঘৰত উদ্ধাৰ হয় প্ৰায় ৪৫০ বস্তা চাউল। অভিযোগ মতে, জাহিদুলৰ ঘৰৰ পৰা উদ্ধাৰ হয় পেকেজিং বস্তাও। নিশাই কাছুমাৰা আৰক্ষীয়ে ৪৫০ বস্তা চাউল জব্দ কৰে যদিও ইয়াৰে ৩৪৬ বস্তা চাউল চোৰাং বজাৰত বিক্ৰী কৰাৰ বাবে মজুত কৰিছিল বুলি স্থানীয় লোকে অভিযোগ কৰিছে। চোৰাং চাউলৰ বেহাত এজেন্ট জাহিদুল জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। সমগ্ৰ ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে। এই ঘটনাত জড়িত এজেন্টজনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা উপায়ুক্তক দাবী জনাইছে একাংশ লোকে।

# আঠিয়াবাৰীৰ বোৱাৰীৰ

*তিনি পৃষ্ঠাৰ পৰা* অন্তঃসত্ত্বা সুমিতাক হত্যা কৰাৰ অভিযোগ কৰিছে। এই ঘটনাটো সংঘটিত হৈছে মুছলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত আঠিয়াবাৰীৰ বায়নচুপাত। মৃত বোৱাৰীগৰাকীৰ মাতৃ পৰিয়ালৰ এজাহাৰৰ ভিত্তিত আজি স্বামী সঞ্জয়ক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। উল্লেখ্য যে যোৱা ৩০ জুনৰ নিশা আঠিয়াবাৰীৰ স্বামী পৰিয়ালৰ নিজ গৃহত চিপ লোৱা অৱস্থাত উদ্ধাৰ হৈছিল দুৰ্ভগীয়া সুমিতা বৰ্মন নামৰ বোৱাৰীগৰাকীৰ মৃতদেহ। আজি মৰণোত্তৰ পৰীক্ষাৰ অন্তত বোৱাৰীগৰাকীৰ কপালত আঘাতৰ চিন প্ৰত্যক্ষ কৰি এয়া এক পৰিকল্পিত হত্যাকাণ্ড বুলি বোৱাৰীগৰাকীৰ পৰিয়ালে অভিযোগ কৰে। মৃত মহিলাগৰাকীৰ মাতৃৰ পৰিয়ালে জানিব দিয়া মতে, দীৰ্ঘদিনে যৌতুক বিচাৰী স্বামী সঞ্জয়ৰ পৰিয়ালে মানসিক আৰু শাৰীৰিকভাৱে অকথ্য নিৰ্যাতন চলাই আহিছিল। অৱশ্যে আৰক্ষীয়ে স্বামী সঞ্জয়ক গ্ৰেপ্তাৰ কৰিছে যদিও শাহুসহ দুজন সম্প্ৰতি পলাতক অৱস্থাত আছে। গৰ্ভৱতী বোৱাৰীগৰাকীৰ হত্যাৰ লগত জড়িত অভিযুক্তসকলে উচিত শাস্তিৰ দাবী জনাইছে মাতৃগৃহৰ পৰিয়ালে। আৰক্ষীৰ তদন্ততহে প্ৰকৃত দোষীসকল পোহৰলৈ আহিব।

# খাৰুপেটীয়াৰ নেমুটেঙা লণ্ডনলৈ

*তিনি পৃষ্ঠাৰ পৰা* সেউজীয়া শাক-পাচলিৰ উচিত মূল্য নাপাই হাহাকাৰ কৰিবলগীয়া হৈছে তেনে সময়তে কৃষিপ্ৰধান অঞ্চল খাৰুপেটীয়াৰ কৃষকে লণ্ডনলৈ ৰপ্তানি কৰিবলৈ সক্ষম হৈছে স্থানীয়ভাৱে উৎপাদিত নেমুটেঙা। খাৰুপেটীয়া অন্তৰ্গত বিহুদিয়া, ঘনশীমূলী গাঁৱৰ এচাম শিক্ষিত যুৱ কৃষকৰ প্ৰচেষ্টাত 'কিয়েগা এক্সিম প্ৰাইভেট লিমিটেড কোম্পানীৰ জৰিয়তে গুৱাহাটীৰ পৰা বিমানযোগে ৪০ কুইন্টল নেমুটেঙা লণ্ডনলৈ ৰপ্তানি কৰে। বিহুদিয়া গাঁৱৰ প্ৰগতিশীল কৃষক হবিবুৰ ৰহমান, আছাদুল্লা আকণ্ড আৰু ঘনশীমূলী গাঁৱৰ কৃষক জাকিৰ হুছেইনে উৎপাদন কৰা উন্নত জাতৰ নেমুটেঙা প্ৰতি কিলো দৰত ৩০ টকাকৈ আজি লণ্ডনলৈ ৰপ্তানি কৰাৰ খবৰে অঞ্চলটোৰ কৃষকসকলক উৎসাহিত কৰাৰ লগতে উদীয়মান যুৱ কৃষকৰ মাজত কঢ়িয়াই আনিছে আশাৰ বতৰা।

# নিৰ্বাচিত পাৰিষদ মণ্টু বড়োৰ

*তিনি পৃষ্ঠাৰ পৰা* শপতবাক্য পাঠ কৰাৰ পাছত নৱনিৰ্বাচিত পাৰিষদ বড়োৱে কয়, 'মোৰ এই জয় ৰাইজৰ জয়। সমষ্টিটো উন্নয়নৰ কাৰণে ৰাইজে মোক বিশ্বাসত লৈ নিৰ্বাচিত কৰিছে। গতিকে ৰাইজৰ অভাৱ-অভিযোগসমূহ পূৰ্ণ কৰি সমষ্টি উন্নয়ন কৰাই প্ৰধান লক্ষ্য।' অনুষ্ঠানত উপস্থিত থকা লৰেন্স ইছলাৰীয়ে কোকলাবাৰী সমষ্টিত ইউপিপিএলে যৌথভাৱে প্ৰাৰ্থিত্ব আগবঢ়াইছিল বুলি কয়। সেই হিচাপে ইউপিপিএল বিজয়ী হৈছিল। উল্লেখ্য যে উক্ত সমষ্টিৰ পৰা বৰ্তমানৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে তামুলপুৰ আৰু কোকলাবাৰীৰ পৰা নিৰ্বাচিত হৈছিল। পাছত কোকলাবাৰী পৰিষদীয় আসনখন বড়োৱে এৰি দিয়াত কোকলাবাৰী আসনখন খালী হৈ আছিল। শপতগ্ৰহণ অনুষ্ঠানত মুখ্য কাৰ্যবাহী সদস্য বড়ো প্ৰমুখ্যে আটাইকেইজন ইএমজিএম উপস্থিত থাকে।

# লেঙেৰী মৌজাত মন্ত্ৰী বিমল

*তিনি পৃষ্ঠাৰ পৰা* বিশ্বজিৎ পেগু, জলসম্পদ বিভাগৰ উচ্চ পদস্থ বিষয়াবৰ্গক লগত লৈ দিহিঙৰ খহনীয়াৰ লগতে অন্যান্য বিষয়সমূহ পৰিদৰ্শন কৰি সমাধানৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিষয়াবৰ্গক নিৰ্দেশ দিয়ে। গাঁৱৰ বহুকেইটা বাট-পথ, কে'বাখনো শিক্ষানুষ্ঠান, মানুহৰ বাসগৃহ, ভড়াল আদি পানীত ডুব গৈছে। ইয়াৰ টিংখাং মৌজাৰ ধমন, চেঁচা-নেপালী অঞ্চলৰ এক বিস্তীৰ্ণ কৃষিভূমি নৈখনৰ বাঢ়নী পানীত ডুব গৈছে। আনহাতে, লেঙেৰী মৌজাৰ নখাট পঞ্চায়তৰ দুই নম্বৰ শলগুৰি, চহৰীকটা, কৈৱৰ্ত গাঁও, লাচন গাঁও, গৰুহৰা আদি কে'বাখনো গাঁও বুঢ়ীদিহিঙৰ বাঢ়নী পানীত ডুব গৈছে। অঞ্চলটোৰ শতাধিক পৰিয়াল বানত আক্ৰান্ত হোৱাত হাহাকাৰ পৰিৱেশ সৃষ্টি হৈছে। একাংশ বানাক্ৰান্ত লোকে ওখ ঠাইত আশ্ৰয় ল'ব লগা হৈছে। তদুপৰি লেঙেৰী মৌজাৰ শলগুৰি অঞ্চলত একাংশ খেতিয়কে প্ৰায় দুশ বিঘা মাটিত কৰা গোমধানৰ খেতিৰ ব্যাপক ক্ষতিসাধন কৰিছে । ফলস্বৰূপে খেতিয়কসকলে মূৰে কপালে হাত দিবলগীয়া পৰিস্থিতি উদ্ভৱ হৈছে।

# বানত ক্ষতিগ্ৰস্ত অঞ্চলত আজিম প্ৰেমজি ফাউণ্ডেছন, গ্ৰাম্য বিকাশ মঞ্চৰ সহায়ৰ হাত

## তিনি হেজাৰ পৰিয়াললৈ খাদ্য সামগ্ৰী বিতৰণ



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২ জুলাই ঃ** পশ্চিম অসমৰ চাৰিখন জিলাত আজিৰে পৰা বান বিধ্বস্ত অঞ্চলত আজিম প্ৰেমজি ফাউণ্ডেছনৰ অৰ্থসাহায্যত আৰু গ্ৰাম্য বিকাশ মঞ্চৰ সহযোগত খাদ্য সামগ্ৰী বিতৰণৰ কাৰ্যসূচী আৰম্ভণি কৰা হয়। আজি ফাউণ্ডেছনৰ বিষয়া অংকুৰ আগৰৱালা আৰু আজিম প্ৰেমজি ইউনিভাৰ্ছিটিৰ অধ্যাপক নজৰুল হকে জিলাখনৰ বানবিধ্বস্ত বৰভাগৰ বৰশিমলুৱা আৰু দোকোহা গাঁৱত বন্যাৰ্তসকলৰ মাজত খাদ্য সামগ্ৰী বিতৰণৰ আৰম্ভণি কৰাৰ উপৰি বন্যাৰ্তসকলৰ স'তে মত-বিনিময় কৰে। আজিম প্ৰেমজি ফাউণ্ডেছনৰ বিষয়া আৰু ইউনিভাৰ্ছিটিৰ অধ্যাপকৰ দলটোৱে স'তে গ্ৰাম্য বিকাশ মঞ্চৰ সভাপতি পৃথিভূষন ডেকাই হিতাধিকাৰীৰ স'তে মত বিনিময় কৰে। বানে বৰশিমলুৱা গাঁৱৰ প্ৰায় তিনি শতাধিক পৰিয়ালৰ ব্যাপক ক্ষতিসাধন কৰে। ইতিমধ্যে কামৰূপ জিলাতো আজি সাহায্য বিতৰণৰ কাৰ্যসূচী মুকলি কৰা হৈছে। উল্লেখ্য যে এই সাহায্য বান বিধ্বস্ত অঞ্চলৰ গাঁওসমূহৰ গৰ্ভৱতী মহিলা, বিশেষভাৱে সক্ষম লোককে ধৰি প্ৰায় তিনি হেজাৰ পৰিয়াললৈ এই সাহায্য প্ৰদান কৰা হ'ব বুলি মঞ্চৰ সভাপতি ডেকাই কয়। ইতিমধ্যে কালি বৰবৰীস্থ শৈশৱ বিদ্যাপীঠ প্ৰাংগণত জিলা উপায়ুক্ত গীতিমনি ফুকনে সাহায্য বিতৰণ কাৰ্যসূচী কেন্দ্ৰীয়ভাৱে মুকলি কৰে। ফাউণ্ডেছনৰ অৰ্থ সাহায্যত গ্ৰাম্য বিকাশ মঞ্চই প্ৰতিটো পৰিয়ালক দাইল তিনি কিলো, মিঠাতেল ডেৰ কিলো, বুট এক কিলো, আলু পাঁচ কিলো, বিস্কুট ছয় পেকেট, চাবোন ছয় টুকুৰা, নেপকিন দুটা, চয়াবিন ৫০০ গ্ৰাম, নিমখ এক পেকেটকৈ সাহায্য আগবঢ়াইছে।

# কোকৰাঝাৰ ভাৰত-ভূটান সীমান্তত বন্যহস্তীৰ তাণ্ডৱ অব্যাহত

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ কচুগাঁও শিক্ষা খণ্ডৰ অধীনস্থ ফুলকুমাৰী এম ভি বিদ্যালয়ত যোৱা নিশা বন্যহস্তীয়ে বিস্তৰ ক্ষতিসাধন কৰাৰ উপৰি ফুলকুমাৰী গাঁৱৰ একাধিক ব্যক্তিৰ বাসগৃহ ভাঙি লণ্ডভণ্ড কৰা বুলি জানিব পৰা গৈছে। গাঁওবাসীৰ ভাষ্য অনুসৰি, খাদ্যৰ সন্ধানত ৰায়মনা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা বন্যহস্তীৰ এটা জাকে যোৱা নিশা গোসাঁইগাঁও মহকুমাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী ফুলকুমাৰী গাঁৱত প্ৰৱেশ কৰে। প্ৰত্যক্ষদৰ্শী ৰাইজে উল্লেখ কৰা মতে, যোৱা নিশা প্ৰায় দুই মান বজাত বনাঞ্চলৰ পৰা ওলাই অহা বৃহৎ আকৃতিৰ তিনিটা বন্যহস্তীয়ে ফুলকুমাৰী এম ভি বিদ্যালয়ৰ এটা কোঠাৰ বেৰ ভাঙি বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মজুত কৰি ৰখা মধ্যাহ্ন ভোজনৰ প্ৰায় এক কুইন্টল চাউল বিনষ্ট কৰে।

# নগাঁৱত চিকিৎসক দিৱস উদ্‌যাপন

বিশেষ সংবাদদাতা

**নগাঁও, ২ জুলাই ঃ** সমগ্ৰ দেশৰ লগতে কালি সন্ধিয়া ৭-৩০ বজাত নগাঁৱতো চিকিৎসক দিৱস উদ্‌যাপন কৰা হয়। ভাৰতীয় চিকিৎসক সন্থাৰ নগাঁও জিলা শাখাৰ কাৰ্যালয়ত সন্ধিয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে চিকিৎসক দিৱস উদ্‌যাপন কৰা হয়। পুৱাৰ ভাগতে চিকিৎসক দিৱসৰ লগত সংগতি ৰাখি সন্থাৰ তৰফৰ পৰা এটি ৰক্তদান শিবিৰ সম্পন্ন হয়। চিকিৎসক সন্থাৰ জিলা কাৰ্যালয়ত অনুষ্ঠিত অনুষ্ঠানৰ আৰম্ভণিতে ডাঃ বীণাপাণি নেওগৰ এটি বৰগীতেৰে আৰম্ভ কৰা অনুষ্ঠানত ডাঃ বিধান চন্দ্ৰ ৰয়ৰ আলোকচিত্ৰৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে নগাঁও জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ অৰূপজ্যোতি মহন্তই। ডাঃ ৰঞ্জন গোস্বামীয়ে আঁতধৰা অনুষ্ঠানত সভাপতিত্ব কৰে ডাঃ ব্ৰজেন বৰাই। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক ডাঃ কৃষ্ণ কুমাৰ বৰা, ডাঃ কেশৱানন্দ গোস্বামী, ডাঃ সৰ্বেশ্বৰ বৰা, ডাঃ তপন শইকীয়া, ডাঃ বিৰিঞ্চি বৰা, ডাঃ মুকুট গোস্বামী, ডাঃ অজিত গোস্বামী, ডাঃ ভূপেন বৰা, ডাঃ জয়ন্ত বৰুৱা, ডাঃ আদিত্য হাজৰিকা, ডাঃ মাধৱ চন্দ্ৰ দত্ত, ডাঃ ৰুদ্ৰ বৰুৱা প্ৰমুখ্যে নগাঁৱৰ বহুকেইজন চিকিৎসক উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত বিশিষ্ট তথা জ্যেষ্ঠ চিকিৎসক সৰ্বেশ্বৰ বৰা, ডাঃ কেশৱানন্দ দেৱগোস্বামী, জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ অৰূপজ্যোতি মহন্তৰ লগতে অন্যান্যসকলে চিকিৎসক দিৱসৰ তাৎপৰ্যৰ ওপৰত বহুতো সাৰমৰ্ম ভাষণ প্ৰদান কৰে। উক্ত অনুষ্ঠানতে সদ্যঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা চিকিৎসকলৰ সন্তানসকলক সন্থাৰ তৰফৰ পৰা ফুলাম গামোচা, মানপত্ৰ আৰু এটি স্মাৰকে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ উপৰি ডাঃ মুকুট গোস্বামীৰ কন্যা উপাসনা গোস্বামী, ডাঃ কৃষ্ণ কুমাৰ বৰাৰ কন্যা পূজা বৰা, ডাঃ অৰূপজ্যোতি মহন্তৰ কন্যা শতৰূপা মহন্তক চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্ৰী সফলতাৰে লাভ কৰাত তেওঁলোকক ফুলাম গামোচা, মানপত্ৰ, শৰাইৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত নগাঁৱৰ জ্যেষ্ঠ চিকিৎসক কেশৱানন্দ দেৱগোস্বামীক এই চিকিৎসক দিৱসৰ দিনা একোখন ফুলাম গোমোচা, চেলেং, শৰাই, সম্বৰ্ধনা পত্ৰৰে উষ্ম সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পাছতে বিভিন্ন সাংস্কৃতিক গীত-মাতেৰে মুখৰিত হৈ প্ৰীতি ভোজেৰে অনুষ্ঠানৰ সামৰণি পৰে।

## বাগ্‌সাত নতুন বাহন ক্ৰয়ৰ মাংগলিক অনুষ্ঠানত অঘটন

# বুট-মাহৰ বিষক্ৰিয়াত অসুস্থ ১৩জনক উন্নত চিকিৎসাৰ বাবে মুছলপুৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি

অগ্ৰদূত বাৰ্তা

**বাগানপাৰা/মুছলপুৰ, ১ জুলাই ঃ** বাগ্‌সাৰ বৰবাৰী আৰক্ষী থানাৰ অন্তৰ্গত বাটাবাৰীত যোৱা বৃহস্পতিবাৰে অনুষ্ঠিত এক মাংগলিক অনুষ্ঠানত বুট-মাহ খাই অসুস্থ হৈ পৰা অৰ্ধ শতাধিক লোক ভিতৰত ১৩ জনৰ অৱস্থা অতি গুৰুতৰ হৈ পৰাত আজি মুছলপুৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। বাটাবাৰী গাঁৱৰ নিবাসী বিষ্ণু দৈমাৰীৰ বাসগৃহত সংঘটিত এই ঘটনাত গুৰুতৰভাৱে অসুস্থ হৈ পৰা জোমাইৰাণী দৈমাৰী, সুনিতা বড়ো, পাপৰি দৈমাৰী, সনজিতা বড়ো, সোমাইনা ৰামছিয়াৰী, ভনীতা দৈমাৰী, ভানু দৈমাৰী, ধনজিতা দৈমাৰী, সিমাংৰাণী খাখলাৰী, বিবাৰী ৰামছিয়াৰী, বৈচাগী বড়ো, গীতা ৰামছিয়াৰী আৰু অনামিকা বড়োক বাগানপাৰা চিকিৎসালয়ৰ পৰা উন্নত চিকিৎসাৰ বাবে মুছলপুৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে বুলি সংশ্লিষ্ট চিকিৎসকে সদৰী কৰিছে। উল্লেখ্য যে বাটাবাৰীৰ দৈমাৰীত ঘৰত এখন নতুন চাৰিচকীয়া বাহন ক্ৰয় কৰা উপলক্ষে যোৱা বৃহস্পতিবাৰে আয়োজিত এক মাংগলিক অনুষ্ঠাত বুট-মাহ খোৱাৰ পাছত কালি অৰ্ধ-শতাধিক লোক অসুস্থ হৈ পৰিছিল। শৌচ, বমি আৰু পেটৰ বিষত আক্ৰান্ত হোৱা শিশু-মহিলাসহ গাঁওখনৰ অৰ্ধ শতাধিক লোকক বাগানপাৰা চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। ইয়াৰে ১৩ জনৰ স্বাস্থ্য উন্নত নোহোৱাত ডাঃ ৰবি বড়ো অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে আৰু ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## চেঙাৰ ম'হচৰা গাঁও পঞ্চায়তত অনিয়ম ঃ এজাহাৰ দাখিল

# উৎকোচ নিদিয়াৰ বাবেই প্ৰধানমন্ত্ৰী আৱাসৰ পৰা বঞ্চিত

**আলোপতি, ২ জুলাই ঃ** উৎকোচ নিদিয়া বাবেই প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে এগৰাকী দৰিদ্ৰ লোকে। এই ঘটনা সংঘটিত হৈছে বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত ২৭ নম্বৰ ম'হচৰা গাঁও পঞ্চায়তৰ ছয় নম্বৰ ৱাৰ্ডত। ৱাৰ্ডৰ ম'হচৰা ননকে গাঁৱৰ কামাল উদ্দিনৰ নামত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ এ এছ ২১৯৭৪৬৬১ নম্বৰ আই ডিত এটা গৃহ আবণ্টন দিয়া হয়। গৃহ আবণ্টন পোৱা কামাল উদ্দিনৰ এবছৰ পূৰ্বে ৱাৰ্ড সদস্যা আছমা খাতুনে ১০ হেজাৰ টকা উৎকোচ বিচাৰে। দৰিদ্ৰ লোকজনে বিষয়টো পঞ্চায়ত সভানেত্ৰীক এই বিষয়ে অৱগত কৰাবলৈ যায় যদিও পঞ্চায়ত সভানেত্ৰী ৰাশিদা খাতুনে বৰঞ্চ ১৫ হেজাৰ টকাহে উৎকোচ বিচাৰে। দৰিদ্ৰ লোকজনে পঞ্চায়ত প্ৰতিনিধিয়ে বিচৰা ১৫ হেজাৰ টকা উৎকোচ দিব নোৱৰাৰ বাবেই গৃহ আবণ্টনৰ ধন মোকলাই নিদিয়াৰ অভিযোগ উত্থাপন কৰিছে কামাল উদ্দিনে। কামাল উদ্দিনে ইতিমধ্যে পঞ্চায়ত সভানেত্ৰী ৰাশিদা খাতুন, সদস্যা আছমা খাতুন আৰু জিপিচি আব্দুল মালেকৰ বিৰুদ্ধে বৰপেটা আৰক্ষী অধীক্ষকৰ ওচৰত ন্যায় বিচাৰি লিখিত অভিযোগ দাখিল কৰিছে। যি সময়ত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ নামত এটকাও উৎকোচ ল'ব নোৱাৰিব বুলি স্বয়ং মুখ্যমন্ত্ৰীয়ে সকীয়নি প্ৰদান কৰিছে সেই সময়তে ১৫ হেজাৰ টকা উৎকোচ দিব নোৱৰা বাবেই এজন দৰিদ্ৰ লোকে গৃহ আবণ্টনৰ পৰা বঞ্চিত হোৱাত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। শীঘ্ৰে সমগ্ৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্ত সাপেক্ষে দোষীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বৰপেটা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াক দাবী জনাইছে ভুক্তভোগীয়ে।

**CORRIGENDUM**

In connection with the Tender Notice No. B/KE/ Sale Notice/4534, Dtd. 30/06/2022, the tender bid submission is fixed on 03/07/2022 to 17/07/2022 up to 3.00 P.M (IST) instead of 07/07/2022 to 27/07/2022. The other terms & conditions will remain same.

Sd/-
Divisional Forest Officer,
Kamrup East Division, Basistha,
Guwahati-29

Janasanyog/C/5780/22

**জাননী**

ইয়াৰ দ্বাৰা জনাওঁ যে অসমৰ প্ৰধান মুখ্য বন্যপ্ৰাণী সংৰক্ষক মহোদয়ৰ পত্ৰ নং WL/FG.7/16/Domestic elephant/09-14 Date 24/06/22 নিৰ্দেশ মৰ্মে লখিমপুৰ জিলাৰ সকলো ঘৰচীয়া হাতীৰ মালিকক তেওঁলোকৰ হাতীৰ মাইক্ৰচিপ ও স্বাস্থ্য পৰীক্ষাৰ বাবে ওচৰৰ বন আঞ্চলিক বিষয়াৰ কাৰ্যালয়ত অহা ৯০ (নব্বৈ) দিনৰ ভিতৰত হাতী ও সকলো হাতী সমন্ধীয় নথি-পত্ৰসহ হাজিৰ হ'বলৈ নিৰ্দ্দেশ প্ৰদান কৰা হয়। যদি কোনো হাতীৰ গৰাকীয়ে এই নিৰ্দ্দেশ অমান্য কৰে সেই সমূহ ঘৰচীয়া হাতী বিভাগীয় নীতি-নিয়ম অনুসৰি জব্দ কৰা হ'ব।

বন সংমণ্ডল প্ৰাধিকাৰী বিষয়া
লখিমপুৰ বন সংমণ্ডল
উত্তৰ লখিমপুৰ

Janasanyog/D/6719/22

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত।
**সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ৩ জুলাই, দেওবাৰ, ২০২২ পৃষ্ঠা ১১

# ৰেবিজৰ চিকিৎসা আৰু প্ৰতিৰোধ

**জলাতংক** বা ৰেবিজ হৈছে এবিধ মাৰাত্মক ৰোগ। যোৱা ২৮ ছেপ্টেম্বৰত বিশ্বত 'জলাতংক দিৱস' পালন কৰা হয়। এই মাৰাত্মক ৰোগৰ কবলত পৰিলে ৰোগীৰ প্ৰাণৰক্ষা অতি কঠিন হৈ পৰে। বিশ্বত বছৰি ৫০ হেজাৰৰ অধিক লোকৰ জলাতংকত মৃত্যু হয়। সেইদৰে লাখ লাখ প্ৰাণীও মৃত্যুমুখত পৰে। অৱশ্যে বৰ্তমান সময়ত উন্নত চিকিৎসা ব্যৱস্থাৰ বাবে কিছু পৰিমাণে হ'লেও ইয়াৰ পৰা সকাহ পোৱা যায়।

ৰেবিজ ভাইৰাছৰ দ্বাৰা কোনো মানুহ বা প্ৰাণী আক্ৰান্ত হ'লে যি ৰোগৰ লক্ষণ প্ৰকাশ পায়, সেয়াই হৈছে জলাতংক ৰোগ। কুকুৰ, মেকুৰী, বান্দৰ, বাদুলি আদি প্ৰাণী ৰেবিজ ভাইৰাছত আক্ৰান্ত হ'লে আৰু এইবোৰ প্ৰাণীকে মানুহক কামুৰিলে এই জলাতংক ৰোগ হয়। ৰেবিজত আক্ৰান্ত প্ৰাণীৰ লেলাৰটি বা তেজৰ জৰিয়তে আন প্ৰাণীৰ শৰীৰলৈ এই ৰোগ সংক্ৰমিত হয়। এনে প্ৰাণীৰ মুখৰ লেলাৰটিতে ৰেবিজৰ জীৱাণু থাকে। কোনো সুস্থ প্ৰাণীৰ ৰক্তৰ সংস্পৰ্শলৈ আহিলেই তেজৰ মাধ্যমেৰে সমগ্ৰ শৰীৰত বিয়পি পৰে আৰু জলাতংক ৰোগ হয়।

ৰেবিজ ভাইৰাছৰ দ্বাৰা আক্ৰান্ত প্ৰাণী ইমানেই আক্ৰমণাত্মক হৈ পৰে যে সামান্য কথাতে কামুৰি দিয়ে। এই ধৰণৰ প্ৰাণীক ৰেবিড এনিমেল বুলি কোৱা হয়। এই ভাইৰাছে প্ৰায় সকলোবোৰ স্তন্যপায়ী প্ৰাণীকে আক্ৰমণ কৰিব পাৰে। মানুহৰ সচৰাচৰ কুকুৰৰ কামোৰতে বেছিকৈ জলাতংকত আক্ৰান্ত হয়। যি কুকুৰ ৰেবিজ ভাইৰাছত আক্ৰান্ত, সেই কুকুৰে কাৰোবাক কামুৰিলেই জলাতংক ৰোগ হয়। এই ৰোগে মস্তিষ্ক আৰু মেৰুদণ্ডক প্ৰভাৱিত কৰে।

### ৰেবিজ বা জলাতংকৰ লক্ষণ

আক্ৰান্ত লোকৰ মাজত দেখা দিয়া লক্ষণবোৰ হৈছে—

⇨ জ্বৰ, ভোক নলগা।
⇨ ক্ষতস্থানত যন্ত্ৰণা বা খজুৰতি।
⇨ বিবুধিত পৰা, অনিয়ন্ত্ৰিত উত্তেজনা।
⇨ লেলাৰতিৰ ক্ষৰণ বৃদ্ধি, উজ্জ্বল পোহৰ বা হুলস্থুলত অসহিষ্ণু হৈ পৰা।
⇨ ঢোক গিলাৰ সময়ত ডায়াফ্ৰাম, ৰেছপিৰেটৰী মাছল আৰু কণ্ঠনলীত তীব্ৰ যন্ত্ৰণাযুক্ত সংকোচন হয়। বিশেষকৈ পানী পানৰ চেষ্টা কৰিলে ডায়াফ্ৰাম আৰু অন্যান্য ৰেছপিৰেটৰী মাছলত প্ৰবল যন্ত্ৰণা



আৰু সংকোচনৰ ফলত ৰোগীৰ মাজত হাইড্ৰ'ফ'বিয়াৰ সৃষ্টি হয়। পানীৰ প্ৰতি আতংকিত হৈ পৰে। সেই অৱস্থাৰ বাবেই এই ৰোগক জলাতংক বুলি কয়।
⇨ ৰোগীৰ ডিলিউছন, হেল্যুছিলেছন আৰু বলিয়ালি।
⇨ শৰীৰৰ অংগ-প্ৰত্যংগ লৰোৱাৰ অক্ষমতা, চেতনাশূন্যতা আদি।

### চিকিৎসা

এই ৰোগ এবাৰ হ'লে ৰোগীৰ অধিকাংশ ক্ষেত্ৰতে মৃত্যু হয়। কোনো এণ্টিভাইৰেল ঔষধে এই ভাইৰাছৰ বিৰুদ্ধে কাম কৰিব নোৱাৰে। অৱশ্যে উপশমমূলক চিকিৎসা প্ৰদান কৰা সম্ভৱ হয়। এই ৰোগৰ টিকা সম্প্ৰতি আৱিষ্কাৰ হৈছে। ৰেবিড প্ৰাণীয়ে কামোৰাৰ লগে লগে তাৎক্ষণিকভাৱে টিকা ল'লে এই ৰোগ প্ৰতিৰোধ কৰা সম্ভৱ।

### প্ৰতিৰোধ

এই ৰোগ প্ৰতিৰোধৰ উপায় হৈছে টিকা গ্ৰহণ। এই ভাইৰাছৰ বহু ধৰণৰ টিকা আৱিষ্কাৰ হৈছে। সবাতোকৈ নিৰাপদ টিকা হৈছে হিউমেন ডিপ্লয়েড চেল ভেকচিন (HDCV)। অন্যান্য টিকা বা ভেকচিনৰ ভিতৰত উল্লেখযোগ্য হৈছে পিউৰিফাইড চিক ইমব্ৰিঅ' চেল ভেকচিন, ডাক ইমব্ৰিঅ' চেল ভেকচিন, নাৰ্ভ টিছ্যু ভেকচিন আদি। ভাইৰাছত আক্ৰান্ত হোৱাৰ পূৰ্বে টিকা গ্ৰহণক প্ৰি-এক্সপ'জাৰ প্ৰ'ফাইলেক্সিছ আৰু আক্ৰান্ত হোৱাৰ পাছত টিকা লোৱা কাৰ্যক প'ষ্ট-এক্সপ'জাৰ প্ৰ'ফাইলেক্সিছ বুলি কোৱা হয়।

স্বাস্থ্যৰ উন্নতি সাধনৰ সহজ উপায়

# খাদ্য ভালদৰে চোবাই খাবলৈ লওক

**সময়ৰ** নাটনি নহ'লেও বহু লোকে খাদ্য ভালদৰে চোবাই নাখায়। ইয়ে মূৰকত স্বাস্থ্যৰ ক্ষতিসাধন কৰে। এই কথা বহুতে মন নকৰে। কিন্তু খাদ্য গ্ৰহণৰ ক্ষেত্ৰত তেনেই সহজ পদ্ধতি অৱলম্বন কৰিলেই এজন ব্যক্তিৰ স্বাস্থ্যৰ চকুত লগাকৈ উন্নতি হয় বুলি চিকিৎসা বিশেষজ্ঞসকলে কৈ আহিছে। একাংশ চিকিৎসা বিশেষজ্ঞৰ মতে, যি খাদ্যই নহওক, সদায়ে ভালদৰে চোবাই খাব লাগে। কাৰণ ভালদৰে চোবাই খোৱা খাদ্য সহজে হজম হয় আৰু খাদ্যত থকা পুষ্টিকাৰক দ্ৰব্য দেহে সহজে শোষণ কৰি লয়। ইয়াৰ কাৰণ হৈছে ভালদৰে খাদ্য চোবাই খালে দেহৰ পৰা হজমী কাৰ্যত ব্যৱহৃত



এনজাইমৰ নিঃসৰণ ঘটে। এই এনজাইমে খাদ্য হজম হোৱাত সহায় কৰে। হজমী প্ৰক্ৰিয়াত ব্যৱহৃত এনজাইমবোৰে খাদ্য সৰু সৰু খণ্ডত বিভক্ত কৰে। ফলত খাদ্য সহজে হজম হয়। সেয়েহে যিকোনো খাদ্য ভালদৰে চোবাই খাব লাগে। আনহাতে, খাদ্য ভালদৰে চোবাই নাখালে গেষ্ট্ৰিক, কোষ্ঠকাঠিন্য, বুকুৰ জ্বলা-পোৱা, পেট ওফন্দি উঠা, মূৰৰ বিষ, দেহৰ শক্তি হ্ৰাস পোৱা আদিৰ দৰে সমস্যাৰ উদ্ভৱৰ আশংকা আছে। গতিকে খাদ্য ভালদৰে চোবাই খোৱা উচিত। খাদ্য ভালদৰে চোবাই নাখালে ইছ'ফেগাছতো সমস্যাৰ সৃষ্টিৰ আশংকা থাকে। যেতিয়া খাদ্য ভালদৰে চোবাই খোৱা হয়, তেতিয়া প্ৰচুৰ পৰিমাণে থুই বা লালৰতি ওলায়। এই থুই বা লালৰতিত খাদ্য হজম কৰা বহু এনজাইম থাকে। এই এনজাইমসমূহ নিঃসৰণৰ পাছত ডিঙি আৰু পাকস্থলীলৈ যায়। মূৰকত এইবোৰে খাদ্য হজম হোৱাত সহায় কৰে। ইপিনে, যিকোনো সময়তে শীতল পানীয় খোৱা উচিত নহয়। বিশেষকৈ গুৰু আহাৰ অথবা ভাত-ৰুটি খোৱাৰ সময়ত পানী অথবা শীতল পানীয় খোৱা উচিত নহয়। কাৰণ পাকস্থলীত অধিক পৰিমাণৰ পানী থাকিলে খাদ্য ভালদৰে হজম নহয়। প্ৰকৃততে অধিক পৰিমাণৰ পানীয়ে খাদ্য হজম লেহেমীয়া কৰে। একেদৰে খাদ্য খোৱাৰ সময়ত কি খাইছে, তাত গুৰুত্ব আৰোপ কৰা উচিত নহয়। যেনে ধৰণৰ খাদ্যই নহওক, সময়ত মাথোঁ খোৱাহে উচিত। খাদ্যৰ বাচ-বিচাৰ কৰি খালে তাৰ দ্বাৰা স্বাস্থ্য উপকাৰ সাধন নহয়। দেহ ৰুগীয়া কৰাৰ আশংকা নথকা সকলো খাদ্যই খোৱা উচিত। আনহাতে, খাদ্য গ্ৰহণৰ সময়ত মনোসংযোগ বিচ্ছিন্ন হ'ব পৰা কাম কৰি থকা উচিত নহয়। এনে ধৰণৰ কামৰ উদাহৰণ হৈছে টিভি চোৱা, কাৰোবাৰ স'তে কথা পাতি থকা আদি। বিশেষজ্ঞসকলৰ মতে, খাদ্য গ্ৰহণৰ সময়ত কেৱল খাদ্য গ্ৰহণতহে মনোনিবেশ কৰা উচিত। ইয়ে মুখৰ আগত থকা খাদ্যখিনি অধিক আকৰ্ষণীয় অথবা উপভোগ্য কৰি তোলে। খাদ্য গ্ৰহণৰ সময়ত সদায়ে ধাৰণা কৰি ল'ব লাগে যে খাদ্যখিনি ভালদৰে চোবাই খাবই লাগিব। আহাৰ গ্ৰহণৰ সময়ত সকলো চিন্তা-ভাৱনা আঁতৰাই থ'ব লাগে।

স্বাস্থ্য বিশেষজ্ঞ লিউক কটিনহ'ৰ মতে, খাদ্য ভালদৰে চোবাই খালে নিম্নোক্ত উপকাৰিতাসমূহ লাভ কৰা যায়—

**ওজন বৃদ্ধি ঃ** খাদ্য ভালদৰে চোবাই খোৱাৰ অভ্যাস গঢ়ি তুলিলে দেহৰ ওজন বয়স অনুপাতে বৃদ্ধি পায়। অৰ্থাৎ কম ওজনৰ ব্যক্তিসকলে খাদ্য ভালদৰে চোবাই খোৱাত নিতান্তই গুৰুত্ব দিয়া প্ৰয়োজন।



শকত মানুহৰ এচিডিটিৰ প্ৰৱণতা বেছি। কাৰণ পেটৰ চাপৰ বাবে পাকস্থলীৰ ওপৰত চাপ পৰে। সেয়েহে শৰীৰৰ ওজন কমোৱাটো নিতান্ত জৰুৰী বিষয়। খাদ্যবস্তু ভালদৰে চোবাই খাব লাগে। তেতিয়া বদহজম নহয়। যিসকলে বেছিকৈ চাহ বা কফি খায় তেওঁলোকে বেছিকৈ ফলৰ ৰস খাব লাগে। খোৱাৰ সময়ত বেছি পানী খাব নালাগে। কাৰণ পানী খালে পাকস্থলীৰ এচিড সেই পানীত দ্ৰৱীভূত হয়। ফলত হজমৰ সমস্যাই দেখা দিব পাৰে। কিছুমানে ভাত খোৱাৰ পাছতে বিছনাত বাগৰ দিয়ে। পিছে কিছু সময় খোজকঢ়াৰ পাছতহে শুব লাগে। পাকস্থলীৰ খাদ্য যাতে কোনো কাৰণতে খাদ্যনলীত প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে শোৱাৰ সময়ত মূৰটো সামান্য ওখকৈ ৰাখিব লাগে।

# এচিডিটি

## পৰিত্ৰাণ পাব কেনেকৈ?

### কি কাৰণে হাইড্ৰ'ক্ল'ৰিক এচিড বৃদ্ধি পায়

পাকস্থলীৰ মিউকাছ মেমব্ৰেনত অৱস্থিত পেৰাইটেল কোষে হাইড্ৰ'ক্ল'ৰিক এচিড নিঃসৰণ কৰে। এইবিধ এচিডে খাদ্যবস্তু হজম হোৱাত বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা যায়। পাকস্থলীৰ আন কিছুমান কোষে গেছট্ৰিন নামৰ এবিধ হৰম'ন নিঃসৰণ কৰে, যিবিধে সচৰাচৰ হাইড্ৰ'ক্ল'ৰিক এচিডৰ ক্ষৰণ বৃদ্ধি কৰে। ইয়াৰ উপৰি ১০ নম্বৰ কাৰোনেটিক নাৰ্ভ বা ভেগাছে পাকস্থলীৰ পেৰাইটেল কোষসমূহক উদ্দীপিত কৰি বৃদ্ধি কৰে হাইড্ৰ'ক্ল'ৰিক এচিড। পাকস্থলীৰ মাষ্ট কোষৰ পৰা হিষ্টামিন নিঃসৃত হয়। এই হিষ্টামিনেও পাকস্থলীৰ পৰা হাইড্ৰ'ক্ল'ৰিক এচিডৰ ক্ষৰণ বৃদ্ধি কৰে। ইয়াৰ উপৰি যিবোৰ কাৰণৰ বাবে হাইড্ৰ'ক্ল'ৰিক এচিডৰ পৰিমাণ বৃদ্ধি পায় সেইবোৰৰ ভিতৰত অন্যতম হ'ল চাহ, কফি, ধূমপান, মদ্যপান, কেলছিয়াম। আনহাতে, পাকস্থলীৰ পেৰাইটেল কোষৰ অনুপস্থিতি, খাদ্যত এচিডৰ পৰিমাণ কম থকা, তেজত চেনিৰ পৰিমাণ কম থকা, তেজত চেনিৰ পৰিমাণ হ্ৰাস পোৱা, অতিৰিক্ত পৰিমাণে চৰ্বি জাতীয় খাদ্য গ্ৰহণ কৰা, ছোমাটোটেটিন নামৰ হৰম'নবিধে গেছট্ৰিনৰ পৰিমাণ হ্ৰাস কৰে, গ্লুকাগন নামৰ হৰম'ন, পাকস্থলীৰ অস্ত্ৰোপচাৰ, পাকস্থলীৰ কেন্সাৰ ইত্যাদি।

### হাইপাৰকেলছিমিয়া বুলিলে কি বুজা যায়

শৰীৰত যেতিয়া কেলছিয়ামৰ পৰিমাণ বৃদ্ধি পায় তেতিয়া পেটত এচিডিটিৰ সমস্যাই গা কৰি উঠিব পাৰে। কেলছিয়ামৰ বাবে যেতিয়া এচিডিটি বৃদ্ধি পায় তেতিয়া 'হাইপাৰকেলছিমিয়া' বুলি কোৱা হয়। কেলছিয়াম বেছি হোৱাৰ আঁৰত আকৌ আন বহুতো কাৰণ থাকে। ৰোগী এগৰাকীৰ পেৰাথায়ৰয়েডৰ সমস্যা থাকিব পাৰে। ইয়াৰ উপৰি কিছুমানৰ শৰীৰত কেলছিয়াম সঠিকভাৱে শোষণ নহয়। ৰোগীৰ ৰেনেল ফেইলিউৰ হোৱাৰ বাবে অতিৰিক্ত কেলছিয়াম শৰীৰৰ পৰা ওলাই যাব নোৱাৰে। তেতিয়াও অতিৰিক্ত কেলছিয়ামখিনি শৰীৰত জমা হোৱাত হাইপাৰকেলছিমিয়া হোৱাৰ প্ৰৱণতা বৃদ্ধি পায়। মেলিগনেন্ট টিউমাৰ থাকিলেও হাইপাৰকেলছিমিয়াৰ আশংকা বৃদ্ধি পাব পাৰে।

### গ'লষ্টোন আৰু এচিডিটিৰ সম্পৰ্ক কেনেধৰণৰ

গ'লষ্টোনসমূহ হ'ল গ'লব্লাডাৰত জমা হোৱা পাথৰ। গ'লব্লাডাৰত পিত্তৰস থাকে আৰু ই গেষ্ট্ৰিক এচিডৰ ভাৰসাম্য ৰক্ষা কৰে। যেতিয়া গ'লব্লাডাৰত পাথৰ জমা হয় তেতিয়া ই তাৰ কাৰ্য স্বাভাৱিকভাৱে সম্পাদন কৰোতে ব্যাঘাত জন্মে। গ'লষ্টোনৰ বাবে পিত্তৰসখিনি শৰীৰৰ বিভিন্ন অংশলৈ বিশেষকৈ ডিঅ'ডেনামলৈ সৰবৰাহ হোৱাত বাধাৰ সৃষ্টি হয়। সেইবাবে পেটৰ ভিতৰত অতিৰিক্ত গেছট্ৰিক এচিড জমা হৈ থকা বাবে এচিডিটিয়ে গা কৰি উঠে। এই ক্ষেত্ৰত বহুতে জ্ঞাত নহয়। কেৱল খাদ্যৰ বাবেহে হয় বুলি প্ৰায় ভাগৰে মনত ভ্ৰান্ত ধাৰণা আছে।

প্ৰথমতে পাকস্থলীৰ পৰা অহা জুলীয়া বোকাৰ নিচিনা আধা জীণ যোৱা এচিডীয় আহাৰখিনি ডুঅ'ডেনামত প্ৰৱেশৰ লগে লগে তাত লিভাৰৰ পৰা ওলাই পিত্তথলীত জমা হোৱা ক্ষাৰধৰ্মী পিত্তৰস নলিকা এডালেৰে আহি লগ লাগে। এইখিনিতে উল্লেখ কৰিব খুজিছো যে এনে পিত্তৰসত কোনো ধৰণৰ উৎসেচক নাথাকে। সচৰাচৰ ইয়াত পিত্ত লৱণ আৰু পিত্তৰঞ্জকহে পোৱা যায়। ক্ষাৰকীয় পিত্তৰসে এচিডীয় হৈ অহা আহাৰখিনি প্ৰশমিত কৰে। এগৰাকী সুস্থ ব্যক্তিৰ শৰীৰত দৈনিক আধালিটাৰ মান পিত্তৰস ক্ষৰিত হয়। ইয়াৰ পাছত অগ্নাশয়ৰ পৰা নিঃসৃত ভগ্নাশয় ৰস আৰু অন্ত্ৰৰ পৰা ওলোৱা আন্ত্ৰিক ৰসে হজম প্ৰক্ৰিয়াৰ অন্তিম কাৰ্য সম্পাদন কৰে।

> যদিহে বেছিদিন ধৰি বুকু জ্বলা-পোৱা কৰি থাকে, বমি বমি ভাব হয়, পেটৰ বিষ হৈ থাকে তেতিয়াহ'লে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত। বহুতে এচিডিটিৰ সমস্যাক গুৰুত্ব দিবলৈ টান পায়। দীৰ্ঘদিনীয়া সমস্যালৈ ৰূপান্তৰিত হ'লে মূৰৰ বিষ হ'ব পাৰে। প্ৰাথমিক স্তৰতে চিকিৎসা কৰিলে সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰাৰ আশংকা কম হয়। এচিডিটিৰ বাবে বুকুখন বিষাব পাৰে। যিসকল এচিডিটিৰ সমস্যাত আক্ৰান্ত তেওঁলোকৰ টোপনি স্বাভাৱিক হ'লে উপশম লাভ কৰিব পাৰে। টোপনি ক্ষতি হ'লে বা টোপনি কম হ'লে এচিডিটি বাঢ়ে।

### গেষ্ট্ৰো ইছোফেজিয়েল ৰিফ্লেক্স ডিজিজ

গেষ্ট্ৰো ইছোফেজিয়েল ৰিফ্লেক্স ডিজিজ বা গাৰ্ড হ'ল এনে এবিধ অসুখ য'ত ইছোফেগাছ বা খাদ্যনলীৰ শেষ ভাগত যি অংশ পাকস্থলীৰ স'তে সংযোগ হৈছে তাত চাৰিওফালে থকা মাংসপেশীৰ বন্ধনী পৃথক হয়। সেইবাবে পাকস্থলীৰ পৰা এচিড, পিত্তৰস আদি খাদ্যনলীৰ ভিতৰত প্ৰৱেশ কৰে। এনে হোৱাৰ আঁৰত বহুতো কাৰণ থাকে। এইবোৰৰ ভিতৰত অন্যতম হ'ল পেট পূৰাই খোৱা খাদ্যৰ লগতে ঘিউ, তেল আদি বেছি পৰিমাণে গ্ৰহণ কৰাটো। শুই থাকিলে অথবা তলমুৱাকৈ বস্তু আদি দাঙিলে হোৱাৰ আশংকা থাকে। যিসকলে চিগাৰেট, জৰ্দা আদি বেছিকৈ খায় তেওঁলোকৰো হ'ব পাৰে। অত্যধিক মদ্যপান কৰাৰ ফলত অৱস্থাৰ অৱনতি ঘটিলেও হয়। ইয়াৰ উপৰি কেতিয়াবা কোনো বিশেষ কাৰণ নোহোৱাকৈয়ে পাকস্থলীৰ ৰস খাদ্যনলীলৈ উঠি আহে। বেছিকৈ চাহ, কফি, মছলাযুক্ত খাদ্যগ্ৰহণ কৰিলেও হোৱা দেখা যায়।

খাদ্যনলী আৰু পাকস্থলীৰ সংযোগ স্থলত যি মাংসপেশীয়ে খাদ্যনলীৰ তলৰ অংশটো আগুৰি ৰাখে সেইখিনি মাংসপেশী যদি দুৰ্বল হয় অথবা ঢিলা হয় তেতিয়া পাকস্থলীৰ ৰস খাদ্যনলীৰ ভিতৰত প্ৰৱেশ কৰি সৃষ্টি কৰে 'গাৰ্ড'ৰ। এনে ৰিফ্লেক্ট বা পাকস্থলীৰ ৰস খাদ্যনলীত প্ৰৱেশৰ প্ৰৱণতা বৃদ্ধি পায় যদিহে পাকস্থলীৰ ভিতৰত অথবা বাহিৰৰ চাপ অতিৰিক্তভাৱে বৃদ্ধি হ'বলৈ ধৰে। এনে ৰিফ্লেক্ট হোৱাৰ বাবে দায়ী হায়াৰ্টাছ হাৰ্ণিয়া, অত্যধিক ওজন বা মেদবহুলতা, গৰ্ভাৱস্থা, নিশা পলমকৈ আহাৰ গ্ৰহণ কৰা, কিছুমান বিশেষ খাদ্য যেনে চকলেট, কফি অথবা ফলৰ ৰস, গুডখা খায়।

যদিহে পাকস্থলীৰ ৰস সঘনাই ওপৰলৈ উঠি থাকে তেতিয়া হ'লে ইয়াৰ ফলত শাৰীৰিক-মানসিকভাৱে সমানেই অস্বস্তি অনুভৱ কৰিবলগীয়া হয়। সঘনাই উঠি অহা বাবে খাদ্যনলীত প্ৰদাহ অথবা ইছোফেজাইটিছৰ ক্ষত বা আলচাৰ হ'বলৈ আৰম্ভ কৰে। যদিহে প্ৰদাহ দীৰ্ঘ সময়ৰ বাবে হয় তেতিয়া খাদ্যনলীৰ তলৰ অংশ সৰু হ'বলৈ ধৰে। ইয়াৰ ফলত খাদ্য খোৱাত অসুবিধা হয় আৰু জটিল সমস্যাৰ সৃষ্টি কৰে। খাদ্যনলীত আলচাৰ হ'লে ৰক্তক্ষৰণ হোৱাৰ আশংকা বৃদ্ধি পায় আৰু সেইবাবে এনিমিয়া বা ৰক্তাল্পতা হয়। যেতিয়া প্ৰদাহৰ হাৰ বৃদ্ধি পায় তেতিয়া খাদ্যনলীৰ আৱৰণীয় পৰিৱৰ্তন হ'বলৈয়ো আৰম্ভ কৰে। সেইবাবে ৰক্তক্ষৰণ হোৱাৰ লগতে তলৰ অংশ সৰু হ'বলৈ ধৰে বাবে কেন্সাৰ হোৱাৰ আশংকাও বৃদ্ধি পায়।

গাৰ্ডৰ কিছুমান বিশেষ লক্ষণ আছে। পেটৰ ওপৰ অংশ অথবা বুকু জ্বলা-পোৱা কৰা আৰু বিষ হয়। সময়ে সময়ে বিষ বা জ্বলা পোৱাৰ ভাব পিঠিৰ ফালে হ'ব পাৰে। টেঙা পানী ডিঙিলৈকে আহে আৰু সমান্তৰালভাৱে ডিঙিত আৰম্ভ হয় জ্বলা-পোৱা ভাব। কিছুমান শ্বাস-প্ৰশ্বাসৰ সমস্যায়ো গা কৰি উঠে।

### হাইপাৰ এচিডিটি আৰু হেলিকোবেক্টৰ পাইলেৰীৰ সম্পৰ্ক

হাইপাৰ এচিডিটিৰ যিবোৰ কাৰণ আছে সেইবোৰৰ ভিতৰত অন্যতম হ'ল হেলিকোবেক্টৰ পাইলেৰী নামৰ বীজাণুবিধ। হেলিকোবেক্টৰ পাইলেৰীয়ে এচিড পেপটিক ডিছঅৰ্ডাৰৰ সৃষ্টি কৰে। কিছুমান দেশত ইয়াৰ প্ৰকোপ মন কৰিবলগীয়া। ভাৰততো ইয়াৰ প্ৰকোপ ব্যতিক্ৰম বুলি ক'ব নোৱাৰি। ইংলণ্ডৰ ৫০ শতাংশ লোকৰ শৰীৰত এইবিধ বীজাণুৰ উপস্থিতি ধৰা পৰিছে। সঘনাই উগাৰ আহে।

### বুকুৰ বিষ আৰু এচিডিটিৰ সম্পৰ্ক আছেনে

এচিডিটিৰ বাবে বুকুৰ বিষ হোৱাৰ বিষয়ে প্ৰায়ভাগে জ্ঞাত। সেইবাবে আজিকালি বুকুৰ বিষ আৰম্ভ হোৱাৰ পাছতেই এণ্টাচিড খোৱাৰ মানসিকতাই প্ৰায়ভাগ লোকৰ মনত গঢ় লৈ উঠিছে। এণ্টাচিড খাই সাময়িকভাৱে সমস্যাৰ সমাধান কৰিলেও পৰৱৰ্তী সময়ত ই পুনৰাই গা কৰি উঠা পৰিলক্ষিত হয়। চল্লিশোৰ্ধ ব্যক্তিৰ ক্ষেত্ৰত বুকুৰ বিষ হোৱা বুলি কেৱল এণ্টাচিড খায়ে সমস্যাৰ সমাধান কৰিবলৈ চেষ্টা কৰাৰ পৰিণতি সময়ত ভয়াৱহ হৈয়ো উঠে। যেতিয়া এচিডিটিৰ বাবে বুকুৰ বিষ হয় তেতিয়া বুকুৰ তলৰ অংশত চাপ অনুভৱ হয় অথবা পেটৰ যন্ত্ৰণাত ছটফটাই থাকিব লাগে। এই বিষৰ স্থায়িত্ব কম। উগাৰ আহিলে যেতিয়া বায়ু বাহিৰলৈ ওলাই তেতিয়া উপশম লাভ কৰে। অৱশ্যে বিষ যদি চল্লিশোৰ্ধ ব্যক্তিৰ ক্ষেত্ৰত হঠাৎ নিশা ভাগত অথবা খোৱা-বোৱাৰ পাছতে অনুভৱ হ'বলৈ ধৰে তেতিয়া হ'লে বুকুৰ বিষৰ কাৰণ কেৱল গেছট্ৰিক বুলি ভবাটো উচিত নহ'ব। গেছট্ৰিক আলচাৰ, ৰিফ্লেক্স ইছোফিজাইটিছ, গ'লব্লাডাৰ ষ্টোনৰ বাবেও বহু সময়ত পেটৰ ওপৰৰ অংশত বিষ আৰু বুকুৰ তলত অংশত বিষ অনুভৱ হ'ব পাৰে। যদিহে এচিডিটিৰ বাবে এনে হয় তেতিয়া হ'লে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰি এণ্টাচিড বা আন ঔষধ খালেও ৰোগৰ পৰা উপশম লাভ কৰাটো সম্ভৱ। বুকুৰ বিষ হ'লে হৃদৰোগ বিশেষজ্ঞৰ পৰামৰ্শৰ প্ৰয়োজন হ'ব পাৰে যদিহে এয়া এচিডিটিৰ বাবে উদ্ভৱ হোৱা সমস্যা নহয় বুলি নিশ্চিত হয়।

### এচিডিটিৰ বাবে কিয় দাঁতৰ ক্ষতি হয়

এচিডিটিৰ বাবে দাঁতৰো ক্ষতি হ'ব পাৰে। দাঁত আৰু এচিডিটিৰ প্ৰত্যক্ষ সম্পৰ্ক নাই যদিও পৰোক্ষভাৱে বহু পৰিমাণে ক্ষতি কৰে। দাঁতৰ এনামেল নষ্ট হয়। সেইবাবে খাদ্য গ্ৰহণৰ সময়ত বিশেষকৈ তৰল জাতীয় খাদ্য গ্ৰহণ কৰিলে দাঁত সিৰ সিৰাবলৈ ধৰে। সচৰাচৰ দাঁত ক্ষয় হ'লে এক ধৰণৰ বিশেষ প্লাষ্টাৰ কৰা হয়।

### এচিডিটি উপশমত এণ্টাচিডৰ প্ৰভাৱ আছেনে

প্ৰত্যেকে গ্ৰহণ কৰা খাদ্য হজম হ'বৰ বাবে পাকস্থলীত এচিডৰ ক্ষৰণ হয়। ই হ'ল হাইড্ৰ'ক্লৰিক এচিড। যিবোৰ এনজাইম উৎপন্ন হয় সেইবোৰে এচিডৰ সহায়ত ভালদৰে কাৰ্য সম্পাদন কৰে। টায়ালিন কাৰ্বোহাইড্ৰেটে হজমত সহায় কৰে। অৱশ্যে ই যেতিয়া এককালাইনৰ মাধ্যমত কাৰ্য সম্পাদন কৰে তেতিয়া তুলনামূলকভাৱে কাৰ্যকাৰিতা বৃদ্ধি পায়। আনহাতে, পাকস্থলীত প্ৰ'টিনৰ হজমৰ বাবে পেপছিন এলজাইম থাকে। চৰ্বি হজমৰ কাৰণে থাকে গেছট্ৰিক লাইপেজ এনজাইম। এই সকলোবোৰ এচিডৰ সহায়ত ভালদৰে কাৰ্য সম্পাদন কৰিব



পাৰে। গ্ৰহণ কৰা খাদ্যৰ লগত বহুতো বীজাণু প্ৰৱেশ কৰে। এই বীজাণুসমূহক এচিডে ধ্বংস কৰে। পাকস্থলীৰ মিউকাছ আৱৰণীত মিউচিন থাকে। মিউচিন এচিডৰ ক্ষতিকৰ প্ৰভাৱৰ পৰা পাকস্থলীৰ আৱৰণক ৰক্ষা কৰা দেখা যায়। এচিডিটি হ'ব পাৰে দুটা কাৰণত— পাকস্থলীত এচিডৰ ক্ষৰণ বেছি হোৱা আৰু মিউকাছ আৱৰণীৰ আত্মৰক্ষাৰ পদ্ধতিত বিসংগতি দেখা দিয়া বাবে। এনে ধৰণৰ সমস্যাই দেখা দিলে প্ৰায়ভাগ চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ নকৰাকৈ এণ্টাচিড খায়। অতিৰিক্ত মাত্ৰাত এণ্টাচিড খোৱাৰ ফলত পাৰ্শ্বক্ৰিয়াই দেখা দিব পাৰে। কিয়নো যিকোনো ঔষধে ৰোগ প্ৰতিৰোধ বা ৰোগীক ৰোগৰ পৰা উপশম ঘটালেও পৰোক্ষভাৱে আন সমস্যাৰো সৃষ্টি কৰিব পাৰে। সাধাৰণতে আমি দুই ধৰণৰ এণ্টাচিডহে খাওঁ— ছিষ্টেমিক এণ্টাচিড আৰু লোকেলি একটিভ এণ্টাচিড। ছিষ্টেমিক এণ্টাচিড অৰ্থাৎ ছোডিবাই কাৰ্ব। এই ছোডিবাই কাৰ্ব ব্যৱহাৰৰ পাছত বিভিন্ন ধৰণৰ সমস্যাৰ সৃষ্টি হয়। সেইবাবে ছোডিবাই কাৰ্ব ব্যৱহাৰ নকৰি তাৰ পৰিৱৰ্তে লোকেলি একটিভ এণ্টাচিড গ্ৰহণ কৰিব ধৰিলে এইবিধ এণ্টাচিডেও শৰীৰত বিভিন্ন সমস্যাৰ সৃষ্টি কৰে। এলুমিনিয়াম এণ্টাচিড ছল্ট এচিডৰ লগত বিক্ৰিয়া হৈ এলুমিনিয়াম ছল্ট প্ৰস্তুত কৰে। ইয়াৰ ফলত পাকস্থলীৰ পেশীৰ সংকোচন-প্ৰসাৰণ কমি যায়। ফলত পাকস্থলীত বেছি সময় ধৰি এচিড থাকিলে আলচাৰ বৃদ্ধি হোৱাৰ শংকা থাকে। অন্ত্ৰৰ সংকোচন-প্ৰসাৰণৰ বাবে কোষ্ঠকাঠিন্যৰ সমস্যাই গা কৰি উঠে।

### সাৱধানতা অৱলম্বন কৰা উচিত

■ কিছুমান খাদ্যই যিকোনো মানুহৰে এচিডিটিৰ সৃষ্টি কৰিব পাৰে। যিবিধ খাদ্য যিদৰে প্ৰস্তুত কৰি উপযুক্ত সময়ত খাব লাগে সেয়া নকৰি ভালদৰে প্ৰস্তুত নকৰাকৈ আৰু যিকোনো সময়ত খালে সাধাৰণতে এনে সমস্যাই দেখা দিয়ে। আমাৰ প্ৰায়ভাগৰে মনত এটি ভ্ৰান্ত ধাৰণা আছে যে মছলাজাতীয় খাদ্য খালেই এচিডিটি বৃদ্ধি পায়। সীমিত পৰিমাণৰ মছলাযুক্ত খাদ্য খালে অসুখ হোৱাৰ আশংকা কম। আনহাতে, সকলোৰে শৰীৰত যে গ্ৰহণ কৰিব পৰা শক্তি সমানে আছে সেই কথা নহয়। একেবিধ খাদ্য এজনে খালে এচিডিটি নহ'ব পাৰে আৰু আন এজনে খালে হ'ব পাৰে। সেইবাবে আমি যিবোৰ খাদ্য খালে এচিডিটিৰ সমস্যাই দেখা দিয়ে, পৰাপক্ষত সেইবোৰ খাব নালাগে। যিকোনো খাদ্য সঠিক সময়ত সঠিকভাৱে খালে এচিডিটিয়ে সহজে আক্ৰমণ কৰিব পাৰে। এচিডিটিৰ বাবে পেট জ্বলা-পোৱা কৰিলে বহুতে ঠাণ্ডাপানী খাই এনে সমস্যাৰ পৰা উপশম লাভ কৰা বুলি ভাবে। এয়া সত্য নহয়।

■ শকত মানুহৰ এচিডিটিৰ প্ৰৱণতা বেছি। কাৰণ পেটৰ চাপৰ বাবে পাকস্থলীৰ ওপৰত চাপ পৰে। সেয়েহে শৰীৰৰ ওজন কমোৱাটো নিতান্ত জৰুৰী বিষয়। খাদ্যবস্তু ভালদৰে চোবাই খাব লাগে। তেতিয়া বদহজম নহয়। যিসকলে বেছিকৈ চাহ বা কফি খায় তেওঁলোকে বেছিকৈ ফলৰ ৰস খাব লাগে।

■ খোৱাৰ সময়ত বেছি পানী খাব নালাগে। কাৰণ পানী খালে পাকস্থলীৰ এচিড সেই পানীত দ্ৰৱীভূত হয়। ফলত হজমৰ সমস্যাই দেখা দিব পাৰে। কিছুমানে ভাত খোৱাৰ পাছতে বিছনাত বাগৰ দিয়ে। পিছে কিছু সময় খোজকঢ়াৰ পাছতহে শুব লাগে। পাকস্থলীৰ খাদ্য যাতে কোনো কাৰণতে খাদ্যনলীত প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে শোৱাৰ সময়ত মূৰটো সামান্য ওখকৈ ৰাখিব লাগে।

■ অতিৰিক্ত মানসিক চাপে এচিডিটিৰ সমস্যা বঢ়ায়। এনে ধৰণৰ মানসিক চাপৰ পৰা মুক্ত হৈ থাকিব পাৰিলে জটিলতাৰ সৃষ্টি হোৱাৰ শংকা নাথাকে।

■ যদিহে বেছিদিন ধৰি বুকু জ্বলা-পোৱা কৰি থাকে, বমি বমি ভাব হয়, পেটৰ বিষ হৈ থাকে তেতিয়াহ'লে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত। বহুতে এচিডিটিৰ সমস্যাক গুৰুত্ব দিবলৈ টান পায়। দীৰ্ঘদিনীয়া সমস্যালৈ ৰূপান্তৰিত হ'লে মূৰৰ বিষ হ'ব পাৰে। প্ৰাথমিক স্তৰতে চিকিৎসা কৰিলে সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰাৰ আশংকা কম হয়। এচিডিটিৰ বাবে বুকুখন বিষাব পাৰে। যিসকল এচিডিটিৰ সমস্যাত আক্ৰান্ত তেওঁলোকৰ টোপনি স্বাভাৱিক হ'লে উপশম লাভ কৰিব পাৰে। টোপনি ক্ষতি হ'লে বা টোপনি কম হ'লে এচিডিটি বাঢ়ে।

■ চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ নকৰাকৈ যিকোনো ঔষধ খাব নালাগে। এণ্টাচিড আদি যদি কেতিয়াবা খাব লাগে সেয়া ভালদৰে জানি লৈহে নিয়মমতে খোৱা উচিত। বহুতে নিজ ইচ্ছামতে ঔষধ খাই জায়াতু ভোগে। এচিডিটিৰ সমস্যাত আক্ৰান্তসকলে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিহে গাখীৰ খাব লাগে। কিয়নো গাখীৰেও এচিডিটি বৃদ্ধি কৰে।

■ ধূমপান আদিৰ পৰা দূৰত থাকিব লাগে। ধূমপানেও এচিডিটি বৃদ্ধি কৰে। আনহাতে, কেতিয়াও খালী পেটে থাকিব নালাগে। খালী পেটত বেছি চাহ খোৱাটো অনুচিত। মদ্যপানৰ পৰাও বিৰত থাকিব লাগে। শুই উঠিয়ে খালী পেটত পানী খালেও এনে সমস্যাৰ পৰা বহুলাংশে উপশম লাভ কৰিব পাৰি। এচিডিটিৰ সমস্যাৰ পৰা সাময়িকভাৱে মুক্তি লাভ কৰিলেই নহ'ব, ইয়াৰ স্থায়ী সমাধান হোৱা উচিত। কি খালে সাৱধান হ'ব লাগে সেয়া নিজতকৈ আনে ভালদৰে নাজানে।

## এচিডিটিৰ কাৰণসমূহ

- অত্যধিক কাৰ্বোহাইড্ৰেট বা শ্বেতসাৰ জাতীয় খাদ্য খোৱা বাবে এচিডিটি হোৱাৰ আশংকা থাকে।
- কেতিয়াবা গুৰু আহাৰ আৰু লঘু আহাৰ খোৱাৰ সময় বেলেগ বেলেগ বাবে এই প্ৰক্ৰিয়াত ব্যাঘাত জন্মিলেও এচিডিটি হয়। অৰ্থাৎ যেতিয়া লঘু আহাৰ গ্ৰহণ কৰিব লাগে তেতিয়া যদি গুৰু আহাৰ গ্ৰহণ কৰা হয় তেন্তে হজমৰ সমস্যাই গা কৰি উঠে।
- খাদ্যগ্ৰহণ অনিয়মীয়া হ'লেও এনে সমস্যাই গা কৰি উঠে। বহুতে পুৱাই ঘৰৰ পৰা ওলাই গৈ দিনৰ দিনটো কামত ঘূৰি-পকি থাকোতে য'তে-ত'তে খাবলগীয়া হয়। সেইবাবে এনে সমস্যাই দেখা দিয়ে।
- আনহাতে, অগ্নাশয়ৰ প্ৰদাহতো এচিডিটি হয়।
- পিত্তনলীৰ প্ৰদাহতো এনে হ'ব পাৰে।
- মদ্যপান কৰা লোকৰো এচিডিটিয়ে গা কৰি উঠে।
- ক্ৰনিক ৰেনেল ফেইলিঅ'ৰ হ'লে এচিডিটি হয়।
- এচিডিটি হ'লে পেপটিক আলচাৰো প্ৰাথমিক লক্ষণ হিচাপে ধৰা হয়।
- পাকস্থলীৰ কেন্সাৰৰ প্ৰাথমিক পৰ্যায়ত এনে হোৱা দেখা যায়।
- চাহ-কফি আদি বেছি মাত্ৰাত খালেও এচিডিটিৰ সৃষ্টি হয়।
- খাদ্যত প্ৰ'টিনৰ পৰিমাণ কম থাকিলে হ'ব পাৰে এচিডিটি।
- মানসিক চাপৰ বাবেও এচিডিটি বৃদ্ধি পায়। অত্যধিক মানসিক চিন্তাৰ মাজত ডুব গৈ থকাসকলৰ এচিডিটিৰ সমস্যা বেছি।
- অত্যধিক পৰিশ্ৰম কৰা আৰু পৰিশ্ৰম অনুপাতে জিৰণি নোলোৱাটো ইয়াৰ অন্যতম কাৰণ বুলি ক'ব পাৰি।
- একে ধৰণৰ খাদ্য দীৰ্ঘদিন ধৰি খালেও এনে হ'ব পাৰে।

## লক্ষণসমূহ

সাধাৰণতে এচিডিটিৰ সমস্যাৰ সৃষ্টি হ'লে কিছুমান লক্ষণে দেখা দিয়ে। এই লক্ষণসমূহৰ ভিতৰত অন্যতম হ'ল—

- বদহজম হয়। সহজপাচ্য খালেও হজম নহয়।
- পেটটো অনবৰতে ভৰি থকাৰ দৰে অনুভৱ হয়।
- বুকুখন জ্বলা-পোৱা কৰে।
- বমি বমি ভাব হোৱাও দেখা যায়।
- অভোক হয়। অলপ খালেই পেট ভৰে।
- প্ৰস্ৰাৱ জ্বলা-পোৱাৰ দৰে হ'ব পাৰে।
- মুখৰ পৰা দুৰ্গন্ধ ওলায়।
- শাৰীৰিক দুৰ্বলতা অনুভৱ হ'বলৈ ধৰে।

# মধুপুৰ গাঁৱৰ বিধ্বস্ত পথে যমৰ যাতনা ভোগাইছে ৰাইজক



**অগ্রদূত বার্তা**

**মেৰাপানী, ২ জুলাই ঃ** এটা বিধ্বস্ত পথে জীয়াতু ভোগাইছে গোলাঘাট জিলাৰ মেৰাপানী অঞ্চলৰ ছখনকৈ গাঁৱৰ ৰাইজক। চৰকাৰী পক্ষৰ সুদৃষ্টিত নপৰা পথটোৰ বাবেই এতিয়া প্ৰায় বহিঃবিশ্বৰ স'তে সম্পৰ্ক বিচ্ছিন্ন হোৱাৰ উপক্ৰম ঘটিছে গাঁওকেইখনৰ ৰাইজৰ। গোলাঘাট জিলাৰ মেৰাপানীৰ আদৰ্শ গমাৰি পঞ্চায়তৰ অন্তৰ্গত মধুপুৰ গাঁৱৰ মাজেৰে পাৰ হৈ যোৱা একমাত্ৰ পথটোৰেই সংযোগ কৰিছে কাষৰীয়া ছখনকৈ গাঁৱক। গোলাঘাট সদৰ অথবা কাষৰীয়া মেৰাপানী টাউনলৈ অহা-যোৱা কৰাৰ বাবে গাঁওকেইখনৰ ৰাইজে এই পথটোৰেই ব্যৱহাৰ কৰি আহিছে। কিন্তু বিগত প্ৰায় দুটা দশক ধৰি পথটোৰ সামান্য মেৰামতিও নোহোৱাৰ বাবে এতিয়া দুৰ্ভোগ ভুগিব লগাত পৰিছে পথচাৰীসকলে। এতিয়া পৰিস্থিতি এনে পৰ্যায় পাইছেগৈ যে পথটোৰ জৰাজীৰ্ণ ৰূপৰ বাবে গাড়ী-মটৰৰ কথাতো বাদেই, খোজ কাঢ়িও যাব নোৱাৰে কোনো এজন পথচাৰী। এজাক বৰষুণতে একাঁঠু পৰ্যন্ত বোকাৰ বাবে বাৰিষাৰ বতৰত নিজ নিজ গৃহতে আবদ্ধ হৈ থাকিব লগাত পৰিছে স্থানীয় গাঁওবাসী। পথটোৰ এনে বিধ্বস্ত ৰূপৰ বাবে সৰ্বাধিক ক্ষতিগ্ৰস্ত হৈছে অঞ্চলটোৰ স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীসকল। বৰষুণৰ বতৰত বোকাময় হৈ পথটোৰ বাবে প্ৰায়ে বিদ্যালয়লৈ যোৱাৰ পৰা বিৰত থাকে ছাত্ৰ-ছাত্ৰীসকল। ইফালে, পথটোত সৃষ্টি হোৱা পুখুৰী সদৃশ গাঁতৰ ফলত গাঁওকেইখনত প্ৰৱেশ বন্ধ হৈ পৰিছে যিকোনো ধৰণৰ যান-বাহন। দুৰ্ভাগ্যজনক বিষয় যে পথৰ বিধ্বস্ত ৰূপৰ বাবে মৃত্যুঞ্জয় বাহন প্ৰৱেশ কৰিব নোৱৰাত মধুপুৰ গাঁৱৰ এগৰাকী প্ৰসূতিয়ে শেহতীয়াকৈ ঠেলাগাড়ীৰ ওপৰতে সন্তান প্ৰসৱ কৰিব লগাত পৰিছে। তদুপৰি বোকাময় পথটোৰ ফলত অঞ্চলটোৰ ব্যৱসায়-বাণিজ্যৰ ওপৰতো যথেষ্ট বিৰূপ প্ৰভাৱ পৰিছে। অঞ্চলবাসীয়ে পথটো পুনৰ নিৰ্মাণৰ বাবে চৰকাৰী পক্ষৰ লগত বহুবাৰ যোগাযোগ কৰিছে যদিও কোনো সুফল পোৱা নাই। গাঁওকেইখনৰ ৰাইজে এই ক্ষেত্ৰত স্থানীয় বিধায়ক তথা বিত্তমন্ত্ৰী অজন্তা নেওগৰ হস্তক্ষেপ কামনা কৰি পথটো শীঘ্ৰে নিৰ্মাণ কৰাৰ দাবী জনাইছে।

# কামপুৰৰ বানবিধ্বস্ত ৰাইজৰ কাষত কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামী



**বিশেষ সংবাদদাতা**

**নগাঁও, ২ জুলাই ঃ** বছৰৰ দ্বিতীয়টো বানে সৰ্বস্বান্ত কৰা কামপুৰৰ বানবিধ্বস্ত অঞ্চলৰ খবৰ লৈ দুখৰ সমভাগী হয় মাজুলী উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামী। সত্ৰাধিকাৰজনে আজি কামপুৰৰ পটিয়াপাম, ডেকাগাঁও, বুঢ়াপটিয়া গাঁৱকে ধৰি কামপুৰৰ কে'বাটাও বান শিবিৰলৈ গৈ বন্যাৰ্তৰ খবৰ লোৱাৰ লগতে কিছু পৰিমাণে দুৰ্গত ৰাইজক খাদ্য সামগ্ৰী প্ৰদান কৰে। তেওঁ কামপুৰৰ বান পৰিস্থিতি দেখি চিন্তিত হৈ পৰে। তদুপৰি বানে ক্ষতিগ্ৰস্ত কৰা কামপুৰৰ ৰাইজক তৎকালীনভাৱে পৰ্যাপ্ত সা-সুবিধা প্ৰদান কৰিবলৈ চৰকাৰক আহ্বান জনায় সত্ৰাধিকাৰজনে।

# তেজপুৰ বিহগুৰিৰ অষ্টম-নৱম শ্ৰেণীৰ দুই ছাত্ৰী নিৰুদ্দেশক লৈ ৰহস্য



**অগ্রদূত বার্তা**

**তেজপুৰ, ২ জুলাই ঃ** তেজপুৰ বিহগুৰিৰ মৈলা গাঁও আৰু জাকৰুৱা চুবুৰিৰ দুগৰাকী অষ্টম আৰু নৱম শ্ৰেণীৰ ছাত্ৰী দুদিন ধৰি নিৰুদ্দেশ হৈ থকাক লৈ গভীৰ ৰহস্যৰ সৃষ্টি হৈছে। ৩০ জুনৰ পুৱা ১০ বজাৰ পৰা ছাত্ৰী দুগৰাকী নিৰুদ্দেশ হৈ থকা ঘটনাই সমগ্ৰ অঞ্চলটোতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণী অনুসৰি, মৈলা গাঁৱৰ অষ্টম শ্ৰেণীত অধ্যয়নৰত হিমাদ্ৰী কোচ নামৰ ছাত্ৰীগৰাকীয়ে পুৱা ১০ মান বজাত জাকৰুৱা চুবুৰিৰ বান্ধৱী তথা নৱম শ্ৰেণীৰ দীপ্তি ৰাজবংশী নামৰ ছাত্ৰীগৰাকীৰ ঘৰলৈ পঢ়িবলৈ যাওঁ বুলি ওলাই যায়। তাৰ পাছৰে পৰাই দুয়োগৰাকী ছাত্ৰী নিৰুদ্দেশ হৈ আছে। উল্লেখ্য যে ঘটনা সন্দৰ্ভত পৰিয়াল দুটাই বিহগুৰি আৰক্ষী চকীত এজাহাৰ দাখিল কৰাৰ পাছত আৰক্ষীয়ে বিষয়টো গুৰুত্ব সহকাৰে লৈ অনুসন্ধান আৰম্ভ কৰিছে যদিও এই পৰ্যন্ত নিৰুদ্দিষ্ট ছাত্ৰী দুগৰাকীৰ কোনো শুংসূত্ৰ ওলোৱা নাই। দুয়োগৰাকী ছাত্ৰীয়ে দৌৰাৰো নিয়মীয়া অভ্যাস কিছুদিনৰ পৰা কৰি গৈছিল। ইয়াৰে এগৰাকী ছাত্ৰীয়ে ঘৰত জমা থকা কিছু পৰিমাণৰ ধন আৰু আধাৰ কাৰ্ডো লগত লৈ গৈছে। কোনো লোকে যদি নিৰুদ্দিষ্ট কিশোৰী ছাত্ৰী দুগৰাকীৰ সন্ধান লাভ কৰে তেনেহ'লে ৭০৮৬৩৩৪৬০৮ নম্বৰত যোগাযোগ কৰিবলৈ দুশ্চিন্তাত ভোগা পৰিয়াল দুটাই অনুৰোধ জনাইছে।

# শোণিতপুৰৰ সেনা চৌহদত বন্যহস্তীৰ মৃত্যু

## ■ চাৰিদুৱাৰত আঘাতপ্ৰাপ্ত বন্যহস্তীৰ উপদ্ৰৱ অব্যাহত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২ জুলাই ঃ** এফালে বানৰ বাবে সৰ্বসাধাৰণৰ হাহাকাৰ আৰু আনফালে বন্যপ্ৰাণীৰ খাদ্যৰ সংকট। পৰিণতিত অৰণ্যৰ কাষৰ তথা পূৰ্বৰ অৰণ্যৰে অংশ আৰু সম্প্ৰতি জনাঞ্চলত পৰিণত হোৱা স্থানলৈ ওলাই অহা বন্যহস্তীৰ লগতে মানুহৰ প্ৰাণৰ সংকট। শোণিতপুৰত এনেদৰেই এতিয়া সঘনাই হাতী মানুহৰ সংঘাত অব্যাহত থকাৰ বিপৰীতে বন্যহস্তীৰ আক্ৰমণত চাৰিদুৱাৰত মানুহ নিহত হোৱাৰ এদিন পাছতে কালি পুৱতি নিশা মিছামাৰীত নিহত হৈছে এটা কম বয়সীয়া দঁতাল হাতী। আজি পোহৰলৈ অহা তথ্য অনুসৰি মিছামাৰীৰ কালামাটি বন্যপ্ৰাণী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত অঞ্চলত এই শোকাবহ ঘটনাটো সংঘটিত হয়। উল্লেখ্য যে মিছামাৰীস্থিত সেনা ছাউনীৰ লামা কেম্প চৌহদত বিদ্যুৎস্পৃষ্ট হৈ কালি পুৱতি নিশা বন্যহস্তীটোৰ মৃত্যু ঘটে। উল্লেখ্য যে খাদ্যৰ সন্ধানত সঘনাই সোণাইৰূপাই অভয়াৰণ্যৰ পৰা বন্যহস্তীৰ জাক ওলাই আহি মিছামাৰীৰ বিভিন্ন অঞ্চলৰ লগতে সেনাছাউনীতো প্ৰৱেশ কৰি ইয়াৰ ভঁৰালত মজুত থকা ৰছদ আদি ভক্ষণ কৰি আহিছে। যোৱা সময়ছোৱাত তিনি-চাৰিটা হাতী বা অকলশৰীয়া হাতীয়ে এনে উপদ্ৰৱ চলাই আহিলেও পৰহি নিশা এটা প্ৰায় ২০-২৫ জনীয়া হাতীৰ জাক বনাঞ্চলৰ পৰা ওলাই আহে। ইয়াৰে ভিতৰত লামা কেম্পৰ ভিতৰত প্ৰৱেশ কৰা কমবয়সীয়া মতা হাতীটোৱে ইয়াত থকা এজোপা কঠাল গছৰ ওচৰলৈ অহা অৱস্থাত কাষতে থকা এটা বিদ্যুৎ খুঁটাত ভেজা দি নিহত হোৱা অৱস্থাত পুৱা উদ্ধাৰ কৰা হয়। উল্লেখ্য যে উচ্চ ক্ষমতা সম্পন্ন বিদ্যুৎ প্ৰবাহী তাঁৰ সংলগ্ন খুঁটাটোত বিজুতিৰ বাবেই বিদ্যুৎ প্ৰবাহিত হৈ আছিল আৰু তৎকালেই হাতীটোৰ মৃত্যু ঘটিছিল। উল্লেখ্য যে এই ঘটনাৰ পাছতে খুঁটাটোৰ বিদ্যুৎ সংযোগ কৰ্তন কৰে সেনাই। পুৱতি নিশা প্ৰায় ৪.৩০ বজাত এই বিষয়ে



বন বিভাগক জনোৱা হয় আৰু ঘটনাস্থলীত শোণিতপুৰ বন্যপ্ৰাণী সংমণ্ডলৰ বিষয়াৰ লগতে নামেৰী, কালামাটি বনাঞ্চলিক কাৰ্যালয়ৰ বন বিষয়া তথা গাভৰু বিট কাৰ্যালয়ৰ বনকৰ্মী আদিৰ উপস্থিতিত মৃত হাতীটোৰ মৰণোত্তৰ পৰীক্ষা কৰি লামা কেম্প চৌহদতে হাতীটোৰ মৃতদেহ পোতা হয়। উল্লেখ্য যে যোৱা নিশাও পুনৰ হাতীৰ এটা জাক সেনা ছাউনীত প্ৰৱেশ কৰিছিল যদিও নিশাই জাকটোক বনকৰ্মীয়ে খেদি পঠায়। ইপিনে, চাৰিদুৱাৰৰ দুই নম্বৰ মোলান গাঁৱত তিনিদিন পূৰ্বে এজন লোকক হত্যা কৰা আৰু এখন ঠেঙত আঘাতপ্ৰাপ্ত বনৰীয়া হাতীটোৱে আশে-পাশে উপদ্ৰৱ অব্যাহত ৰাখিছে। প্ৰকাণ্ড হাতীটো আঘাতপ্ৰাপ্ত হৈ থকাৰ বাবেই অধিক উগ্ৰ হৈ উঠাৰ উপৰি মানুহক আক্ৰমণ কৰিবলৈ উদ্যত হয় বুলি একাংশ লোকে মন্তব্য কৰাৰ লগতে হাতীটোৰ ক্ষেত্ৰত বন বিভাগৰ শীৰ্ষ মহলে কোনো গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উঠিছে।

# ৰাণীত বন মহোৎসৱৰ উপলক্ষে গছপুলি ৰোপণ



**অগ্রদূত বার্তা**

**আজাৰা, ২ জুলাই ঃ** পূৱ কামৰূপ বন সংমণ্ডল, (গুৱাহাটী), বশিষ্ঠৰ অধীনৰ ৰাণী বনাঞ্চলিক কাৰ্যালয়ৰ সৌজন্যত ৭৩ সংখ্যক বন মহোৎসৱৰ উপলক্ষে আজি সপ্তাহজোৰা গছপুলি ৰোপণ কাৰ্যসূচী আৰম্ভ কৰা হয়। কাৰ্যসূচীৰ অংশস্বৰূপ বনাঞ্চলিক কাৰ্যালয়ৰ সমীপৰ কৈলাশপুৰ ৰাইজ গয়ৰহৰ শিৱ মন্দিৰৰ চৌহদত গছপুলি ৰোপণ কৰা হয়। ৰাণী বনাঞ্চলিক বিষয়া জয়ন্ত গোস্বামীয়ে মুকলি কৰা উক্ত কাৰ্যসূচীত শিৱ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি দিন দাস, বিশিষ্ট ব্যৱসায়ী সুভাষ দাস, ৰাজেন শৰ্মা, কৃষ্ণ দাস, অমল তালুকদাৰ, হেমন্ত দাস, বনকৰ্মী সতীশ মালীকে ধৰি বনাঞ্চলিক কাৰ্যালয়ৰ বনকৰ্মী, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় লোক উপস্থিত থাকে। এই বন মহোৎসৱৰ উপলক্ষে সেউজীয়াৰ ৰাণীৰূপে পৰিচিত বৃহত্তৰ ৰাণী অঞ্চলটি আৰু অধিক মনোমহা তথা সেউজীয়াকৰণৰ লক্ষ্যৰে ৰাইজৰ সহযোগত ৰাণী বনাঞ্চলিক কাৰ্যালয়ে অঞ্চলটোৰ বিভিন্ন স্থানত প্ৰায় এহেজাৰ গছপুলি ৰোপণৰ সিদ্ধান্ত লৈছে বুলি জানিবলৈ দিয়ে ৰেঞ্জাৰ জয়ন্ত গোস্বামীয়ে।

# এনএছএছ গোটৰ খাদ্য সামগ্ৰী বিতৰণ

**অগ্রদূত বার্তা**

**আজাৰা, ২ জুলাই ঃ** মহানগৰীৰ পশ্চিম প্ৰান্তৰ আজাৰাস্থিত হৰি গায়ত্ৰী দাস মহাবিদ্যালয়ৰ এনএছএছ গোটৰ উদ্যোগত আজি আজাৰা অঞ্চলৰ বৰবৰিত আৰ্থিকভাৱে পিছপৰা একাংশ বৃদ্ধ লোকৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰা হয়। মহাবিদ্যালয়ৰ এনএছ গোটৰ উদ্যোগত অঞ্চলটোৰ প্ৰায় ২৪গৰাকী বৃদ্ধ লোকৰ মাজত গাখীৰ, চেনি, বিস্কুট, চাহপাত আদি বিতৰণ কৰা হয়। খাদ্য সামগ্ৰী বিতৰণৰ সময়ত জনপ্ৰিয় কণ্ঠশিল্পী আজাৰাৰ বাবু বৰুৱায়ো সহযোগ কৰে।

# ৰঙাপৰা ধূলাপাদুং চাহ বাগিচাত পৱিত্ৰ ৰথযাত্ৰা মহোৎসৱ

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ২ জুলাই ঃ** শ্ৰীশ্ৰী জগন্নাথ মহাপ্ৰভুৰ ৰথযাত্ৰা মহোৎসৱ উপলক্ষে কালি বিয়লি ৰঙাপৰাৰ ধূলাপাদুং চাহ বাগিচাৰ ভক্তপ্ৰাণ ৰাইজৰ মাজত এক উখল-মাখল পৰিৱেশে বিৰাজ কৰাৰ লগতে মন্দিৰ প্ৰাংগণ 'হৰে ৰাম হৰে কৃষ্ণ' তথা জগন্নাথ ভক্তিমূলক গীতেৰে অঞ্চলটো মুখৰিত হৈ পৰে। ধূলাপাদুং চাহ বাগিচা জগন্নাথ মন্দিৰ মিলন সংঘৰ সৌজন্যত শ্ৰীশ্ৰী জগন্নাথ মন্দিৰ আৰু শ্ৰীশ্ৰী ৰাধাকৃষ্ণ মন্দিৰৰ উদ্যোগত পঞ্চম বাৰ্ষিক ৰথযাত্ৰা মহোৎসৱ পালন কৰে। প্ৰতি বছৰৰ দৰে এই বছৰো বিয়লিৰ ভাগত উক্ত চাহ বাগিচাখনৰ ভক্তপ্ৰাণ ৰাইজে ভক্তিমূলক গীত পৰিৱেশন কৰি ৰথখন চেঁচা চাহ বাগিচাত থকা জগন্নাথ মন্দিৰ অভিমুখে পদযাত্ৰা কৰি লৈ যায়।

# ৰূপহীহাটত ড্ৰাগছসহ মহিলা আটক

**অগ্রদূত বার্তা**

**ৰূপহীহাট, ২ জুলাই ঃ** ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত ৰূপহী নতুন বজাৰৰ সমীপত আজি আৰক্ষীয়ে ড্ৰাগছ বিৰোধী অভিযান চলায়। আৰক্ষীয়ে ড্ৰাগছৰ বেহাৰ স'তে জড়িত থকাৰ সন্দেহত এগৰাকী মহিলাক আটক কৰে। নিজ বাসগৃহৰ পৰা আটক কৰে ফাতেমা বেগম নামৰ মহিলাগৰাকীক। ধৃত মহিলাগৰাকীয়ে ৰূপহীহাট ড্ৰাগছ সৰবৰাহকাৰী বুলি অভিযোগ উঠিছে। ডিমাপুৰৰ পৰা ড্ৰাগছ আনি ৰূপহীহাটত স্বামী আৰু স্ত্ৰীয়ে ব্যৱসায় চলাই আহিছে বুলি অভিযোগ উঠিছে। ইপিনে, আৰক্ষীৰ অভিযান উমান পাই মহিলাগৰাকীৰ স্বামী আব্দুল খালেকে ঘৰৰ পৰা পলায়ন কৰে। ফাতেমাৰ ঘৰৰ পৰা ২৫ টা ড্ৰাগছভৰ্তি কণ্টেইনাৰ উদ্ধাৰ কৰে। ৰূপহীহাট আৰক্ষীয়ে ধৃত ফাতেমাক সোধা-পোছা অব্যাহত ৰাখিছে। পলায়ন কৰা খালেকক কৰায়ত্ত কৰিবৰ বাবে আৰক্ষীৰ তদন্ত অব্যাহত আছে।

# কৃষি বিভাগৰ উদ্যোগত বাৰাংহাটীত সমূহীয়া কঠীয়া সিঁচা পৰ্ব

**অগ্রদূত বার্তা**

**বাহাৰঘাট, ২ জুলাই ঃ** অসম চৰকাৰৰ কৃষি বিভাগৰ উদ্যোগত আজি কামৰূপ জিলাৰ কএঁৱা ৰাজহ চক্ৰৰ বাৰাংহাটীত সমূহীয়া কঠীয়া সিঁচা পৰ্ব আৰম্ভ কৰে। বন্যাৰ্ত কৃষকক সকাহ দিয়াৰ বাবে উক্ত কঠীয়া সিঁচা পৰ্ব আৰম্ভ কৰে। বিজেপিৰ কিষাণ মৰ্চাৰ উত্তৰ কামৰূপ জিলৰা অন্তৰ্গত পালেপাৰ আৰু বাৰাংহাটীৰ মধ্যস্তৰৰ মাজেচোপাত উক্ত সামূহিক কঠীয়া সিঁচা পৰ্ব আৰম্ভ কৰে। অনুষ্ঠানত প্ৰদেশ কিষাণ মৰ্চাৰ সাধাৰণ সম্পাদক নিবাৰণ লহকৰৰ লগত সহযোগ কৰে মৰ্চাৰ অসম প্ৰদেশৰ ৰাজ্যিক উপ-সভাপতি ৰঞ্জিত ভট্টাচাৰ্য, ৰাজেন্দ্ৰ নাথ, ৰাজ্যিক সম্পাদক,



মাধৱ বৈশ্য, স্থানীয় কৃষি বিষয়া স্মিতা শৰ্মা, ৰাজ্যিক কৃষক মৰ্চাৰ সদস্য হৃষিকেশ কলিতা, মনোজ দাস, উত্তৰ কামৰূপ জিলা বিজেপিৰ সাধাৰণ সম্পাদক গৌতম কলিতা, উত্তৰ কামৰূপ জিলা কৃষক মৰ্চাৰ সভাপতি ৰাজীৱ শৰ্মা, উত্তৰ হাজো মণ্ডল কৃষক মৰ্চাৰ সভাপতি উদয় কলিতা, জালুকবাৰী সমষ্টিৰ ভালেমান যুৱ বিজেপিৰ কাৰ্যকৰ্তা আৰু স্থানীয় গ্ৰাম্য সেৱককে আদি কৰি ভালেমান স্থানীয় ৰাইজ তথা কৃষকসকলে।

# দুদিনীয়া কাৰ্যসূচীৰে জাগীৰোড শংকৰদেৱ বিদ্যা নিকেতনৰ ৰূপালী জয়ন্তী

**অগ্রদূত বার্তা**

**জাগীৰোড, ২ জুলাই ঃ** জাগীৰোড অঞ্চলৰ একাংশ শিক্ষানুৰাগী আৰু মহানুভৱ ৰাইজৰ দূৰদৰ্শী চিন্তা আৰু আশাশুধীয়া প্ৰচেষ্টাৰ ফলশ্ৰুতিত ১৯৯৭ত স্থাপিত হোৱা শংকৰদেৱ বিদ্যা নিকেতন, জাগীৰোডে সম্প্ৰতি গৌৰৱোজ্জ্বল ২৫ টা বৰ্ষ পূৰ্ণ কৰিলে। সেই উপলক্ষে আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰূপালী জয়ন্তী উদ্‌যাপন সমাৰোহ ২০২২ অনুষ্ঠিত হৈছে। আজি প্ৰথম দিনা পুৱা বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী আৰম্ভ কৰে শংকৰদেৱ বিদ্যা নিকেতনৰ পৰিচালনা সমিতিৰ সভাপতি উত্তম চন্দ্ৰ ডেকাই। ইয়াৰ পাছতে জাগীৰোডৰ ২৫ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ২৫ খন পতাকা উত্তোলন কৰা হয়। নিকেতনৰ প্ৰতিষ্ঠা কালৰ পৰা জড়িত প্ৰয়াত দাঁতা, আচাৰ্য, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ, জ্ঞাত-অজ্ঞাত প্ৰখ্যাত ব্যক্তিসকলৰ স্মৃতিত স্মৃতি তৰ্পণ কৰে জ্যেষ্ঠ ব্যক্তি গোবিন্দ ৰাম ডেকাই। ইয়াৰ পাছতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ৰূপালী জয়ন্তী উপলক্ষে জাগীৰোডৰ ঘাইপথত উলিওৱা পথ সঞ্চালন উদ্বোধন কৰে মায়ং ৰাজহ চক্ৰৰ চক্ৰ বিষয়া বিমান দাসে। দুপৰীয়া প্ৰদৰ্শনী দ্বাৰ উন্মোচন কৰে স্তুতি প্ৰসাদ বৰাই। ইয়াৰ পাছতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু প্ৰাক্তন আৰু বৰ্তমানৰ আচাৰ্যাৰ সন্মিলন অনুষ্ঠিত হয়। আবেলি জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগৰ সঞ্চালনাত 'নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০' সন্দৰ্ভত এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। মুখ্য আলোচক হিচাপে অংশগ্ৰহণ কৰে শিশু শিক্ষা সমিতি, অসমৰ সভাপতি ড° দিব্যজ্যোতি মহন্ত, আলোচক হিচাপে উপস্থিত থাকে বিদ্যা ভাৰতীৰ পূৰ্বোত্তৰ ক্ষেত্ৰ সম্পাদক ড° যোগেন্দ্ৰ ৰায় চৌধুৰী আৰু শিশু শিক্ষা সমিতিৰ অসমৰ প্ৰান্তীয় নিৰীক্ষক দেৱদাস সিংহা। সন্ধিয়া অনুষ্ঠিত হয় সাংস্কৃতিক সন্ধিয়া। কাইলৈ পুৱা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব মৰিগাঁও জিলাৰ আৰক্ষী অধীক্ষক অৰ্পণা নটৰাজনে। আবেলি ড° আনন্দৰাম বুঢ়াগোহাঞিৰ সভাপতিত্বত অনুষ্ঠিত হ'ব মুকলি সভা। এই মুকলি সভাতে স্মৃতি গ্ৰন্থ উন্মোচন কৰিব মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মিলেশ্বৰ পাতৰে। সন্ধিয়া সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব অভিনেত্ৰী আইমী বৰুৱাই।

# দৰঙত ছহিদৰ নামেৰে পথ নামকৰণ

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২ জুলাই ঃ** ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়ৰ উদ্যোগত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ (চিআৰপিএফ) দেশ মাতৃৰ হকে প্ৰাণ আহুতি দিয়া ছহিদসকলৰ স্মৃতিত তেওঁলোকৰ জন্মভূমিত তেওঁলোকৰ নামেৰে পথ নামকৰণৰ পদক্ষেপৰ সিদ্ধান্ত অনুসৰি আজি দৰং জিলাতো দুটা পথৰ ছহিদসকলৰ স্মৃতিত নামকৰণ কৰা হয়। দলগাঁওস্থিত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ উদ্যোগত বিনাওজাৰ পৰা ১৫ নম্বৰ ঘাইপথলৈ সংযোগী পথটি আজি দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাৰ উপস্থিতিত ছহিদ চিআৰপিএফ চিপাহী শৈলেন্দ্ৰ ভৰদ্বাজৰ নামত নামাকৰণ কৰা হয়। উপায়ুক্তই কয় যে ২০০৮ৰ অক্টোবৰত চত্তিছগড়ত নক্সালবাদীৰ বিৰুদ্ধে যুঁজ দি ছহিদ হৈছিল শৈলেন্দ্ৰ ভৰদ্বাজ আৰু এই পথৰ নামকৰণে তেওঁৰ স্মৃতি লগতে ত্যাগ সদায় ৰাইজৰ মাজত সজীৱ কৰি ৰাখিব আৰু যুৱ প্ৰজন্মক দেশ সেৱাৰ বাবে উদ্বুদ্ধ কৰিব। আনহাতে, মেনাপাৰাৰ পৰা চপাই চকলৈ থকা পথটো আৰু চপাই চ'কটো ছহিদ চিআৰপিএফ চিপাহী ধীৰেণ ডেকাৰ নামত নামকৰণ কৰা হয়। অনুষ্ঠানত দলগাঁওস্থিত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ শীৰ্ষ বিষয়াসকল, ছহিদসকলৰ পৰিয়ালবৰ্গৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

# বিশ্বনাথত ৰথযাত্ৰা মহোৎসৱ-নগৰ পৰিভ্ৰমণ

**অগ্রদূত বার্তা**

**বিশ্বনাথ চাৰিআলি, ২ জুলাই ঃ** কালিৰে পৰা বিশ্বনাথ নগৰত উদ্‌যাপন কৰা হৈছে একবিংশ বাৰ্ষিক শ্ৰীশ্ৰীৰথযাত্ৰা মহোৎসৱ আৰু সাতদিনীয়া শ্ৰীজগন্নাথ লীলাকথা। প্ৰথম দিনৰ কাৰ্যসূচী হিচাপে বিশ্বনাথ নগৰত শ্ৰীশ্ৰীজগন্নাথ দেৱৰ ৰথযাত্ৰা কাৰ্যসূচীৰ উদ্বোধন কৰে বিশ্বনাথ সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে। ৰথযাত্ৰা বিশ্বনাথ নগৰৰ আমবাৰিৰ ধৰ্মশালাৰ পৰা আৰম্ভ কৰি সমগ্ৰ বিশ্বনাথ নগৰ পৰিভ্ৰমণ কৰা হয়। ইস্কন গুৱাহাটী অনুমোদিত বিশ্বনাথ আঞ্চলিক নামহট্ট সংঘৰ সহযোগত আৰু ধূলি তথা দিৰিং চাহ বাগিচাৰ উদ্যোগত এই অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বিশ্বনাথৰ বিধায়ক বৰঠাকুৰে অনুষ্ঠান সন্দৰ্ভত কয় যে দৰাচলতে আজিৰ দিনটোত কৃষ্ণ ভগৱান, বলোভদ্ৰ আৰু সুভদ্ৰাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ইস্কনে সমগ্ৰ বিশ্বতে এইদৰে কৃষ্ণ ভগৱান, বলোভদ্ৰ আৰ সুভদ্ৰাৰ প্ৰতিমূৰ্তি ৰথত লৈ এই কাৰ্যসূচী গ্ৰহণ কৰে। তাৰ সমান্তৰালকৈ বিশ্বনাথতো এই অনুষ্ঠান সাতদিনীয়া কাৰ্যসূচীৰে আৰম্ভ কৰা হৈছে। বিশ্বনাথৰ এই কাৰ্যসূচীত সুদূৰ বৃন্দাবনৰ পৰা ইস্কনৰ বিষয়ে ৰাইজৰ আগত উপস্থাপন কৰিবলৈ শ্ৰীপাদ য়াদৱ পতি দাস ব্ৰাহ্মচাৰীয়ে অংশগ্ৰহণ কৰে। ইফালে এই শ্ৰীশ্ৰীজগন্নাথ ৰথযাত্ৰাত বিশ্বনাথৰ পাভৈ, ধূলি চাহ বাগিচা বালিচাং আৰু বিশ্বনাথ জিলাৰ বিভিন্ন প্ৰান্তৰ ইস্কন ধৰ্মীয় লোকসকলে অংশগ্ৰহণ কৰে।

# বানপীড়িতৰ মাজত চিকিৎসা শিবিৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ



**অগ্রদূত বার্তা**

**বৰভাগ, ২ জুলাই ঃ** নলবাৰী জিলাৰ বৰভাগৰ সানেকুছিত আজি গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধীনত এটি বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ মহন্তৰ নেতৃত্বত সাতজনীয়া চিকিৎসক আৰু চিকিৎসাকৰ্মীৰ দলে অঞ্চলটোৰ তিনিখন গাঁৱৰ বানপীড়িত লোকৰ প্ৰায় পাঁচ শতাধিক লোকক চিকিৎসা প্ৰদান কৰাৰ লগতে ঔষধ প্ৰদান কৰে। শিবিৰটোত চিকিৎসা আগবঢ়াই ডাঃ খগেন বৰ্মন, ডাঃ জে পি দাস, ডাঃ কমল শৰ্মা, ডাঃ মনোজ দাস, ডাঃ চক্ৰেশ্বৰ হালৈ আৰু দুই স্বাস্থ্য কৰ্মীয়ে। শিবিৰটো পৰিচালনা কৰে কলেজখনৰ এনএছএছৰ সদস্য-সদস্যাসকলে। আৰম্ভণিতে শিবিৰটো উদ্বোধন কৰে পূব বৰভাগ আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষক পুলিন তালুকদাৰে।

# তিলক চন্দ্ৰ শৰ্মাৰ মৃত্যুত শোক

**অগ্রদূত বার্তা**

**ছিপাঝাৰ, ২ জুলাই ঃ** পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত ঘোঁৰাশাল (তুৰাই) গাঁৱৰ আহোমপাৰা চুবুৰি নিবাসী আদৰ্শ কৃষক তিলক চন্দ্ৰ শৰ্মা (৮৪)ৰ আজি পুৱা নিজ বাসগৃহত বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। তেওঁৰ মৃত্যুত প্ৰাক্তন ছাত্ৰ নেতা তথা পথৰু সমন্বয় গোষ্ঠী, পথৰুঘাটৰ সম্পাদক মোস্তাক হুছেইন, স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ চাৰি পুত্ৰ, দুগৰাকী কন্যা আৰু নাতি-নাতিনীৰ লগতে অনেক আত্মীয়-শুভাকাংক্ষীক এৰি যায়।

# জনাঞ্চলক বনাঞ্চল কৰাৰ পৰা বিৰত থাকক ঃ খিলঞ্জীয়াৰ দাবী

## কলিয়াবৰৰ দেওচুৰত সংৰক্ষিত বনাঞ্চলৰূপে উন্নীতকৰণৰ বিৰুদ্ধে ৰাজহুৱা প্ৰতিবাদ

**অগ্রদূত বার্তা**

**কলিয়াবৰ, ২ জুলাই ঃ** 'জনাঞ্চলক বনাঞ্চল কৰাৰ পৰা বিৰত থাকক জনজাতিসকলৰ মৌলিক অধিকাৰ খৰ্ব নকৰিব। খিলঞ্জীয়া ভূমিপুত্ৰ সকলৰ দাবী ন্যায্য দাবী। দেওচুৰ অঞ্চলক সংৰক্ষিত বনাঞ্চল ঘোষণা নকৰিব।' আজি কলিয়াবৰৰ দেওচুৰত এনেদৰেই যুগ যুগ ধৰি বসবাস কৰি অহা জনাঞ্চলক বনাঞ্চল ঘোষণাৰ বিৰুদ্ধে প্ৰতিবাদী কণ্ঠৰে চিঞৰি উঠিল সহস্ৰাধিক সাধাৰণ জনতা। কলিয়াবৰৰ দেওচুৰত চৰকাৰৰ সংৰক্ষিত বনাঞ্চল ঘোষণাৰ বিৰুদ্ধে হ'ল ৰাজহুৱা প্ৰতিবাদ। দেওচুৰ অঞ্চলক সংৰক্ষিত বনাঞ্চল হিচাপে উন্নীতকৰণৰ প্ৰক্ৰিয়াৰ প্ৰতিবাদ কৰিলে সাধাৰণ জনতাই। জনবসতিপূৰ্ণ অঞ্চলক সংৰক্ষিত বনাঞ্চললৈ উন্নীতকৰণ নকৰাৰ দাবীত হাতে হাতে প্লেকাৰ্ড লৈ ৰাইজে সাব্যস্ত কৰে এই প্ৰতিবাদ। উল্লেখ্য যে প্ৰস্তাৱিত সংৰক্ষিত



বনাঞ্চলক সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণাৰ পৰিকল্পনাৰে আজি কলিয়াবৰ ৰাজহ চক্ৰ বিষয়াই আমগুৰি গাঁও পঞ্চায়তত আহ্বান কৰিছিল এক ৰাজহুৱা শুনানি। শুনানিৰ সময়তে চৰকাৰৰ এই পদক্ষেপৰ প্ৰতিবাগ জনাই হাতে হাতে প্লেকাৰ্ড লৈ ওলাই আহিল স্থানীয় ৰাইজ। যুগ যুগ ধৰি প্ৰকৃতিৰ স'তে সহাৱস্থান কৰি অহা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া অঞ্চলটোত বসবাস কৰি অহা জনজাতীয় ৰাইজৰ জীৱন-জীৱিকা সুৰক্ষিত ৰখাৰ স্বাৰ্থত সংৰক্ষিত বনাঞ্চলৰ প্ৰস্তাৱ নাকচ কৰিবলৈ দাবী জনালে স্থানীয় ৰাইজে। জনাঞ্চলক বনাঞ্চল ঘোষণা নকৰা দাবীত সহস্ৰাধিক খিলঞ্জীয়াৰ প্ৰতিবাদত উত্তাল হ'ল ৰাজহুৱা শুনানিৰস্থলী। চৰকাৰ তথা বন বিভাগলৈ ৰাইজৰ হুংকাৰ 'আমি তেজ দিম, কিন্তু মাটি নিদিওঁ। চৰকাৰে নিজ সিদ্ধান্ত পৰিহাৰ কৰক।'

# বস্ত্ৰ শিল্প ৰক্ষাৰ বাবে অখণ্ড পালনাম

**অগ্রদূত বার্তা**

**শুৱালকুছি, ২ জুলাই ঃ** ঐতিহ্যমণ্ডিত শুৱালকুছিৰ বস্ত্ৰ শিল্পৰ সীমাহীন দুৰ্দশা আঁতৰ কৰি এক গতিশীল মাত্ৰা প্ৰদান কৰি শিল্পটোক ৰক্ষা কৰাৰ বাবে অখণ্ড পালনামৰ আয়োজন কৰিছে। সমূহ শুৱালকুছিবাসীৰ হৈ শুৱালকুছি তাঁতশিল্প উন্নয়ন সমিতিয়ে ঈশ্বৰ শ্ৰীশ্ৰী হাটী সত্ৰত আঠঘণ্টীয়া অখণ্ড পালনাম অনুষ্ঠিত কৰিব। অহা সাত জুলাইত অনুষ্ঠিত পালনামৰ জৰিয়তে শুৱালকুছিৰ উদ্যোগটো অপায়-অমংগল দূৰ কৰি এক নতুন মাত্ৰাৰে আগবাঢ়িব বুলি পালনাম আয়োজন কৰিছে উন্নয়ন সমিতিয়ে। অখণ্ড পালনামত শিপিনী-বোৱনী, কাঠনী, যোগালীকে ধৰি সমাজৰ সকলো স্তৰৰ লোকক উপস্থিত থাকিবলৈ অনুৰোধ জনাইছে।

# খেৰণিত কপিলীৰ বুকুত চলিছে বালি মাফিয়াৰ অবৈধ খনন

## মেচিন, এক্সকেভেটৰ ব্যৱহাৰ কৰি নিতৌ বহু ডাম্পাৰেৰে কঢ়িয়াইছে বালি

**বিশেষ সংবাদদাতা**

**খেৰণি, ২ জুলাই ঃ** কপিলীৰ বুকুত চলিছে বালি মাফিয়াৰ অবৈধ খনন পশ্চিম কাৰ্বি আংলঙৰ খেৰণিত। মেচিন, এক্সকেভেটৰ ব্যৱহাৰ কৰি নিতৌ বহু ডাম্পাৰেৰে কঢ়িয়াইছে বালি। নামত আছে বালি মহলৰ কাগজ-পত্ৰ, কিন্তু কাৰ্যতঃ বালি মাফিয়াই এখন চালেনেৰেই তিনি-চাৰিবাৰকৈ নিতৌ লংকা, হোজাই, লামডিঙলৈ অবৈধভাৱে সৰবৰাহ কৰে বালি। এই অভিযোগ স্থানীয় ৰাইজৰ। পৰিপ্ৰেক্ষিতত ডাম্পাৰৰ দৌৰাত্ম্য আৰু পকী পথ বিনষ্ট কৰা কাৰ্যক লৈ শেহতীয়াকৈ অতিষ্ঠ হৈ পৰিচে অঞ্চলটোৰ সৰ্বসাধাৰণ। আনকি খেৰণি কাছাৰী গাঁৱৰ পথেৰে ডাম্পাৰ চলাচলত বাধা প্ৰদান কৰিছে গাঁওবাসীয়ে। যদিও এই ক্ষেত্ৰত কাণসাৰ নাই জিলা প্ৰশাসন কিম্বা বিভাগীয় কৰ্তৃপক্ষৰ। কুম্ভকৰ্ণ নিদ্ৰাত থকা খেৰণি বন বিভাগৰ কাৰ্যালয়ৰ কেৱল পাঁচশ-ছশ মিটাৰ দূৰত্বতে এই বেহা চলাৰ অভিযোগ সচেতন মহলৰ।

# বাঁহৰ ওপৰত ভৰি থৈ বিপদ সংকুলভাৱে নদী পাৰাপাৰ ৰাইজৰ

**তামাৰহাট, ২ জুলাই ঃ** গোসাঁইগাঁও বিধানসভা সমষ্টিৰ কামানডাংগা নদীৰ ওপৰত আজিলৈকে এখন দলং নিৰ্মাণ কৰা নহ'ল। দলঙৰ অভাৱত জীয়াতু ভুগিছে পাঁচখনতকৈ অধিক গাঁৱৰ ৰাইজে। প্ৰতি বছৰে কামানডাংগ নদীৰ ওপৰত ৰাইজে নিজাববীয়াকৈ বাঁহৰ দলং নিৰ্মাণ কৰি আহিছে যদিও বাৰিষা আহিলে ভাঙি পৰে। ফলত স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ লগতে সাধাৰণ ৰাইজে ভীষণ সমস্যাৰ সন্মুখীন হৈ পৰে। সম্প্ৰতি নদীখনৰ ওপৰত প্ৰায় ১০০ মিটাৰ দীঘল বাঁহৰ দলংখন ভাঙি যোৱাত কেইটামান বাঁহত ভৰি থৈ কোনোমতে যাতায়াত কৰি আহিছে। এক ভয়ংকৰভাৱে ৰাইজে জীৱ হাতৰ মুঠিত লৈ চলাচল কৰি আহিছে। বিধ্বস্ত হোৱা বাঁহৰ দলং নিৰ্মাণ কামত ৰাইজে ব্যস্ত হৈ পৰিছে। চৰকাৰৰ লগতে স্থানীয় বিধায়ক, সাংসদ উক্ত নদীৰ ওপৰত এখন দলং নিৰ্মাণ কৰিবলৈ কোনো সঁহাৰি নিদিয়াত ৰাইজে নিজৰ ধন ভাঙি বাঁহৰ দলং নিৰ্মাণ কৰি আহিছে যদিও স্থানীয় সমাজকৰ্মী সজল সিংহই আৰ্থিক অনুদান দিয়াৰ পাছত ৰাইজে দলং নিৰ্মাণৰ কামত লাগি পৰিছে।



# ধনশিৰিত অ'এনজিচিৰ নিবনুৱা সংস্থাপনৰ ক্ষেত্ৰত চৰম প্ৰতাৰণা

## ■ নিবিদাৰ নামত থলুৱাক বঞ্চিত কৰাৰ গুৰুতৰ অভিযোগ

**উৰিয়ামঘাট, ২ জুলাই ঃ** ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাই সৰুপথাৰৰ মুখ্য কাৰ্যালয়ত এক সংবাদমেলযোগে অ' এন জি চিক তীব্ৰ সমালোচনা কৰে। ধনশিৰি মহকুমাৰ উৰিয়ামঘাট সীমান্তৱৰ্তী অঞ্চলত থকা এছিয়াৰ দ্বিতীয় সৰ্ববৃহৎ তৈলখাদৰ পৰা দৈনিক হেজাৰ হেজাৰ লিটাৰ খাৰুৱা তেল সৰবৰাহ কৰি আহিছে অ' এন জি চিয়ে। কিন্তু ইমানৰ পাছতো অঞ্চলটোত দুই এটা কামৰ বাহিৰে চকুত লগাকৈ কোনো ধৰণৰ উন্নয়নমূলক কাম-কাজ নকৰাৰ গুৰুতৰ অভিযোগ উঠে অ' এন জি চিৰ বিৰুদ্ধে। কেৱল সিমানেই নহয় ধনশিৰি মহকুমাৰ নিবনুৱা সংস্থাপনৰ ক্ষেত্ৰতো অ'এনজিচি কৰ্তৃপক্ষই প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যদিও সেয়াও সম্প্ৰতি ফুটুকাৰ ফেনত পৰিণত হৈছে। আনহাতে, অ' এন জি চিত সৰুগাড়ী নিবিদা দিয়াৰ ক্ষেত্ৰতো সংশ্লিষ্ট কৰ্তৃপক্ষই বিশেষকৈ যোৰহাট এছেটে ২০১৯তকৈ চলিত বৰ্ষত নিবিদাৰ নিয়মসমূহ কঠোৰ কৰি থলুৱা নিবনুৱাক বঞ্চিত কৰাৰ কৌশল ৰচনা কৰাৰ অভিযোগ তুলিছে চুতীয়া ছাত্ৰ সন্থাই। উল্লেখ্য যে সৰুগাড়ী নিবিদা দিয়াৰ ক্ষেত্ৰত বিশেষকৈ ভেহিকেল ক্ৰাইটেৰিয়াত পূৰ্বতে এখন কমাৰ্চিয়েল গাড়ীৰ গৰাকীয়েই উক্ত নিবিদা পূৰণ কৰিব পাৰিছিল। কিন্তু ২০২২ত অ' এন জি চিৰ যোৰহাট এছেটে সৰুগাড়ী নিবিদাৰ ক্ষেত্ৰত দুখনকৈ সৰুগাড়ীৰ গৰাকীয়েহে উক্ত নিবিদা দাখিল কৰাৰ চৰ্ত আৰোপ কৰাত বঞ্চিত হৈ পৰিছে নিবনুৱা যুৱকসকল। অ' এন জি চি কৰ্তৃপক্ষৰ এনে হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে এতিয়া জাঙুৰ খাই উঠিছে ধনশিৰি মহকুমাৰ চুতীয়া ছাত্ৰ সন্থা। অহা চাৰি জুলাইৰ ভিতৰত সমস্যা সমাধানৰ দাবী তুলিছে সংগঠনটোৱে।

# যোৰহাটত অসম ভিত্তিত প্ৰাইজমানি নৃত্য-সাজপাৰ প্ৰতিযোগিতা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২ জুলাই ঃ** অগ্ৰণী কলা-সংস্কৃতি চৰ্চাৰ কেন্দ্ৰ নৃত্যাঞ্জলি একাডেমীৰ তৃতীয় বৰ্ষপূৰ্তি অনুষ্ঠান অহা ১৬ আৰু ১৭ জুলাইত বৰ্ণিল কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি অসম ভিত্তিত প্ৰাইজমানি নৃত্য আৰু সাজপাৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। যোৰহাটৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ কলা-কৃষ্টি গৱেষণা কেন্দ্ৰৰ প্ৰেক্ষাপটত আয়োজিত হ'বলগীয়া নৃত্য প্ৰতিযোগিতা তিনিটা শাখাত আৰু সাজপাৰ প্ৰতিযোগিতা পাঁচটা শাখাত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ উপৰি দুয়োটা দিনত বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানো থাকিব। সেয়ে কাৰ্যসূচী সাফল্যমণ্ডিত কৰাত ৰাইজৰ সৰ্বতোপ্ৰকাৰৰ সহযোগ কামনা কৰিছে নৃত্যাঞ্জলি অসমৰ মুখ্য পৰিচালন সঞ্চালক অভিজিৎ বৰুৱাই। প্ৰতিযোগিতা সন্দৰ্ভত আগ্ৰহীসকলে সবিশেষ জানিবৰ বাবে ৯৮৫৪৪-৮০৬২৭, ৭০০২৭-৫৭৬৭৪, ৮৪৭৪০-৬৪৭৬৭ নম্বৰত ফোন কৰিব পাৰিব।

# অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰফুল্ল কুমাৰ শৰ্মাক বিশেষ সম্বৰ্ধনা

**পাটাছাৰকুছি, ২ জুলাই ঃ** পাটাছাৰকুছিৰ সমীপৰ মৰিপুৰ আনন্দপুৰত ২০১২তে গঢ় লৈছিল সামাজিক সাংস্কৃতিক অনুষ্ঠান সুধাকণ্ঠ সাংস্কৃতিক অনুষ্ঠান সংঘই। প্ৰতিষ্ঠা কালৰে পৰা অনুষ্ঠানটোৱে অঞ্চলটোৰ সাংস্কৃতিক বিকাশত লৈ আহিছে গুৰুত্বপূৰ্ণ ভূমিকা। এই সংঘৰ লগত ওতঃপ্ৰোতভাৱে জড়িত এগৰাকী বিশেষ ব্যক্তি হ'ল প্ৰফুল্ল কুমাৰ শৰ্মা। স্থানীয় বিদ্যাভৱন নিত্যনন্দ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক শৰ্মাক সংঘৰ তৰফৰ পৰা তেওঁৰ বাসগৃহত গৈ সম্বৰ্ধনা জ্ঞাপন কৰে। সংঘৰ সভাপতি বসন্ত কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত শৰ্মাক গামোচা, চেলেং, শৰাই, মানপত্ৰ প্ৰদান কৰা হয়। শৰ্মাই উক্ত সংঘৰ আজীৱন সভ্য ভৰ্তিৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰে। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক তিলক চন্দ্ৰ মেধি, অনিল চন্দ্ৰ দাস, জগদীশ কলিতা, বীৰেন সিংহ, সংঘৰ সম্পাদক ছাহদাত আহমেদ, শিক্ষক তথা যুৱ সমাজকৰ্মী মহানন্দ নাথ, অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা সমাজকৰ্মী সুৰেন পাঠককে ধৰি কে'বাগৰাকী বিষয়ববীয়াই অংশগ্ৰহণ কৰে।

# দৰিদ্ৰতাক নেওচি উজলিল জামুগুৰিহাটৰ গায়ত্ৰী দেৱী

## মাটিত বহি পঢ়িয়েই সুখ্যাতিৰে উত্তীৰ্ণ হ'ল

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২ জুলাই ঃ** দৰিদ্ৰতা যে শিক্ষাৰ ক্ষেত্ৰত কেতিয়াও হেঙাৰ হ'ব নোৱাৰে তাৰেই প্ৰমাণ দিলে শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ মৰিসুঁতিৰ গায়ত্ৰী দেৱীয়ে। সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৰঙাচকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা দুটা বিষয়ত লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হয় গায়ত্ৰী। মৰিসুঁতি ঠাকুৰবাৰী অঞ্চলৰ অতি দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰী গায়ত্ৰীৰ নাই এটা ভাল থকা ঘৰ, নাছিল এখন পঢ়া টেবুল, নাই এটা ম'বাইল ফোন। মাটিত বহিয়েই অধ্যয়ন কৰি সুখ্যাতিৰে উত্তীৰ্ণ হোৱা গায়ত্ৰীয়ে ক'ভিড কালত অনলাইন ক্লাছ কৰিব পৰা নাছিল এণ্ড্ৰ'ইড ম'বাইল নথকাৰ বাবেই। ঠাকুৰবাৰী নিবাসী গায়ত্ৰীৰ পিতৃ টয়া কটোৱাল আৰু মাতৃ কমলা দেৱীয়ে দিন হাজিৰা কৰি এসাঁজ খাই এসাঁজ নাখাই সাতজনীয়া পৰিয়ালটো বহুত কষ্টৰে পোহপাল দি আহিছে। সম্প্ৰতি গায়ত্ৰীৰ ফলাফলক লৈ আনন্দ প্ৰকাশ কৰাৰ লগতে অঞ্চলবাসীয়ে উষ্ম অভিনন্দন জ্ঞাপন কৰে।

# চাকিৰ পোহৰত পঢ়ি উচ্চতৰ মাধ্যমিকত আনজুৱাৰাৰ সাফল্য

## ■ ছাত্ৰ সন্থা-সাংবাদিকৰ সহায়ৰ হাত

**অগ্ৰদূত বাৰ্তা**



**নলবাৰী, ২ জুলাই ঃ** ৰাজ্যখনৰ উন্নয়নমূলক কাম-কাজত চৰকাৰে সফলতাৰ প্ৰচাৰ যিমানে নকৰক এতিয়াও গ্ৰামাঞ্চলতো বাদেই চহৰাঞ্চলৰ একাংশ দৰিদ্ৰ পৰিয়াল চৰকাৰী আঁচনিৰ পৰা উপেক্ষিত হৈ থকাৰ অভিযোগ উত্থাপন কৰিছে। শেহতীয়াভাৱে নলবাৰী চহৰৰ এটা দৰিদ্ৰ পৰিয়ালৰ দুখ লগা কাহিনী ছাত্ৰ সন্থা আৰু সাংবাদিকে উন্মোচিত কৰিছে। এই পৰিয়ালটোক সহায়ৰ বাবে আগবাঢ়ি আহিছে নলবাৰী জিলা ছাত্ৰ সন্থা আৰু একাংশ সাংবাদিক। নলবাৰী চহৰৰ মাজমজিয়াৰ ১১ নম্বৰ ৱাৰ্ডৰ বাসিন্দা তথা অতি দৰিদ্ৰ লোক আজিজুৰ আলীৰ জ্যেষ্ঠ কন্যা আনজুৱাৰা আহমেদে সদ্য ঘোষিত উচ্চতৰ মাথ্যমিক চূড়ান্ত পৰীক্ষাত ৭০.৮ শতাংশ নম্বৰ লৈ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। জন্মৰ পৰা আজিলৈ চাকিৰ পোহৰত অধ্যয়ন কৰি এই কৃতিত্ব দখল কৰিবলৈ সক্ষম হৈছে আনজুৱাৰাই। বিষয়টো দৃষ্টিগোচৰ হোৱাত আজি সদৌ নলবাৰী জিলা ছাত্ৰ সন্থা আৰু নলবাৰী জিলাৰ একাংশ সাংবাদিকৰ অনুৰোধত নলবাৰী বিদ্যুৎ বিভাগে ছাত্ৰীগৰাকীৰ গৃহত বিনামূলীয়া বিদ্যুৎ সংযোগ প্ৰদান কৰে। লগতে যুৱ ব্যৱসায়ী বিকাশ বৰ্মনে পৰিয়ালটোক এখন ফেন প্ৰদান কৰে। আগন্তুক দিনত ছাত্ৰীগৰাকীৰ অধ্যয়নত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাই সহায় সহযোগিতা আগবঢ়াব বুলিও পৰিয়ালটোক প্ৰতিশ্ৰুতি প্ৰদান কৰে। আজি দৰিদ্ৰ পৰিয়ালটোৰ গৃহত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অক্ষয় ডেকা, উপ-সভাপতি উৎপল কলিতা, ফণীধৰ বেজবৰুৱা, ক্ৰীড়া সম্পাদক কংকন কলিতা, কাৰ্যনিৰ্বাহক সদস্য সীমান্ত দাস, নলবাৰীৰ জ্যেষ্ঠ সাংবাদিক ব্ৰজেন তালুকদাৰ, সাংবাদিক জ্ঞানজ্যোতি শইকীয়া, পাৰ্থজিৎ বৰ্মন, শংকৰ কলিতাকে ধৰি একাংশ সাংবাদিক উপস্থিত থাকে।

# ওৰাং ৰাষ্ট্ৰীয় উদ্যানত সংঘৰ্ষ থিতাতে নিহত এজন চিকাৰী

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ২ জুলাই ঃ** ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পত আজি পুৱতি নিশা চোৰাং চিকাৰীৰ স'তে টহলদাৰী বন সুৰক্ষা কৰ্মীৰে হোৱা সংঘৰ্ষত এজন চোৰাং চিকাৰী নিহত হোৱাৰ খবৰে অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মঙলদৈ বন্যপ্ৰাণী সংমণ্ডল বিষয়া প্ৰদীপ্ত বৰুৱাই ঘটনা সন্দৰ্ভত সদৰী কৰা মতে, কাছোমাৰী আৰু চন্দনপুৰ বন শিবিৰ অঞ্চলত পুৱতি নিশা ২.৩০ মান বজাত টহলদাৰী বন সুৰক্ষা কৰ্মীয়ে সন্দেহজনক চোৰাং চিকাৰীৰ চাৰি-পাঁচজনীয়া দল এটা প্ৰত্যক্ষ কৰে আৰু তেওঁলোকক ৰ'বলৈ নিৰ্দেশ দিয়ে। কিন্তু দলটোৱে বন সুৰক্ষা কৰ্মীৰ আহ্বানলৈ সঁহাৰি জনোৱাৰ পৰিৱৰ্তে ওলোটাই বন কৰ্মীলৈ লক্ষ্য কৰি গুলি চলাবলৈ ধৰে। প্ৰত্যুত্তৰত বন সুৰক্ষা কৰ্মীয়েও আত্মৰক্ষাৰ বাবে গুলি চলায়। নিশাৰ আন্ধাৰত একো গম নাপালেও পুৱা অঞ্চলটোত অনুসন্ধান চলোৱাত এজন চোৰাং চিকাৰীৰ গুলিবিদ্ধ মৃতদেহ উদ্ধাৰ হয়। মৃত চোৰাং চিকাৰীজনৰ পৰা বন সুৰক্ষা কৰ্মীয়ে এখন দা আৰু খাদ্য বস্তুৰ টোপোলাসহ আপত্তিজনক সা-সামগ্ৰী উদ্ধাৰ কৰে। নিশাৰ আন্ধাৰত পলাবলৈ সক্ষম হোৱা চোৰাং চিকাৰীৰ দলটোৰ আন সদস্যৰ সন্ধানত বন সুৰক্ষা কৰ্মীয়ে অঞ্চলটোত অনুসন্ধান অব্যাহত ৰাখিছে। ইপিনে, নিহত চিকাৰীজন দলগাঁও থানাৰ অন্তৰ্গত কাছোমাৰী-নেপালী গাঁৱৰ ছাবেদ আলী (৩৫) বুলি চিনাক্ত কৰা হৈছে।

# বন মহোৎসৱ উপলক্ষে গোৱালপাৰাত বৃক্ষৰোপণ-গছপুলি বিতৰণ



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২ জুলাই ঃ** ৭৩ সংখ্যক বন মহোৎসৱৰ উপলক্ষে গোৱালপাৰা বন বিভাগে সপ্তাহজোৰা কাৰ্যসূচী হাতত লৈছে। ইয়াৰে এক জুলাইত গোৱালপাৰা জিলাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে বিভিন্ন ঠাইত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। আজি দ্বিতীয় দিনা গোৱালপাৰা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত বৃক্ষৰোপণ কৰাৰ লগতে পুৱাৰে পৰা গছপুলি বিতৰণ কৰে। চহৰৰ বিভিন্ন প্ৰান্তৰ পৰা বহুলোকে আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ গছপুলি লৈ যায়। সাত জুলাইলৈকে বিভিন্ন ঠাইত বৃক্ষৰোপণ কৰাৰ লগতে গছপুলি বিতৰণ কৰি থকা হ'ব বুলি গোৱালপাৰাৰ বনাঞ্চলিক বিষয়া জগন্নাথ আগৰৱালাই জানিবলৈ দিয়ে।

# খুটামাৰীত চোৰাং কাঠ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২ জুলাই ঃ** গোৱালপাৰা জিলাৰ পঞ্চৰত্ন বন খণ্ডৰ বিষয়া পবিত্ৰ ৰয়ে আজি খুটামাৰীৰ পৰা পাঁচ টুকুৰা চোৰাং চেগুনৰ কুণ্ডা উদ্ধাৰ কৰে। যোৱা নিশা দুষ্কৃতিকাৰীয়ে প্ৰস্তাৱিত খুটামাৰী সংৰক্ষিত বনাঞ্চলৰ পৰা চোৰাংকৈ এডাল চেগুন গছ কাটে। এই বিষয়ে অৱগত হৈ আজি স্থানীয় বন খণ্ড বিষয়াই দুষ্কৃতিকাৰীয়ে কটা চেগুন গছৰ কুণ্ডাকেইটা জব্দ কৰি নিজৰ কাৰ্যালয়লৈ আনে। চোৰাং কাঠখিনিৰ বজাৰ মূল্য প্ৰায় ২০ হেজাৰ টকা হ'ব বুলি খণ্ড বন বিষয়াজনে জানিবলৈ দিয়ে। উল্লেখ্য যে একাংশ বিভাগীয় বিষয়া-কৰ্মচাৰীৰ ছত্ৰছায়াত অসাধু চক্ৰই জিলাখনৰ বিভিন্ন প্ৰান্তৰ বনাঞ্চলৰ পৰা চোৰাংকৈ গছ কাটি থকা বুলি দীৰ্ঘদিনৰ পৰাই অভিযোগ উত্থাপিত হৈছে।

# মেৰাপানীত কাৰেৰী সামাজিক সহায়ক সংস্থাৰ উদ্যোগত বৃক্ষৰোপণ-গছপুলি বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ২ জুলাই ঃ** গোলাঘাট জিলাৰ মেৰাপানী মহকুমাৰ গমাৰি- গুৰি জনজাতি হাইস্কুলত আজি কাৰেৰী সামাজিক সহায়ক সংস্থাই বিভিন্ন ধৰণৰ উন্নত মানৰ চন্দন, সাঁচি, দেৱদাৰু আদি তিনিশ গছপুলি বিতৰণ কৰাৰ লগতে জনজাতি হাইস্কুলৰ চৌহদত প্ৰায় এশৰো অধিক গছপুলি ৰোপণ কৰা হয়। গছপুলি ৰোপণৰ প্ৰাকমুহূৰ্তত সংস্থাৰ সভাপতি কনকেশ্বৰ দাসৰ সভাপতিত্বত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত দৈয়াং অঞ্চলৰ বিশিষ্ট সমাজপ্ৰিয় পোনা বৰা, মেৰাপানীস্থিত চি আৰ পি এফ বিষয়া ইফটিকাৰ নায়াৰ, উষা গৰঙা চাহ বাগিচাৰ মুখ্য পৰিচালক ৰূপজ্যোতি শৰ্মা আদি কৰি স্থানীয় শতাধিক ৰাইজ উপস্থিত থাকে। সভাত বিশিষ্ট ব্যক্তিসকলে 'গছ থাকিলেহে মানুহ থাকিব' বক্তব্যৰে ৰাইজক গছপুলি ৰোপণ আৰু সুৰক্ষিত কৰি ডাঙৰ কৰা আৰু পৰিৱেশ গঢ়াৰ সন্দৰ্ভত ব্যাখ্যা দাঙি ধৰে। উল্লেখযোগ্য যে কাৰেৰী সামাজিক সহায়ক সংস্থাই পাছদিন ধৰি মেৰাপানী অঞ্চলৰ বিভিন্ন স্থানত বৃক্ষৰোপণ আৰু গছ পুলি বিতৰণ কাৰ্যসূচী অব্যাহত ৰাখি ৫০ হেজাৰ গছপুলি ৰোপণ কৰা আঁচনি গ্ৰহণ কৰা বুলি সামাজিক সহায়ক সংস্থাটোৰ সম্পাদক নৰেন কছাৰীয়ে জানিবলৈ দিয়ে।

# আন্তঃজাতীয় বিদ্যালয় ৰাভা সংগীত প্ৰতিযোগিতা

## মৰিগাঁৱৰ বৰছলা জাতীয় বিদ্যালয়ৰ ছাত্ৰী সৃষ্টি বৰদলৈয়ে দখল কৰিলে শীৰ্ষ স্থান



**গুৱাহাটী, ২ জুলাই ঃ** অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত আজি নুনমাটিস্থিত অসম জাতীয় বিদ্যালয় প্ৰাংগণত ৰাজ্যিক ভিত্তিত অনুষ্ঠিত আন্তঃজাতীয় বিদ্যালয় বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতাত মৰিগাঁৱৰ বৰছলা জাতীয় বিদ্যালয়ৰ ছাত্ৰী সৃষ্টি বৰদলৈয়ে প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হয়। ৰাজ্যৰ ২০ খন জিলাৰ ৪১ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাৰ আৰম্ভণিতে অৰ্থাৎ অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সচিব ড° নাৰায়ণ শৰ্মাই কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সমন্বয়ক তথা বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই আদৰণি ভাষণ প্ৰদান কৰাৰ পাছতে গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যাপক তথা বিশিষ্ট নাট্যকাৰ নৰেন পাটগিৰিয়ে 'ৰাভাৰ চিন্তা সুঁতিত সংগীতৰ সেন্দূৰীয়া সোঁত' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। ভাষণ প্ৰসংগত তেওঁ জীৱন কালতে কিংবদন্তি হৈ পৰা বিষ্ণু ৰাভাৰ সাংস্কৃতিক নৱজাগৰণলৈ যোগোৱা অৰিহণাৰ কথা সোঁৱৰি ৰাভাৰ চিন্তা-চেতনাক বুজিলেহে তেওঁৰ সংগীত ভালদৰে অনুধাৱন কৰিব পাৰিব বুলি মন্তব্য কৰে। উল্লেখ্য যে প্ৰতিযোগিতাত বিচাৰক হিচাপে উপস্থিত থাকে স্বনামধন্য সংগীতজ্ঞ ৰমেন বৰুৱা, ৰমেন চৌধুৰী আৰু আলেখ্য চক্ৰৱৰ্তী। প্ৰতিযোগিতাত প্ৰথম স্থান বৰছলা জাতীয় বিদ্যালয়ৰ ছাত্ৰী সৃষ্টিয়ে লাভ কৰাৰ সমান্তৰালভাৱে দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে ধেমাজি জিলাৰ জাতীয় বিদ্যালয়, গোগামুখৰ নিমিক্ষা প্ৰিয়ম গগৈ আৰু লখিমপুৰৰ জিজ্ঞাসা জাতীয় বিদ্যালয়ৰ পাৰ্থ প্ৰতীম হাজৰিকাই। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰে নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰ দিয়াক্ষী দত্তই। আনহাতে, এই প্ৰতিযোগিতাত উদ্‌গনি বঁটা লাভ কৰে ডিকম জাতীয় বিদ্যালয়ৰ জাহ্নৱী ফুকন, গোলাঘাট জাতীয় বিদ্যালয়ৰ মূৰ্চ্ছনা দুৱৰা আৰু শোণিতপুৰৰ শ্ৰীমন্ত শংকৰদেৱ জাতীয় বিদ্যালয়ৰ কৃষাণু কুমাৰ নাথে। প্ৰতিযোগিতাত প্ৰথম স্থানপ্ৰাপ্ত প্ৰতিযোগীক ট্ৰফী আৰু কিতাপৰ টোপোলাৰ লগতে নগদ ১০ হেজাৰ টকা পুৰস্কাৰ হিচাপে আগবঢ়োৱা হয়। দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা প্ৰতিযোগীলৈ ট্ৰফী আৰু কিতাপৰ টোপোলাৰ লগতে যথাক্ৰমে সাত হেজাৰ টকা আৰু পাঁচ হেজাৰ টকা আগবঢ়োৱা হয়। আজিৰ অনুষ্ঠানতে বিষ্ণু ৰাভাৰ জীৱন আৰু কৰ্ম সম্পৰ্কীয় এখন প্ৰাচীৰ পত্ৰিকাও উন্মোচন কৰে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ কাৰ্যকৰী সভাপতি দিলীপ কুমাৰ দত্তচৌধুৰীয়ে। অনুষ্ঠানৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে বিষ্ণু ৰাভাৰ গীত আৰু নৃত্যৰ সমাহাৰেৰে এক অনুষ্ঠান পৰিৱেশন কৰে আৰু দশম শ্ৰেণীৰ শিক্ষাৰ্থী নেইনা শৰ্মাই আঁত ধৰা অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ উপাধ্যক্ষা অপৰাজিতা বৰাই। উল্লেখ্য যে আন্তঃ জাতীয় বিদ্যালয় বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতাৰ আহ্বায়কৰ দায়িত্বত আছিল ইংৰাজী বিভাগৰ মুৰব্বী শিক্ষক বিনয় বিকাশ গগৈ।

# শংকৰ-মাধৱ শিল্পী সমাজৰ উদ্যোগত খোলবাদন কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**

**বৰহোলা, ২ জুলাই ঃ** মহাপুৰুষ গুৰু দুজনাৰ সৃষ্টিৰাজি গীত, নৃত্য, অভিনয়ৰ স'তে শিশুসকলক জড়িত কৰি ভৱিষ্যৎ জীৱন গঢ় দিয়াৰ পৰিকল্পনাৰে জন্ম লাভ কৰা শংকৰ-মাধৱ শিশু শিল্পী সমাজে আজিৰে পৰা শিশুসকলৰ মাজত এখন কৰ্মশালা অনুষ্ঠিত কৰিছে। ঔৰুংগীয়াল বয়ন শিল্প কেন্দ্ৰত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত সভাপতিত্ব কৰে সাংস্কৃতিক কৰ্মী তথা শিশু বন্ধু গোবিন মহন্তই। অনুষ্ঠানৰ কৰ্মকৰ্তা ৰবীন মহন্তই আঁত ধৰি উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠান উদ্বোধন কৰে মাধৱ বঁটাপ্ৰাপক সোণাৰাম শৰ্মা বুঢ়াভকতে। বুঢ়াভকতে ভাওনাৰ সংলাপ নিক্ষেপ কৰি শিশুসকলক আকৰ্ষিত কৰে। অনুষ্ঠানত তিতাবৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱা উপস্থিত থাকে। সভাত সমাজকৰ্মী দেৱজিৎ সোণোৱাল, তিতাবৰ মহকুমা ছাত্ৰ সন্থাৰ সভাপতি মাধুৰ্য পাঠক, বৰহোলা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ভাস্কৰজ্যোতি নেওগে বক্তব্য প্ৰদান কৰে। সভাৰ অন্তত শংকৰ মাধৱ শিশুশিল্পী সমাজৰ সম্পাদক জয়ন্ত বৰুৱাই শলাগৰ শৰাই আগবঢ়ায়।

# তিনি দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীক আৰ্থিক সাহায্য

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২ জুলাই ঃ** শিল্প কৰ্মত সদা ব্যস্ত জামুগুৰিহাটৰ দুগৰাকী যুৱকে দেখুৱাইছে আদৰ্শ। সদ্যঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা জামুগুৰিহাটৰ তিনিগৰাকী দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীলৈ আগবঢ়ায় এই আৰ্থিক সাহায্য। দৰিদ্ৰতাক নেওচি সুখ্যাতিৰে উত্তীৰ্ণ হোৱা জামুগুৰিহাটৰ অতি পিছপৰা গাঁও মৰিসুঁতিৰ ঠাকুৰবাৰীৰ গায়ত্ৰী দেৱী, বৰদিকৰাই মিৰি গাঁওৰ কৰণ মিৰ্জা আৰু হাটিঙাৰ পৰিস্মীতা বৰাক ভৱিষ্যৎ অধ্যয়নৰ সুবিধা হোৱাকৈ এই আৰ্থিক সাহায্য আগবঢ়ায়। জামুগুৰিহাটৰ সৰুভগীয়া গাঁও নিৱাসী যুৱ শিল্পী পদ্ম বণিয়া আৰু মৰণাকুৰি গাঁও নিৱাসী ধৰ্মেশ্বৰ হাজৰিকাই আজি আটাইকেইগৰাকী দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীৰ বাসগৃহত উপস্থিত হৈ এই আৰ্থিক সাহায্য প্ৰদান কৰে। যুৱ শিল্পীদ্বয়ৰ এই কাৰ্যক অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান দল-সংগঠনৰ লগত ব্যক্তি বিশেষে শলাগ লয়। উল্লেখ্য যে যোৱা কৰ'না মহামাৰীৰ সময়ছোৱাতো যুৱ শিল্পী পদ্ম বণিয়াই অঞ্চলটোৰ শতাধিক দৰিদ্ৰ ৰাইজলৈ সেৱা আগবঢ়াইছিল।

# ডিফুত এপিএইছএলচিৰ মুখপাত্ৰক গ্ৰেপ্তাৰ

## বিজেপিক দোষাৰোপ কৰিলে সভাপতিয়ে

**বিশেষ সংবাদদাতা**

**বকলীয়াঘাট, ২ জুলাই ঃ** সদ্যসমাপ্ত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ সাধাৰণ নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে মূল প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল জেআই কাথাৰৰ নেতৃত্বত এপিএইছএলচিয়ে। দলটোৱে এখনো আসন লাভ নকৰিলে যদিও দ্বিতীয় স্থানত ভোট লাভ কৰিছিল। বিজেপিয়ে নিৰ্দলীয় দলটোৰ উত্থানত শংকিত হৈ দলটোৰ মুখপাত্ৰ আংতং ইংতি কাথাৰক পুৰণি এটা গোচৰত গ্ৰেপ্তাৰ কৰা বুলি অভিযোগ তুলিছে সভাপতি জেআই কাথাৰে। ইপিনে, গ্ৰেপ্তাৰৰ পাছত আংতং ইংতি কাথাৰক ডিফু আৰক্ষীয়ে ডিফুত স্বাস্থ্য পৰীক্ষা নকৰি মাঞ্জাত কিয় পৰীক্ষা কৰালে আৰু ইয়াৰ অন্তৰালত আৰক্ষীৰ এনকাউণ্টাৰৰ লক্ষ্য থাকিব পাৰে বুলি সন্দেহ প্ৰকাশ কৰিছে। গ্ৰেপ্তাৰৰ পাছতে ডিফু সদৰ থানা চৌহদত এক অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ হয়। আনহাতে, আংতং ইংতি কাথাৰৰ গ্ৰেপ্তাৰৰ বাতৰিয়ে আজিৰ দিনটো ছ'চিয়েল মিডিয়াত ব্যাপক প্ৰচাৰ আৰু প্ৰতিক্ৰিয়া দেখা গৈছে।

# নগাঁও জিলা আশাকৰ্মী ইউনিয়নৰ সন্মিলন

## ■ চাকৰি চৰকাৰীকৰণৰ দাবী



**বিশেষ সংবাদদাতা**

**নগাঁও, ২ জুলাই ঃ** আজি নগাঁও পেঞ্চনাৰ ভৱনত নগাঁও জিলা আশাকৰ্মীসকলৰ এখন সন্মিলন অনুষ্ঠিত হয়। নগাঁও জিলা আশাকৰ্মী ইউনিয়নৰ উদ্যোগত অনুষ্ঠিত কৰ্মী সন্মিলনত আশাকৰ্মীসকলৰ বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা কৰা হয়। নগাঁও জিলা আশাকৰ্মী ইউনিয়নৰ সভানেত্ৰী ৰহিমা বেগমৰ সঞ্চালনাত অনুষ্ঠিত সন্মিলনত অংশগ্ৰহণ কৰি চিটুৰ নেতা বিজন দাসে অতি কষ্টৰে আশাকৰ্মীসকলে চৰকাৰী দায়িত্ব পালন কৰি অহাৰ পাছতো চৰকাৰে আশাকৰ্মীসকলৰ সমস্যাসমূহ সমাধানত গুৰুত্ব প্ৰদান নকৰাত ক্ষোভ প্ৰকাশ কৰে। জিলা সম্পাদিকা দিপ্তী সৰকাৰে আঁত ধৰা সভাত চিটুৰ জিলা সমন্বয়ক নয়ন চক্ৰৱৰ্তীকে ধৰি আশাকৰ্মীসকলে অংশগ্ৰহণ কৰে। সভাত কে'বাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়। তৃণমূল পৰ্যায়ত কাম কৰা আশাকৰ্মীসকলক প্ৰাপ্য অধিকাৰৰ পৰা চৰকাৰে বঞ্চিত কৰি অহাত আশাকৰ্মীসকলে চৰকাৰক কঠোৰ সমালোচনা কৰে। কৰ'নাকালীন পৰিস্থিতি বা অন্য পৰিস্থিতিত অতি কষ্টৰে কাম কৰা আশাকৰ্মীসকলক পাব লগা পাৰিতোষিক শীঘ্ৰে আদায় দিয়া, মাননী কৰ্তন, বন্ধ কৰাকে ধৰি কে'বাটাও দাবী উত্থাপন কৰে। সভাই আন এক প্ৰস্তাৱ যোগে আশাকৰ্মীসকলৰ চাকৰি চৰকাৰীকৰণ কৰাৰ লগতে মাননীৰ পৰিৱৰ্তে মজুৰি দিবলৈ চৰকাৰক দাবী জনায়। সভাতেই দিপ্তী সৰকাৰক সভানেত্ৰী আৰু অঞ্জলী বৰুৱাক সম্পাদিকা হিচাপে লৈ নগাঁও জিলা আশাকৰ্মী ইউনিয়নৰ ১৩ জনীয়া কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়।

# সমাজকৰ্মী খগেন্দ্ৰ মেধিৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ২ জুলাই ঃ** ছিপাঝাৰ, হাজৰিকাপাৰা অঞ্চলৰ প্ৰবীণ সমাজকৰ্মী খগেন্দ্ৰ মেধি (৮৪)ৰ কাছাৰীঝাৰ গাঁৱৰ নিজ বাসগৃহত আজি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ পত্নী আৰু তিনি পুত্ৰক এৰি যায়। দৌলগুৰি জ্ঞানোদয় পুথিভঁৰাল আৰু শ্বেতমদাৰ ছাত্ৰ সংঘৰ প্ৰবীণ সদস্য মেধি দৌলগুৰি আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্থাৰ প্ৰাক্তন উপ-সভাপতি, কাছাৰীঝাৰ লাল বাহাদুৰ শাস্ত্ৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক, কাপোৰ পুৰি থান পৰিচালনা সমিতি আৰু কাছাৰীঝাৰ বিষ্ণু মন্দিৰ পৰিচালনা সমিতিৰ উপদেষ্টা, কাপোৰ পুৰি থানৰ ভূমিদাতা, হাজৰিকাপাৰা ৰূপকোঁৱৰ শিল্পী সমাজৰ সদস্য, অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ হাজৰিকাপাৰা শাখাৰ উপদেষ্টা আছিল। মেধিৰ মৃত্যুত সমগ্ৰ হাজৰিকাপাৰা অঞ্চলতে শোকৰ ছাঁ পৰে।

জনতাৰ চৰকাৰ | my GOV মেৰি চৰকাৰ | 75 Azadi Ka Amrit Mahotsav

সত্যমেৱ জয়তে
অসম চৰকাৰ

# অসমৰ পৰিবহণ সেৱাৰ পৰিৱৰ্তন সাধন



"মই প্ৰযুক্তিক সবলীকৰণৰ এক মাধ্যম আৰু আহিলা হিচাপে গণ্য কৰো, যিয়ে প্ৰত্যাশা আৰু সুযোগৰ মাজত থকা ব্যৱধান দূৰ কৰে"

**শ্ৰী নৰেন্দ্ৰ মোদী**
প্ৰধানমন্ত্ৰী

## পৰিবহণ বিভাগৰ দ্বাৰা পৰিচালিত ৪০ টা সংযোগবিহীন সেৱা

### বাহন সম্পৰ্কীয় সেৱাসমূহ

মালিকীস্বত্ব হস্তান্তৰকৰণ | বন্ধকী (Hypothecation) সংযোজন | বন্ধকীৰ ধাৰাবাহিকতা | বন্ধকী বাতিলকৰণ | ডুপ্লিকেট পঞ্জীয়ন প্ৰমাণ-পত্ৰ। আপত্তি বিহীন প্ৰমাণ-পত্ৰ প্ৰদান | সম্পূৰ্ণকৈ নিৰ্মিত বাণিজ্যিক বাহনৰ পঞ্জীয়ন আৰু অট' মোবাইল ডীলাৰৰ দ্বাৰা পঞ্জীয়ন প্ৰমাণ-পত্ৰৰ প্ৰদান কাম। সম্পূৰ্ণকৈ নিৰ্মিত ব্যক্তিগত বাহনৰ পঞ্জীয়ন আৰু অট' মোবাইল ডীলাৰৰ দ্বাৰা পঞ্জীয়ন প্ৰমাণ পত্ৰৰ প্ৰদান কাম | পঞ্জীয়ন প্ৰমাণ-পত্ৰত ঠিকনা সলনি | অনলাইন যোগে নতুন বাহনৰ পথ কৰ / মাচুল পৰিশোধ (পৰিবহণ আৰু অনা পৰিবহণ) | পি ইউ চি চি বিলম্ব জৰিমনা | ব্যৱসায় প্ৰমাণ-পত্ৰ নবীকৰণ | পঞ্জীয়ন প্ৰমাণ পত্ৰৰ বিৱৰণ | মোবাইল নম্বৰ আপডেট | আবেদন-পত্ৰ / সেৱাৰ প্ৰত্যাহাৰকৰণ

### চালকৰ অনুজ্ঞা-পত্ৰ সম্পৰ্কীয় সেৱাসমূহ

শিক্ষাৰ্থীৰ অনুজ্ঞা-পত্ৰ (Learner's Licence) প্ৰদান | ডুপ্লিকেট চালক অনুজ্ঞা-পত্ৰ প্ৰদান | চালক অনুজ্ঞা-পত্ৰৰ নবীকৰণ | চালক অনুজ্ঞা-পত্ৰৰ পৰিবৰ্তন | চালক অনুজ্ঞা-পত্ৰত যান-বাহনৰ শ্ৰেণীৰ (CoV) সমৰ্পণ | আন্তঃৰাষ্ট্ৰীয় চালক অনুজ্ঞা-পত্ৰ প্ৰদান | চালক অনুজ্ঞা-পত্ৰত থকা ঠিকনাৰ সাল-সলনি | ড্ৰাইভিং লাইচেন্স এক্সট্ৰেক্ট | কণ্ডাক্টৰৰ ডুপ্লিকেট অনুজ্ঞা পত্ৰ | কণ্ডাক্টৰৰ অনুজ্ঞা-পত্ৰৰ নবীকৰণ | কণ্ডাক্টৰৰ অনুজ্ঞা-পত্ৰত থকা ঠিকনাৰ পৰিবৰ্তন | বিপদজনক সামগ্ৰী কঢ়িওৱাৰ ক্ষেত্ৰত অনুমোদন | মোবাইল নম্বৰ আপডেট | পি এছ ভি বেজ প্ৰদান | শিক্ষাৰ্থীৰ ম্যাদ উকলা অনুজ্ঞা-পত্ৰৰ পুনৰ প্ৰদান | আবেদন-পত্ৰ / সেৱাৰ প্ৰত্যাহাৰকৰণ | ডুপ্লিকেট শিক্ষাৰ্থীৰ অনুজ্ঞা-পত্ৰ প্ৰদান |

### পাৰমিট সম্পৰ্কীয় সেৱাসমূহ

বিশেষ অনুজ্ঞা-পত্ৰ | অস্থায়ী অনুজ্ঞা-পত্ৰ | স্থায়ী অনুজ্ঞা পত্ৰ | ডুপ্লিকেট অনুজ্ঞা পত্ৰ | অনুজ্ঞা পত্ৰৰ নবীকৰণ | অনুজ্ঞা-পত্ৰৰ সমৰ্পণ | অনুজ্ঞা-পত্ৰৰ হস্তান্তৰকৰণ (মৃত্যুৰ ক্ষেত্ৰত) | অনুজ্ঞা পত্ৰৰ ছুটি সমৰ্পণ

### চি এম ট্ৰেক্স

চি এম - ট্ৰেন্সপোৰ্ট ৰেৱেন্যু মবিলাইজেছন এণ্ড একোমোডেশ্যন নেটৱৰ্কড ছিষ্টেম

- অসমৰ মুখ্যমন্ত্ৰীৰ দ্বাৰা ... শুভাৰম্ভ ...
- আৰ টি অ' / ডি টি অ' কাৰ্যালয়ৰ পৰিৱহণ সেৱাসমূহ

এনে ধৰণৰ ব্যৱস্থা অগ্ৰগণ্য ক্ষেত্ৰত অসম হৈছে দেশৰ ভিতৰতে প্ৰথমখন ৰাজ্য

### কেনেদৰে আবেদন কৰিব

পৰ্যায়-১ : www.parivahan.gov.in চাওঁক
পৰ্যায়-২ : 'অনলাইন সেৱা' বাছনি কৰক
পৰ্যায়-৩ : "অনুজ্ঞা-পত্ৰ সম্পৰ্কীয় সেৱা" নাইবা "যান-বাহন সম্পৰ্কীয় সেৱা" (যিটো প্ৰযোজ্য) বাছনি কৰক
পৰ্যায়-৪ : ৰাজ্য 'অসম' বাছনি কৰক
পৰ্যায়-৫ : আবেদনকাৰীসকলে আকাংক্ষিত সেৱাৰ বাবে আবেদন কৰিব পাৰিব।



জনসংযোগ/ডি/৬৭০৭/২২

- সকলো ডি টি অ' / আৰ টি অ' কাৰ্যালয়ত বহিৰ্ভৰ আগমনত লক্ষণীয় হ্ৰাস
- ডি টি অ' / আৰ টি অ' কাৰ্যালয়লৈ যোৱাৰ কোনো প্ৰয়োজন নাই
- এটা ক্লিকতে সেৱাসমূহ উপলব্ধ
- আধাৰ ভিত্তিক প্ৰমাণীকৰণৰ জৰিয়তে কেৱল সেৱা উপলব্ধ

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসম চৰকাৰ দ্বাৰা প্ৰচাৰিত
Follow us @diprassam | dipr.assam.gov.in
@TransportAssam 9531107518
অসম বাৰ্তা ৱাট্ছএপত পাবলৈ ৮৯৮৭২১২৯৮৪ ত Assam লিখি প্ৰেৰণ কৰক